# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Budget Session)

No. 10

The 24th March, 1992

**Price Rs. 31·00**

# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Budget Session)

No. 10

The 24th March, 1992

CONTENTS

BUDGET SESSION

No.—10

Dated, the 24th March, 1992


| | | Page |
|---|---|---|
| 1. | Starred Questions & Answers | 1 |
| 2. | Short Notice Questions & Answers | 42 |
| 3. | Unstarred Questions & Answers | 53 |
| 4. | Discussion During Zero Hour | 81 |
| 5. | Matter Under Rule 301 | 91 |
| 6. | Laying of Report | 96 |
| 7. | General Discussion on the Budget | 100 |
| 8. | Adjournment | 147 |
| 9. | Annexure—1, 2 & 3 | 147—164 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday the 24th March, 1992.

The House met at 9 A. M. of the Clock in the Assembly Chamber, at Dispur with Shri Jiba Kanta Gogoi Speaker in the Chair.

## STARRED
## QUESTIONS & ANSWERS

( To which oral answers were given )

Mr. Speaker : Starred Question No. 161, Hon'ble Member Shri Anjan Dutta.

**বিষয় : আমগুৰি তাপ বিদ্যুৎ প্ৰকল্প।**

শ্ৰী অঞ্জন দত্ত য়ে সুধিছে :

১৬১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) আমগুৰি তাপবিদ্যুৎ প্ৰকল্পৰ কাৰণে কিমান বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে ?

খ) এই প্ৰকল্পৰ বাবে সৰ্ব্বমুঠ কিমান টকাৰ আঁচনি লোৱা হৈছে ?

গ) এই প্ৰকল্পৰ বাবে কাম আৰম্ভ হৈছে নেকি আৰু যদি হৈছে বিভাগে এতিয়ালৈকে কিমান টকা খৰছ কৰিছে ?

---

* Speech Not Corrected

ঘ) আমগুৰি তাপবিদ্যুৎ প্ৰকল্পৰ পূৰ্ণ পৰ্য্যায়ৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব আৰু কিমান দিনত সম্পূৰ্ণ হব ?

ঙ) এই প্ৰকল্পৰ উৎপাদন ক্ষমতা কিমান হব আৰু ই অসমৰ চাহিদা পূৰণ কৰিবনে ?

শ্ৰী দেবানন্দ কোঁৱৰ, ( শক্তি, বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আমগুৰি তাপবিদ্যুৎ প্ৰকল্পৰ কাৰণে পৰিষদে ৭০৯ বিঘা মাটি অধিগ্ৰহণ কৰিছে।

খ) এই প্ৰকল্পৰ বাবে এতিয়ালৈকে প্ৰায় ৮০০ কোটি টকাৰ আঁচনি অনুমোদন কৰা হৈছে।

গ) মাটি অধিগ্ৰহন, দখলীকৰণ আদি প্ৰাৰম্ভিক কামৰ বাবে ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ২৩২'২৭ লাখ টকা খৰছ কৰা হৈছে।

ঘ) প্ৰকল্পৰ প্ৰাককলন অনুসৰি এই প্ৰকল্পৰ কাম আৰম্ভনিৰ পৰা সম্পূৰ্ণ কৰি তুলিবলৈ অতিকমেও ৩৬ মাহ সময় লাগিব।

ঙ) এই প্ৰকল্পৰ উৎপাদন ক্ষমতা ৩৬০ মেগাৱট হব আৰু ই অসমৰ চাহিদা আংশিক ভাবে পূৰণ কৰিব।

* শ্ৰী অঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, আমগুৰি তাপবিদ্যুত্ প্ৰকল্পৰ কাৰণে পৰিষদে ৭০৯ বিঘা মাটি অধিগ্ৰহণ কৰিছে। এই ৭০৯ বিঘা মাটিৰে এই প্ৰকল্পটো সম্পূৰ্ণ কৰিব পৰা যাব নে ? সেই মাটিত বসবাস কৰি থকা লোক সকলক ক্ষতিপূৰণ দি উচ্ছেদ কৰা হৈছে যদিও কিছুমান লোকে পুনৰ বেদখল কৰিছে। সেই ক্ষতি পূৰণ পোৱা লোক সকলক উচ্ছেদ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নে ?

---

* Speech not Corrected

* শ্ৰী দেবানন্দ কোঁৱৰ ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, যিখিনি মাটি অধিগ্ৰহণ কৰা হৈছে সেই মাটিখিনি প্ৰকল্প কৰাৰ কাৰণে চেষ্টা কৰা হব। সেই মাটিত যি সকলে বে-দখল কৰি আছে সেই সকলক উচ্ছেদ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰি আছে।

* শ্ৰী দিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, উক্ত প্ৰকল্পটোত কিমান জন শিক্ষিত নিবনুৱাক সংস্থাপন কৰিব পৰা যাব এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তিমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰকল্পটোৰ কাৰণে অসমৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীকে আৰম্ভ কৰি বিভিন্ন পৰ্য্যায়ৰ কামত কৰ্মচাৰী নিয়োগ কৰি সংস্থাপন কৰা হব। কিন্তু কিমান জন লোৱা হব এতিয়াও সঠিক ভাৱে কব পৰা নাযায় কাৰণ নিয়োগ পৰ্য্যায় ক্ৰমেহে হব।

* শ্ৰী অঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন উত্তৰ 'গ'ত দেখুৱাইছে যে ২৩২.২৭ লাখ টকা খৰছ কৰিছে। প্ৰকৃতাৰ্থত কি কি পৰ্য্যায়ত কি কি কামত টকাখিনি খৰছ কৰা হৈছে এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে মাটি অধিগ্ৰহণৰ কাৰণে ২৩২.২৭ লাখ টকা খৰছ কৰা হৈছে। মাটি খিনিৰ বে-দখলী উচ্ছেদ আৰু তাত ততাতৈয়াকৈ বেৰ দিয়া কামৰ কাৰণেও টকা খৰছ কৰা হৈছে।

---

* Sheech not Corrected

* শ্ৰী অঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰকল্পটোৰ কাৰণে ২৩২.২৭ লাখ টকা খৰছ কৰা হৈছে। মাটিখিনিত বসবাস কৰি থকা লোক সকলক ক্ষতিপূৰণ দি উচ্ছেদ কৰা হৈছিল যদিও পুনৰ বে-দখল কৰিছে। এই বে-দখলী সকলৰ কাৰণে প্ৰকল্পটোৰ নিৰ্ম্মাণ কাৰ্য্যত বাধা আহি পৰিব। তাত বিদ্যুত্ পৰিষদৰ কাৰ্য্যালয় কামৰ কাৰণে কিমান জন কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে। কি পৰ্য্যায়ত কেনে ধৰণৰ কাম কৰা হৈছে এই বিষয়ে মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

* শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰকল্পটোৰ কাৰণে কোনো কৰ্ম্মচাৰী নিয়োগ কৰা হোৱা নাই। প্ৰকল্পটো তত্ত্বাৱধান কৰিবলৈ বিদ্যুত্ পৰিষদৰ কেইজনমান কৰ্ম্মচাৰীক প্ৰাৰম্ভিক কামৰ কাৰণে দায়িত্ব দিয়া হৈছে। নতুন নিযুক্তি দিয়া হোৱা নাই।

* শ্ৰী দিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক নিযুক্তি দিয়া হব বুলি কৈছে কিন্তু প্ৰথম শ্ৰেণীৰ কৰ্ম্মচাৰীক বাহিৰৰ পৰা অনা হব নেকি ?

* শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম, দ্বিতীয়, তৃতীয় আৰু তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী অসমৰ অৰ্হতা সম্পন্ন অনুসৰি বিভিন্ন বিভাগত নিযুক্তি দিয়া হব।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কাৰণে কাৰিকৰী জ্ঞান থকা লোক নাথাকিবও পাৰে। সেইকাৰণে আগতিয়াকৈ এই দুটা শ্ৰেণীৰ কাৰণে প্ৰশিক্ষণৰ যোগেদি কাৰিকৰী জ্ঞান দিবলৈ চৰকাৰে চিন্তা কৰিছে নে নাই মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

* শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চিন্তা কৰি থকা হৈছে।

---

* Speech not Corrected

মাননীয় অধ্যক্ষ ঃ তৰা চিহ্নিত প্ৰশ্ন নঃ ১৬২, মাননীয় সদস্য শ্ৰী লিয়াকত আলীখান।

## বিষয় ঃ বিজুলী যোগান।

শ্ৰী লিয়াকত আলী খান য়ে সুধিছে ঃ

*১৬২ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কিমানখন গাওঁত বৰ্ত্তমানলৈ বিজুলী যোগান ধৰা হৈছে? (গাওঁৰ নামবোৰ সদনৰ মেজত দাখিল কৰিব।)

খ) নলবাৰী জিলাৰ অন্তৰ্গত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কান্ধবাৰী গাওঁখনত আজিলৈকে বিদ্যুৎৰ ব্যৱস্থা নকৰাটো চৰকাৰ অৱগত নে?

গ) যদি অৱগত এই গাওঁখনত বিদ্যুৎৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে কি কাৰ্য্যপন্থা হাতত লৈছে?

ঘ) ৰাজহুৱা স্বাৰ্থৰ খাতিৰত গাওঁখনত এই বিত্তীয় বছৰতে বিদ্যুৎৰ ব্যৱস্থা কৰিবনে?

শ্ৰী দেবানন্দ কোঁৱৰ, (শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) নলবাৰী জিলাৰ নলবাৰী থানাৰ অন্তৰ্গত ৩৬০ খন গাওঁলৈ বৰ্ত্তমানলৈকে বিজুলী যোগান ধৰা হৈছে।

এই গাওঁসমূহৰ তালিকা সদনৰ মজিয়াত ৰখা হৈছে।

( See Annexure—1 )

খ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা পোৱা আবেদন মতে

---

* Speech not Corrected

নলবাৰী জিলাৰ নলবাৰী থানাৰ অন্তৰ্গত কান্ধবাৰী গাওঁখন ১৯৮৩-৮৪ চনতেই বৈদ্যুতিকৰণ কৰা হৈছে।

গ) আৰু ঘ), খ) ত দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

* শ্ৰী লিয়াকত আলী খান : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কান্ধবাৰী গাওঁখন নলবাৰী জিলাৰ নলবাৰী থানাৰ অন্তৰ্গত বুলি কৈছে। আচলতে কান্ধবাৰী গাওঁখন নলবাৰী জিলাৰ অন্তৰ্গতহে। নলবাৰী জিলাৰ যিমান কেইখন গাওঁ আছে আটাই-কেইখনতে বৈদ্যুতিকৰণ কৰা হৈছে বুলি কোৱা হৈছে। কিন্তু গাওঁ খনত বিভিন্ন ধৰণৰ মানুহ বসবাস কৰি আছে যদিও তাত বৈদ্যুতিকৰণ কৰা হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে বান্ধবাৰী গাওঁ নলবাৰী থানাৰ অন্তৰ্গত। আচলতে মুকালমুৱা অঞ্চলতহে। ১৯৮৩-৮৪ চনত বৈদ্যুতিকৰণ কৰা হৈছে বুলি কৈছে যদিও আজিলৈকে এই গাওঁ কেইখনৰ কিয় বৈদ্যুতিকৰণ কৰা হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে? বৰপেটা জিলা মোৰ সমষ্টিত যি কেইখন গাওঁ আছে তাতো বৈদ্যুতিকৰণ কৰা হোৱা নাই। এই গাওঁ কেইখনত কিমান দিনৰ ভিতৰত বৈদ্যুতিকৰণ কৰা হব এই বিষয়ে জনালে ভাল আছিল।

* শ্ৰী দেবানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গোটেই কেইখন গাওঁতে এটা পইণ্ট জ্বলালে বৈদ্যুতিকৰণ কৰা বুলি নামতহে ধৰা হয়। বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈ নুঠালৈকে এনে অৱস্থা হৈয়ে থাকিব। ১৯৯২-৯৩ চনত যিটো বৈদ্যুতিকৰণৰ আচঁনি লোৱা হৈছে সেই আচঁনিমতে মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হব।

---

* Speech not Corrected

* শ্ৰী আলাউদ্দীন চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শক্তি মন্ত্ৰীয়ে কৈছে যে বিদ্যুত বিভাগে লাহে ল্যহে শক্তি সঞ্চয় কৰি আছে আৰু সেই মৰ্ম্মে বৈদ্যুতিক আচঁনি লৈছে কিন্তু বৰ্ত্তমান যিটো পদ্ধতি যে এখন গাওৰ এটা চুবুৰীৰ এটা ঘৰত এটা পইণ্ট আহিলেই যিটো ইলেকট্ৰিফিকেশ্যন হোৱা বুলি ধৰে সেই প্ৰক্ৰীয়াটো পৰিবৰ্ত্তন কৰি আৰু যি ৰুৰাল ইলিকট্ৰিফিকেশ্যন বিভাগ আছে সেইবিলাক বন্ধ কৰি দি একেবাৰে এ, এচ, ই, বিৰ তলত আনিলে ভাল হব নেকি ?

* শ্ৰী দেবানন্দ কোৱঁৰ (শক্তি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি গ্ৰাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থাটো উঠাই দিয়া কথা কৈছে সেইটো উঠাই দিয়া কথা নহয়। গ্ৰাম্যবৈদ্যুতিকৰণ প্ৰকল্পটো কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছে আৰু গ্ৰাম্য বৈদ্যুকিৰণৰ যি নিগম আছে সেই নিগমৰ পৰা ঋণ লৈ গ্ৰাম্য বৈদ্যুতিকৰণ কৰা হয়। এই ব্যৱস্থাতো অকল আমাৰ ৰাজ্যতে নহয়, ই ভাৰতবৰ্ষৰ ২৪ খন ৰাজ্যত একেই নীতি চলি আছে। তাত কিছুমান নৰ্মচ আছে আৰু সেই নৰ্মচ মতে চলা হয়। সেই নীতি অনুযায়ী অহা ১৯৯২।৯৩ চনৰ ভিতৰত অসমৰ গাওঁ সমূহ বৈদ্যুতিকৰণৰ আচঁনিৰ ভিতৰত সুমাবলৈ চিন্তা কৰা হৈছে। অৱশ্যে বৰ্ত্তমান চলিত বছৰত গ্ৰাম্য বৈদ্যুতিকৰণৰ পৰিকল্পনা যি ভাবে অগ্ৰসৰ হব লাগিছিল সেই ধৰণে নহ'ল কিন্তু এতিয়া যি ধৰণে ব্যৱস্থা কৰা হৈছে সেইমতে কামখিনি কৰিব পৰা হব আৰু অহা বছৰত ইয়াৰ অগ্ৰগতিৰ বিষয়ে বুজিব পাৰিব।

* শ্ৰী লিয়াকত আলী খান : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৰেভিনিউ ভিলেজ বৈদ্যুতিকৰণৰ ক্ষেত্ৰত যি নৰ্মচৰ কথা কৈছে সেইটো পৰিবৰ্ত্তন কৰিবৰ কাৰণে ব্যৱস্থা কৰিব নোৱাৰিলে নেকি ? বৰ্ত্তমান যিটো

* Speech Not Corrected

প্ৰচলিত নিয়ম যে এটা ঘৰত পইণ্ট এটা আনিলে গোটেই ৰেভিনিউ ভিলেজতে ইলেকট্ৰিফিকেশ্যন বুলি ধৰি লোৱা হয় সেইটো পৰিবৰ্ত্তন কৰি এখন চুবুৰীত বৈদ্যুতিকৰণ কৰি বৰ্ত্তমান নীতি পৰিবৰ্ত্তন কৰাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰী দেবানন্দ কোৱঁৰ (শক্তি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেই ধৰণে কৰাৰ প্ৰয়োজন নাই। গ্ৰাম্য বৈদ্যুকিৰণ আচঁনিৰতলত "কনচলিদেশ্যন এণ্ড ইনটেনচিফিকেশ্যন অব ৰুৰাল ইলেকট্ৰিফিকেশ্যন স্কীম" টো পৰিপুৰক হিচাবে কৰা হৈছে। গতিকে এই আচঁনিৰ অধীনত কাম বিলাক অন্তৰ্ভুক্ত কৰি লব পৰা হব। বৰ্ত্তমান নীতিৰ পৰিবৰ্ত্তন কৰাৰ প্ৰয়োজন নাই। বৰ্ত্তমান চলি থকা প্ৰক্ৰীয়াৰে আৰ, ই, চিৰ ব্যৱস্থা খিনি পূৰণ কৰিব পৰা হব।

* শ্ৰী জগন্নাথ সিনহা : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যিটো এখন গাওত এটা, পয়ণ্ট দিলেই গোটেই গাওঁ খনত বৈদ্যুতিকৰণ হোৱা বুলি ধৰে। কিন্তু বৰ্তমান ব্যৱস্থা যিটো কৈছে সেইটো ব্যৱস্থা কেতিয়াৰ পৰা হব নে আগৰে পৰা আছে যদি নাই কেতিয়া কৰা হব ?

* শ্ৰী দেবানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) : মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে এইটো আগৰে পৰা প্ৰচলিত হৈ আছে আনকি এই বছৰো কৰা হৈ আছে।

* Shri Jagannath Sinha : Mr. SPeaker Sir, How is that, Sir, the Hon'dle Minister in charge of power has said that each village has been electrified, he should have said that the villages got to be electrified.

---

* Speech not Corrected

* Shri Devananda Konwar ( Minister, Power ) : Sir, I said that the village is said to be electrified in accordance with the norms of the R. E. C. under the scheme Consolidation and Intensification of Rural Electrification.

* Shri Jagannath Sinha : Sir, I don't understand Sir, whether the villages as mentioned by the Minister have been electrified. I consider it Sir, bluff.

* Shri Devananda Konwar ( Minister, Power ) Sir, it is not a bluff. Hon'ble Member is invited to inspect the records to remove, if there is any doubt about this.

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ১৬৩ মাননীয় সদস্য ডাঃ কমলা কলিতা।

**বিষয় : নিজ বগাই প্ৰাথমিক বিদ্যালয়ৰ ভৱন মুকলি।**

ডাঃ কমলা কলিতা য়ে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ছয়গাওঁ সমষ্টিৰ অন্তৰ্গত নিজ বগাই প্ৰাথমিক বিদ্যালয়ৰ নতুন ভৱনটো ১০-২-৯২ ইং তাৰিখে দুৱাৰ মুকলি কৰা কথা সচানে ?

---

* Speech not Corrected

খ) যদি সচা তেন্তে উক্ত বিদ্যালয়ৰ দুৱাৰ কোনে মুকলি কৰিলে ?

গ) উক্ত দুৱাৰ মুকলি অনুষ্ঠান কোনে আয়োজন কৰিছিল ?

শিক্ষামন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন য়ে উত্তৰ দিছে ঃ

ক) সঁচা।

খ) ৰাজ্যিক ৰাজহ মন্ত্ৰী মাননীয় শ্ৰী যুত গোমেশ্বৰ পেগু য়ে।

গ) দুৱাৰ মুকলি অনুষ্ঠান স্থানীয় ৰাইজে আয়োজন কৰিছিল।

* ডাক্তৰ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এই বিদ্যালয় খন চৰকাৰী নে বেচৰকাৰী ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষা মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰেকোৰ্ড মোৰ হাতত নাই, প্ৰশ্ন কৰ্ত্তাই জানেই।

* ডাঃ কমলা কলিতা ঃ চাৰ, শিক্ষা বিভাগটো চৰকাৰী নে বেচৰকাৰী ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) ঃ চাৰ, প্ৰথমতে বেচৰকাৰী হৈ থাকে পিচত হে চৰকাৰী হয়।

* ডাঃ কমলা কলিতা ঃ চাৰ শিক্ষা বিভাগটো চৰকাৰী নে বেচৰকাৰী ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয় এইটো আপোনালোকে জানেই চৰকাৰী কিন্তু অইন অইন বেচৰকাৰী অনুষ্ঠান হিচাবে বহু সময়ত প্ৰথম অৱস্থাত আৰম্ভ হয়।

* ডাঃ কমলা কলিতা ঃ চাৰ, বেচৰকাৰী হিচাবে চৰকাৰী অনুষ্ঠান পাতিব পাৰে জানো ?

---

* Speeeh not Corrected

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সাধাৰণত যেতিয়া আমাৰ মন্ত্ৰী বিধায়ক সকল গাৱঁলৈ যায় তেতিয়া ৰাইজে মন্ত্ৰীক অনুৰোধ কৰে অনুষ্ঠান ইত্যাদি চাবলৈ আৰু কেতিয়াবা দুৱাৰ মুকলি কৰিবলৈ।

* ডাঃ কমলা কলিতা : চাৰ, যেতিয়া কোনো এজন বিধায়কে মন্ত্ৰীৰ লগত আলোচনা কৰি কোনো প্ৰোগ্ৰেম লয় তেতিয়া বিধায়কৰ কথাৰ ওপৰত গুৰুত্ব নিদি দলীয় কৰ্ম্মীৰ ওপৰত বেচি গুৰুত্ব দিয়া হয় নেকি? স্থানীয় বিধায়কক তেনে অনুষ্ঠানত মাতিব নালাগে নেকি?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কথাটো সেইটো নহয়, যদি বিধায়কক এই অনুষ্ঠানত মতা হোৱা নাই তেতিয়া হলে সেইটো ভাল কথা হোৱা নাই, য'ত অনুষ্ঠান হয় তাত স্থানীয় বিধায়কক মাতিব লাগে।

* শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিৰ কোনো প্ৰয়োজনীয় কথা বিধায়ক সকলে মন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱাৰ পাচত দলীয় কৰ্ম্মীৰ পৰামৰ্শ মতেহে কাম বিলাক হয়। এই ক্ষেত্ৰত বিধায়কৰ পৰামৰ্শক গুৰুত্ব নিদি দলীয় কৰ্ম্মীৰ ওপৰতহে বেচি গুৰুত্ব দিয়া হয়, এইটো কিয় কৰা হয়?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয় প্ৰশ্ন কৰ্ত্তাই নিশ্চয় স্বীকাৰ কৰিব যে বিধায়কৰ পৰামৰ্শ নিশ্চয় লোৱা হয় আৰু স্থানীয় ৰাইজৰ কথায়ো বিবেচনা কৰা হয়।

---

* Speech Not Corrected

*শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ, পোনপতিয়া কথা হ'ল বিধায়কক গুৰুত্ব দিব নে দলীয় কৰ্ম্মীক বেচি গুৰুত্ব দিব ?

*ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ বিধায়কক নিশ্চয় দিম।

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ১৬৪, মাননীয় শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**বিষয়ঃ ৬০ বছৰৰ ওপৰৰ অধ্যাপক, অধ্যক্ষৰ চাকৰীৰৰ সীমা বৰ্দ্ধিত কৰণ।**

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী য়ে সুধিছে :

*১৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচত শিক্ষা বিভাগত ৬০ বছৰ বয়সৰ সীমা পাৰ হোৱা অধ্যাপক, অধ্যক্ষ আৰু কৰ্মচাৰীক চাকৰি বৰ্দ্ধিত কৰণ কৰা হৈছে নেকি ?

খ) যদি হৈছে উক্ত লোক সকলৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব ?

গ) বৰ্ত্তমান ৰাজ্যখনৰ বাঢ়ি অহা নিবনুৱা সমস্যাৰ পৰিপ্ৰেক্ষিতত কি অহৰ্তা আৰু বিশেষ কাৰণ বশতঃ উক্ত লোক সকলক চাকৰি বৰ্দ্ধিতকৰণ কৰা হ'ল ?

ডাঃ ভূমিধৰ বৰ্মণ ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, হৈছে।

---

* Speech not Corrected

খ) ডিব্রুগড় মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰী বি, এন জামোৱাৰ আৰু লোক-নায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰী ৰবীন ভূঞা।

গ) মহাবিদ্যালয়ৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত পৰিচালনা সমিতিৰ প্ৰস্তাৱমৰ্মে উক্ত অধ্যক্ষ কেইজনৰ চাকৰিৰ ম্যাদ ছয় মাহলৈ বৰ্দ্ধিত কৰণ কৰা হৈছে।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, যি দুগৰাকী অধ্যক্ষক এক্সটেনচন দিয়া হৈছে তেওঁলোকৰ এনে কোনো সাংঘাতিক কুৱালিফিকেচন নাই যে তেওঁলোক নহলে কলেজ নচলিব। টেকনিকেল মানুহ হলে এক্সটেচন দিয়াটো বেলেগ কথা। এক্সটেনচন দিয়াৰ নীতি কি? এওঁলোক দলীয় কৰ্ম্মী কাৰণে তেওঁলোকৰ ওচৰত অবলাইজ নেকি? এম, এ পাচ কৰা মানুহ অসমত কিমান লাখ আছে তাৰ হিচাব নাই। গতিকে এম, এ পাচ কৰা অধ্যক্ষ কেইজনক কি কাৰণত এক্সটেনচন দিয়া হৈছে?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি পৰাপক্ষত এক্সটেমচন নকৰো। এই দুয়োটা ক্ষেত্ৰত পৰিচালনা সমিতিৰ পৰা খুব জোৰ দিয়া হৈছে যে এওঁলোক নহলে কলেজৰ অনিষ্ট হয়। তেতিয়া আমি কথাটো খুব বিবেচনা কৰি মাত্ৰ ছয় মাহলৈ এক্সটেনচন দিছো।

* শ্ৰী প্ৰমোদ গগৈ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৬০ বছৰ বয়সৰ পিছত দুজন বা ততোধিক লোকক তেওঁলোকৰ চাকৰিৰ সীমা ৬ মাহৰ কাৰণে বঢ়াই দিছে। তেখেতৰ পৰা জানিব বিচাৰো যে

---

* Speech Not Corrected

যি সকলৰ শিক্ষকৰ স্কুলৰ হওক বা কলেজৰ হওক ৬০ বছৰ বয়সৰ পিছত চাকৰিৰ ম্যাদ বৃদ্ধি কৰাটো চৰকাৰে এটা সাধাৰণ নীতি হিচাপে গ্ৰহণ কৰিছেনেকি ? যদি চৰকাৰে এটা সাধাৰণ নীতি হিচাপে গ্ৰহণ কৰিছে তেন্তে অন্যান্য সকলৰ ক্ষেত্ৰতো সেই কথাটো বিবেচনা কৰিব নেকি ? এই দুজন শিক্ষকক কি কি কাৰণত তেওঁলোকৰ চাকৰিৰ ম্যাদ ৬ মাহলৈ বৃদ্ধি কৰা হৈছে আৰু ম্যাদ বৃদ্ধি কৰাৰ কাৰণে কোনে কোনে অনুমোদন বা পৰামৰ্শ দিছিল ? সেই স্কুল বা কলেজৰ যি গৱৰ্ণিং বডি বা চৰকাৰৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ আছে, হাইস্কুলৰ ইন্সপেক্টৰ আছে, সেই সকলৰ পৰা তেনেকুৱা কিবা চাকৰী পৰামৰ্শ আহিছিল নেকি ?

*ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চৰকাৰৰ সাধাৰণ নীতি হিচাপে এক্সটেনচন দিয়া নাই। মই আগতেই কৈছো যে পৰিচালনা সমিতিয়ে বিশেষ ভাৱে বুজাইছে, বাৰে বাৰে লিখিছে আৰু প্ৰতিনিধি দল আহি কৈছে, তেতিয়াহে আমি এই ক্ষেত্ৰত কৰিছো। এজন লেবাৰ ক্লাছৰ মানুহ। ইয়াত চৰকাৰৰ ফালৰ পৰা এনে কোনো সিদ্ধান্ত লোৱা নাই যে এক্সটেনচন দিম। বহুতে দৰ্খাস্ত কৰিছে। বিশেষ অনুমোদনৰ বাবদ এই কেইটা বঢ়োৱা হৈছিল। তেওঁলোক আমাৰ দলীয় কৰ্মী নহয়, অন্য দলৰ হয় নে নহয় নাজানো।

* শ্ৰী হিতেশ ডেকা : অধ্যক্ষ মহোদয়, পাটোৱাৰী ডাঙৰীয়াই যিথিনি কৈছে হাঁহি ধেমালিৰে পাৰ কৰিছো। এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়। শিক্ষা বিভাগ দুৰ্নীতি, নীতি হীনতাত পৰিণত হৈছে। মই বিশেষ ভাৱে সুধিব খুজিছো যে দুখন মহা বিদ্যালয়ৰ যেনে ধৰণে পৰিচালনা

* Speech not Corrected

সমিতিয়ে অধ্যক্ষ গৰাকীৰ চাকৰিৰ কাল বঢ়োৱাত অনুমোদন জনালে তেনেকুৱা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অধ্যক্ষৰ নাম আছে নেকি ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ, বিধায়কৰ আপত্তি হৈছে যেতিয়া আগতকৈ বেছি সতর্ক হম।

* শ্ৰী হিতেশ ডেকা : অধ্যক্ষ মহোদয়, অসমত অন্য তেনেকুৱা কোনোৱা মহাবিদ্যালয় আছে নেকি যে অধ্যক্ষৰ কাৰ্য্যকাল বঢ়াই দিয়াৰ বাবে পৰিচালনা সমিতিয়ে অনুৰোধ জনাইছে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মোৰ নজৰত নাই। ব্যক্তিগত ভাৱে দৰ্খাস্ত কৰে।

* শ্ৰী হিতেশ ডেকা : অধ্যক্ষ মহোদয়, নলবাৰী জিলাত এম এন চি গাৰ্লচ কলেজ আছে, ২২ বিঘা মাটি পৰিয়ালটোৱে দনেট কৰিছে। পৰিচালনা সমিতিয়ে অধ্যক্ষ চৌধুৰীৰ কাৰ্য্যকাল বঢ়োৱাৰ বাবে অনুৰোধ জনাইছিল যদিও বৃদ্ধি নহল। এনে নীতিহীন কথা শিক্ষা বিভাগত থাকিব নাপায়। গতিকে অনুসন্ধান কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অনুসন্ধান কৰিম।

* শ্ৰী হিতেশ ডেকা : মাননীয় অধ্যক্ষ, উপযুক্ত ব্যৱস্থা লবনে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) : লম।

* শ্ৰীশশ কমল সন্দিকৈ : অধ্যক্ষ মহোদয়, জামোৱাৰ কাৰ্য্যকাল বঢ়াই

---

* Sheeeh not Corrected

দিছে। এওঁৰ চাৰ্টিফিকেট ভুৱা আৰু কোৰ্টত কেচ হৈ আছে। এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে? এনে এজন অধ্যক্ষৰ ভুৱা চাৰ্টিফিকেটৰ অভিযোগ থকাৰ পিছত কাৰ্য্যকাল বৃদ্ধি কৰাৰ কি যুক্তিসঙ্গত কাৰণ থাকিব পাৰে? পৰিচালনা সমিতিয়ে যিয়েই কৰক শিক্ষা বিভাগে যদি ভাৱে যে অধ্যক্ষ গৰাকীয়ে গৰ্হিত কাম কৰা বুলি ভাৱে তেন্তে এক্সটেনচনৰ ক্ষেত্ৰত পুনৰ বিবেচনা কৰিবনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষামন্ত্ৰী): অধ্যক্ষ মহোদয়, তেওঁৰ বিৰুদ্ধে চাৰ্জ আছে বুলি নাজানো।

শ্ৰীশশ কমল সন্দিকৈ: অধ্যক্ষ মহোদয়, জামোৰাৰ প্ৰমাণ পত্ৰত সন্দেহ হৈছে, কোৰ্টত বিচাৰ চলিছে। গতিকে অনুসন্ধান কৰি পুনৰ বিবেচনা কৰিবনে?

*ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষামন্ত্ৰী): অধ্যক্ষ মহোদয়, অনুসন্ধান কৰিম।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, এক্সটেনচনৰ কাৰবাৰটো চৰকাৰে বন্ধ কৰিবনে নাই? পাৰ্চনেল বিভাগে এ চি এচ, আই এ এচ বিষয়াৰ এক্সটেনচন দিয়াৰ কাম আৰম্ভ কৰিছে। টেকনিকেল মানুহক এক্সটেনচন দিয়াটো বেলেগ কথা। আই এ এচৰ কি বিশেষত্ব আছে। গতিকে এক্সটেনচনৰ এই মামলাটো বন্ধ হব নে নহয়?

*ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষামন্ত্ৰী): এইটো চাম।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: বন্ধ কৰিব নে নকৰে?

---

* Speech not Corrected

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( শিক্ষামন্ত্ৰী ) ঃ অধিক সতৰ্ক হম।

## বিষয় ঃ নলবাৰী শিক্ষা উপদেষ্টা বোৰ্ড।

শ্ৰী শশকমল সন্দিকৈয়ে সুধিছে 

* ১৬৫ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ২৯/২/৯২ তাৰিখে নলবাৰী Elementary Advisory Board ৰ এখন বৈঠক নলবাৰী আবৰ্ত্ত ভৱনত অনুস্থিত হৈছিল এই তথ্য সত্য নে ?

খ) যদি সত্য এই বৈঠক খন কোনে আহ্বান কৰিছিল ?

গ) বৈঠকৰ সিদ্ধান্ত সমূহ কি কি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) যোৱা ২৯/২/৯২ ইং তাৰিখে নলবাৰী মহকুমাৰ উপদেষ্টা পৰিষদৰ বৈঠক অনুস্থিত হোৱাতো সত্য।

খ) এই বৈঠক উপদেষ্টা পৰিষদৰ কেইজনমান সদস্যৰ অনুৰোধ মতে জিলা প্ৰাথমিক শিক্ষা বিষয়াই আহবান কৰিছিল।

গ) বৈঠকত কোনো সিদ্ধান্ত হোৱা নাই।

* শ্ৰী শশকমল সন্দিকৈ ঃ— অধ্যক্ষ মহোদয়, এই কথাতো লৈ নলবাৰী জিলাত অনুষ্ঠিত হোৱা সেই বৈঠকত আমি জনাত সিদ্ধান্ত হবলৈ নাপালে আৰু কাগজ ফলাফলিহে হল। মাননীয় সদস্য শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই সদনত কোৱাৰ দৰে সভাপতিজনে ৰিভলভাৰ উলিয়াই প্ৰাথমিক বিষয়াজনৰ কপালত থৈ মিটিং বন্ধ

* Speech not Corrected

কৰিবলৈ কৈছিল। এদভাইচৰী বৰ্ডৰ সভাপতিৰ ৰূপ যদি সেই-টোৱেই হয় তেনেহলে সেই জিলা বিষয়া জনে শিক্ষক নিয়োগৰ ক্ষেত্ৰত কি ব্যৱস্থা লব? মাননীয় সদস্য শ্ৰী পাটোৱাৰী দেৱে এটা প্ৰশ্ন সদনত উৎথাপন কৰিছে যে, এই বিষয় সংক্ৰান্তত তেখেতৰ দেউতাক আৰু ভায়েকক পুলিচে হাৰাশাস্তি কৰিছে। গতিকে মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ যে এনে ধৰণৰ উদভন্‌দালী প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু এই ক্ষেত্ৰত এটা সিদ্ধান্ত অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী :— অধ্যক্ষ মহোদয়, যোৱা ২৯-১-৯২ তাৰিখে নলবাৰী মহকুমাত অনুষ্ঠিত হোৱা উপদেষ্টা পৰিষদৰ বৈঠকত সভাপতিত্ব কৰিছিল মঃ মকচেদ আলিয়ে। তেওঁ কংগ্ৰেছ আইৰ এজন ভদ্ৰলোক যাক আমি খুৰা বুলি মাতো। শিক্ষামন্ত্ৰী মহোদয়ে কৈছিল যে সুধিপুচি ব্যৱস্থা লম। মই এই খিনিতে সেই মিটিঙৰ প্ৰস্তাৱৰ কপিটো পঢ়ি দিব বিচাৰিছো। যোৱা ২৯-২-৯২ তাৰিখে।

— ( সদনত গণ্ডগোল ) —

* Shri Jagannath Sinha : Mr. Speaker, Sir, please ask him to place the paper on the table of the House. Sir, according to Rules of Procedure and Conduct of Business in the Assam Legislative Assembly. This is my Suggestion.

( Shri Chandra Mohan Patowari continued reading out the paper in Assamese )

* Speech not Corrected

* Dr. Ardhendu Kumar Dey ( Minister ) : Sir, what is the question, the paper to me.

মাননীয় অধ্যক্ষ : আপুনি কপিটো হেন্দ অভাৰ কৰক।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আলফা যদি উগ্ৰপন্থী হয় তেনেহলে কোন আইনমতে কংগ্ৰেছ আইৰ লোকে পিস্তল দেখুৱালে দেশপ্ৰেমী হয় ?

( মাননীয় সদস্য পাটোৱাৰীয়ে প্ৰস্তাৱসমূহ মাননীয় অধ্যক্ষৰ ওচৰত দাখিল কৰে )।

* শ্ৰী নগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে জনাবনে যে, নলবাৰীত যিখন জিলা উপদেষ্টা পৰিষদ আছে সেই উপদেষ্টা পৰিষদ ভঙ্গ কৰি দিব বা সভাপতি বৰ্খাস্ত কৰাৰ বাবে সিদ্ধান্ত লব ?

* ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি গোটেই কথাটো অনুসন্ধান কৰি যথোপযুক্ত ব্যৱস্থা লম।

* শ্ৰী প্ৰমোদ গগৈ : অধ্যক্ষ মহোদয়, নলবাৰী মহকুমাৰ শিক্ষাবৰ্ডৰ সভাপতিজন চৰকাৰী বিষয়া আৰু তেখেত এলিমেণ্টৰি এদভাইচৰী বৰ্ডৰ চেক্ৰেটৰি। চৰকাৰী বিষয়াক এলিমেণ্ট এডুকেশান বৰ্ডৰ সভাপতিয়ে এনে ধৰণৰ যদি অসং আচৰণ কৰি পিস্তল দেখুৱাই তেনেহলে সেইজন চেয়াৰমেনৰ বিৰোদ্ধে চৰকাৰে তত্তালিকে এটা কেচ ৰজু কৰিবনেকি ? আৰু তদন্ত নোহোৱা পৰ্য্যন্ত বা মীমাংসা নোহোৱা

* Speech Not Corrected

পৰ্য্যন্ত তেখেতক ততালিকে এদভাইচৰী বৰ্ডৰ পৰা সভাপতি পদৰ পৰা অপসাৰিত কৰিব নেকি ?

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি অনুসন্ধান কৰি নিৰপেক্ষভাবে যথোপযুক্ত ব্যৱস্থা লম।

Shri Jagannath Sinha : Sir, you have alreay announced Question No. 166.

*শ্ৰী শশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, আমি দুখ পাইছো যে সদনৰ মৰ্য্যদা আমাৰ মন্ত্ৰী মহোদয়ে অৱমাননা কৰিছে। আমি সদনত সম্পুৰ্ণ তথ্যপাতি লৈ আহি বক্তব্য ৰাখো। মন্ত্ৰী মহোদয়ে কৈছে অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু মোৰ প্ৰশ্ন হৈছে যে, সেই সময় পৰ্য্যন্ত এই সভাপতিজনক অপসাৰণ কৰি নিক্ৰিয় কৰি ৰাখক। মোৰ এই পাৰ্টিনেণ্ট পইণ্টটোৰ উত্তৰ দিবনে ?

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি অনুসন্ধান কৰি ঠিক উপযুক্ত ব্যৱস্থা লম।

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ১৬৬ মাননীয় শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী

**বিষয় : নিমাতীত বান নিয়ন্ত্ৰণ আচনি।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

*১৬৬। মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী বিভাগৰ মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* Speech not Corrected

ক) নিমাতীত ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰাৰ কোনো আঁচনি চৰকাৰৰ আছে নেকি ?

খ) যদি আছে, সেই আঁচনিৰ বাবে আৱশ্যকীয় বিত্তীয় সাহাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাব দাখিল কৰা হৈছে নে ?

গ) যদি দাখিল কৰা হৈছে, কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কি উত্তৰ দিছে ?

শ্ৰী হৰেণ ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, আছে ।

খ) হয় । কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এটা প্ৰস্তাৱ দাখিল কৰা হৈছে ।

গ) কেন্দ্ৰীয় চৰকাৰে আঁচনিখনৰ "মডেল টেষ্ট" কৰাৰ পৰামৰ্শ দিছে ।

*শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, উত্তৰত কৈছে যে ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ কাৰণে যোৰহাটৰ নিমাতীত বান নিয়ন্ত্ৰণৰ আচনি আছে। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছে। কিন্তু মই জনাত ব্ৰহ্মপুত্ৰৰ গতি নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বহুত আগতেই আচনি দাখিল কৰা হৈছে। মন্ত্ৰী মহোদয়ে 'গ' অংশৰ উত্তৰত কৈছে যে কেন্দ্ৰীয় চৰকাৰে আচনিখনৰ কাৰণে 'মডেল ষ্টেটৰ পৰামৰ্শ দিছে। মডেল টেষ্ট মানে আচনিখন ফিজি-বিল হয় নে নহয় এইটোৱেই নহয় জানো ? অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে মডেল টেষ্ট কৰি পৰামৰ্শ কেন্দ্ৰলৈ পঠোৱাৰ বাবে কিমান দিনৰ প্ৰয়োজন হব ?

---

* Sheeeh not Corrected

*শ্ৰী হৰেণ ভূমিজ মন্ত্ৰী (বান নিয়ন্ত্ৰণ) : মাননীয় অধ্যক্ষ মহোদয়, নিমাতীত ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰাৰ কাৰণে, কাৰিকৰি উপদেষ্টা কমিটিৰ অনুমোদন ক্ৰমে ১৯৮৭ চনতে এখন আচনি যুগোতোৱা হৈছিল। আচনিখনৰ নাম আছিল 'প্ৰটেকচন অব দৈনিগাও এণ্ড ইটচ এডজইনিং এৰিয়াজ, এগেইষ্ট দি ইৰোচন অব ৰিভাৰ ব্ৰহ্মপুত্ৰ' —এই আচনিখন কেন্দ্ৰীয় জল আয়োগলৈ বাননিয়ন্ত্ৰণ বিভাগৰ পৰা পঠোৱা হৈছিল ১৯৯১ চনৰ ৩১ আগষ্টত। কিন্তু কেন্দ্ৰীয় জল আয়োগে ১৯৯১ চনৰ নবেম্বৰ মাহত আমাৰ চিঠিৰ উত্তৰ দি বান নিয়ন্ত্ৰণ বিভাগক মডেল টেষ্ট কৰাৰ কাৰণে পৰামৰ্শ দিছে। কিন্তু ১৯৯১ চনত পৰীক্ষা কালত নদীৰ গতি সলনি হোৱাৰ কাৰণে পুনৰ মডেল টেষ্টৰ কাৰণে জৰিপ কৰি থকা হৈছে। ইয়াৰ ৰিপোৰ্ট ১৯৯৩ চনৰ মাজ ভাগত পোৱাৰ আশা আছে।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই যোৰহাট সমষ্টিৰ বিধায়ক। এইটো বৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন। ব্ৰহ্মপুত্ৰই ইতিমধ্যেই ১০ কিলোমিটাৰ সোমাই আহিছে। মডেল টেষ্টৰ ফিজিবিলিটি ৰিপোৰ্ট কেতিয়া প্ৰস্তুত হব? আজি ১৯৯২ চন, ১৯৯৩ হবলৈ বহুত বাকী আছে—ইয়াৰ মাজত বাৰিষা হব আৰু সংসদ নবহে। বৰ্তমান চৰকাৰে নিমাতীৰ মথাউৰি মেৰামতি আৰু যোৰহাট নগৰ প্ৰটেকচনৰ কাৰণে পুঁজি অবণ্টন দিছেনে নাই?

*শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে যিহেতু এই আচনিখন ১৯৮৭ চনতে প্ৰস্তুত কৰা হৈছিল। কিন্তু ১৯৮৭ চনতে প্ৰস্তুত কৰা আচঁনিখন কেন্দ্ৰলৈ পঠোৱা বহুত পলম

* Speech not Corrected

হৈছে। যোৱা বছৰ আগষ্ট মাহতহে কেন্দ্ৰলৈ পঠোৱা হৈছে। বান নিয়ন্ত্ৰণ বিভাগে আগষ্টত পঠোৱা আচনিখন, কেন্দ্ৰীয় চৰকাৰে নবেম্বৰ মাহত উত্তৰ দিছে, 'মডেল টেষ্ট কৰাৰ কাৰণে। ১৯৯৩ চনৰ মাজ ভাগত মডেল টেষ্টৰ ৰিপোৰ্ট পোৱাৰ আশা কৰিছো।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, এই আচনি হৈ উঠোতে সময় লাগিব। যোৰহাট টাউনখন প্ৰটেকচনৰ কাৰণে, নিমাতিৰ মথাউৰি মেৰামতিৰ কাৰণে চৰকাৰৰ হাতত পুঁজি আছেনে নাই, চৰকাৰে টকা আবণ্টন কৰিছেনে নাই?

* শ্ৰী হৰেণ ভূমিজ, (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ২৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত, নিমাতী অঞ্চলত, ৬টা আচনিৰ কাম চলি আছে।

* শ্ৰী জয় নাল আবেদিন :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে এই মডেল টেষ্ট ক'ত কৰা হয়?

* শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই টেষ্ট বান নিয়ন্ত্ৰণ বিভাগতে কৰা হয়।

শ্ৰী জয় নাল আবেদিন :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে এই বান নিয়ন্ত্ৰণ বিভাগতে মডেল টেষ্ট কৰা হয়। আচলতে এই মডেল টেষ্ট কৰা হয় আচনিৰ কাম নকৰিব কাৰণহে। মন্ত্ৰী

* Speech not Corrected

মহোদয়ে উত্তৰত স্বীকাৰ কৰিছে যে ১৯৮৭ চনতে প্ৰস্তুত হোৱা প্ৰকল্প ১৯৯১ চনতহে কেন্দ্ৰলৈ পঠোৱা হৈছে। মডেল টেষ্টৰ ৰিপোৰ্ট ১৯৯২ চনতো নহয় ১৯৯৩ চনতহে প্ৰস্তুত হব। অথচ নিমাতীত খহনীয়া চলিয়েই আছে। চৰকাৰে এইটো এটা প্ৰৱঞ্চনা-মূলক পদ্ধতিহে গ্ৰহণ কৰিছে। মডেল টেষ্টৰ ৰিপোৰ্ট পাবলৈ ১, ২, ৩, বছৰ লাগে—এই সময় ছোৱাত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া বৈ নাথাকে। মডেল টেষ্টৰ নামত আজি খেলা চলি আছে। নদীৰ গতিপথ সলনি হৈ যায়। এই দৰে খেলাখেলি অসমৰ মানুহক আজি প্ৰৱঞ্চনা কৰা হৈছে। মডেল টেষ্টৰ নামত বছৰি লাখ লাখ টকা খৰচ হৈ আছে। আজি দক্ষিণ শালমৰা নদীৰ বুকুত নিঃছিন্ন হৈ গ'ল।

মাননীয় অধ্যক্ষ :— আপুনি প্ৰশ্ন কৰক।

* শ্ৰী জয়নাল আবেদিন :— অধ্যক্ষ মহোদয়, এই মডেল টেষ্টৰ নামত চলি থকা খেলা বন্ধ কৰিব লাগে। মাননীয় সদস্য গেলশ্বলমী ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে যে এই বছৰ ভাত বান নিয়ন্ত্ৰণৰ কাৰণে; গড়া খহনীয়া প্ৰতিৰোধৰ কাৰণে কি আচনি চৰকাৰৰ হাতত আছে, কিমান পূজি তাৰ কাৰণে দিছে সেই বিষয়ে স্পষ্ট ভাবে মন্ত্ৰী মহোদয়ে জনাব লাগে খহনীয়া প্ৰতিৰোধমুলক আচনি চৰকাৰে গ্ৰহণ কৰিব লাগে।

* শ্ৰী হৰেণ ভূমিজ, ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মডেল টেষ্ট এই আচনিৰ কাৰণে ১৯৯১ চনতে কৰা হৈছিল। কিন্তু নদীৰ গতিপথ সলনি হোৱাৰ কাৰণে বিভাগে পুনৰ মডেল টেষ্ট কৰিবলগীয়া

---

* Speech not Corrected

হৈছে। বান নিয়ন্ত্ৰণ বিভাগে এই ক্ষেত্ৰত কোনো গাফিলতি কৰা নাই। মাননীয় সদস্যৰ জ্ঞাতাৰ্থে মই পুনৰ জনাও যে নিমাতী অঞ্চলত বৰ্তমান ৬ খন আচনিৰ কাম চলি আছে। যদি জানিব খোজে মই আচনি কেইখনৰ নাম কৈ দিব পাৰো।

Mr. Speaker : I asked the hon'ble Members to put supplementaries directly and not debate.

* Shri Hitendra Nath Goswami :— Mr. Speaker Sir, I put specific supplementaries but Minister did not answer and your honour also did not protect me.

Mr. Speaker : As I announced earlier, I would allow only 6 supplementaries. Hon'ble Members must try to illucidate all information within those 6 supplementaries and not more than that. Now I proceed to the next question, Starred Qn. No. 167.

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ১৬৭, মাননীয় সদস্য শ্ৰী কুশল চাহু।

**বিষয় : চতিয়া সমষ্টিৰ বিদ্যালয় প্ৰাদেশীকৰণ।**

শ্ৰী কুশল চাহু য়ে সুধিছে :

* ১৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

---

* Sheeeh not Corrected

ক) চতিয়া সমষ্টিত ৮৫ খন প্ৰাথমিক বিদ্যালয়ৰ ৬০ খন অসমীয়া মাধ্যমৰ আৰু ২৫ খন বড়ো মাধ্যমৰ আৰু ১৭ খন মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰিবলৈ বাকী থকা সচাঁনে ?

খ) যদি সচা হয়, উক্ত বিদ্যালয় সমূহ চৰকাৰে প্ৰাদেশীকৰণ কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ শিক্ষামন্ত্ৰী য়ে উত্তৰ দিছে ঃ

ক) প্ৰাথমিক বিদ্যালয়বোৰ প্ৰাদেশীকৰণ কৰিবলৈ তালিকা সমষ্টি ভিত্তিত প্ৰস্তুত কৰা হোৱা নাই বাবে এই তথ্য সম্প্ৰতি বিভাগৰ হাতত নাই।

খ) প্ৰশ্ন নুঠে।

* শ্ৰী কুশল চাহু ঃ মাননীয় অধ্যক্ষ মহোদয়, চতিয়া সমষ্টিৰ ২৫ খন বড়ো মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত এখনো স্কুল প্ৰাদেশীকৰণ হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰো যে, ইয়াত কিবা ৰহস্য আছে নেকি ? আৰু যদি নাই বড়ো মাধ্যামৰ গড় হিচাবত স্কুল কেইখন প্ৰাদেশিকৰণ কৰিব নে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বড়োৰ ক্ষেত্ৰত বিশেষ ভাৱে চাম।

* শ্ৰী আলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে নীতি মতে ৩ হাজাৰ খন প্ৰাথমিক স্কুল প্ৰাদেশিকৰণ কৰিছে। কিন্তু

* Speech not Corrected

মোৰ সমষ্টিৰ ১২ খন প্ৰাথমিক বিদ্যালয় চৰকাৰে থায় পেলালে নেকি ?

* ডা: ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ নীতি মতে গোটেই খিনি যাতে দিয়া হয় তাৰ ব্যৱস্থা কৰিব।

* শ্ৰী আলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এই তিনি হাজাৰ প্ৰাথমিক স্কুল ইতিমধ্যেই প্ৰাদেশিকৰণ কৰা হৈছে নেকি যদি হোৱা নাই কি ভিত্তিত দিয়া হব ? সেই বিষয়ে কব লাগে।

* ডা: ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চিনিয়ৰিটি, নেচেচিটি গোটেই খিনি চাই চিত কৰা হব।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, কিছুমানে ১০ টাকৈ চাপ্লীমেণ্টৰী কৰিব পাৰিছে। আৰু কিছুমানৰ বাবে ছুটা চাপ্লীমেণ্টৰীতেই বন্ধ কৰা হৈছে,

Mr. Speaker : You will have to elucidate your points within the purview of six supplementaries.

* Shri Hitendra Nath Goswami : Sir Hon'ble Minister refused to answer.

* শ্ৰী সুৰেন বাৰ্গীয়ৰী : অধ্যক্ষ মহোদয়, যিবিলাক স্কুলত, যিসকল যুবকে অবৈতনিক হিচাবে কাম কৰি আছে তেওঁলোকক নিযুক্তি দিয়া হব

* Speech Not Corrected

নেকি, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। লগতে জানিব বিছাৰিছো যে আমাৰ কিছু এম, ই স্কুল প্ৰাদেশিকৰণ কৰা হৈছে। কিন্তু যিবিলাকত বড়ো আৰু অসমীয়া দুয়োটা মাধ্যমেই আছে, সেই স্কুল বিলাকত কেৱল অসমীয়া ভাগটোহে প্ৰাদেশিকৰণ কৰা হৈছে, বড়ো ভাগ টো কৰা হোৱা নাই। এইটো প্ৰাদেশিকৰন কৰিব নেকি? তাৰোপৰি চিঙ্গল টিচাৰ ডাবল কৰা ক্ষেত্ৰত কি ব্যৱস্থা লৈছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, সিদ্ধান্ত লৈছো, চিঙ্গল টীচাৰ ডাবল কৰিম। মাননীয় সদস্য গৰাকীয়ে যিটো বড়ো আৰু অসমীয়াৰ উভয় চেকচনৰ কথা কৈছে সেইটো বিবেচনা কৰি চাম।

Mr. Speaker : Last Supplementary, Mr Nazmul Haque.

* শ্ৰী নজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, শিক্ষা বিভাগে স্কুল বিলাক প্ৰাদেশিকৰণ কৰিছে, কিন্তু বৰপেটা ধুবুৰী অঞ্চলত শতকৰা ১০ ভাগ হে প্ৰাদেশিকৰণ কৰা হৈছে বাকী ৯০ ভাগেই কৰা হোৱা নাই। এই খিনি বেক লগত কৰা হব নেকি?

* ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পিছপৰা ঠাই, চিনিয়ৰিটী, মেচেচিটী পপুলেচন আদি চাই চিতিহে প্ৰাদেশিকৰণ কৰা হব।

* Speech not Corrected

* শ্ৰী জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰডাৰ আছে। আপুনি বাৰে বাৰে ৬টা কৈ চাপ্লিমেণ্টৰী কৰা কথা কৈছে কিন্তু শ্ৰী হিতেশ গোস্বামীয়ে মাত্ৰ দুটা প্ৰশ্ন কৰাৰ পাচত তেওঁক বন্ধ কৰা হল। অথচ তেওঁৰ যিটো প্ৰশ্ন আছিল তাৰ উত্তৰ তেওঁ এতিয়াও নাপালে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰুল ৩৪ মতে মাত্ৰ ৬টা প্ৰশ্ন কৰিব পাৰে এনে কথা নাই। এইটো মাননীয় অধ্যক্ষৰ নিজা ৰবীয়া আদেশ—

You have the right to amend or to allow the House to discuss for further information.

এতিয়া কথাটো হ'ল কিছুমান গুৰুত্বপূৰ্ণ বিষয় আছে য'ত ৬ টাতকৈ বেচি প্ৰশ্ন কৰিব লগীয়া হয়। প্ৰথম ৰাইটটো হৈছে প্ৰশ্নকৰ্ত্তা জনৰ তাৰ পাচত তাৰ লগত জৰিত প্ৰশ্ন আন আন সদস্যই কৰিব পাৰে। সকলো খিনি মিলি যদি ৬টা হয় তেন্তে কেতিয়াবা আচল উত্তৰ পোৱা নাযায়। তেতিয়া ৬টাতকৈ বেচি কৰিব লগা হয়। পাৰলিয়ামেণ্টত কেতিয়াবা গুৰুত্বপূৰ্ণ বিষয় এ ঘণ্টা ধৰি আলোচনা কৰা হয়। প্ৰয়োজন হলে সেই অথোৰিটি আছে। দ্বিতীয় কথা হৈছে এজন মন্ত্ৰীয়ে পৰিপূৰক প্ৰশ্নৰ চাপ্লিমেণ্টৰীৰ উত্তৰ নিদিয়াকৈ থাকিব পাৰে নেকি ?

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ মিঃ শৰ্ম্মা। মোৰ হিচাবত ৬টা প্ৰশ্নই যথেষ্ট। যদি ৬টা প্ৰশ্ন কৰাৰ পাচতো তেখেতৰ আচল উত্তৰটো উলিয়াব নোৱাৰে তেন্তে এইটো তেওঁৰ ফেইলিয়ৰ। ৰুলৰ কথা হ'ল আপুনি

* Speech not Corrected

তাহানি কৈছিল যে মোৰ ইচ্ছা অনুসৰি ৬টা কৈ প্ৰশ্ন কৰিব দিব পাৰে।

* শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৬টা প্ৰশ্ন কৰিব দিয়ে কিন্তু মূল সদস্য গৰাকীয়ে দুটা কৰোতেই বাকী সদস্য সকলে বাকী চাৰিটা কৰিলে। কিন্তু মুল সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিয়া নাই।

মাননীয় অধ্যক্ষ : তেখেঁতে চাঞ্চটো লব লাগিছিল। তেখেতে নললে বা নুঠিলে কি কৰিম ?

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং১৬৮, মাননীয় শ্ৰী পদ্মেশ্বৰ দলে।

**বিষয় : নিয়োগ নীতি উলংঘা কৰি নিযুক্তি ।**

বিধায়ক শ্ৰী পদ্মেশ্বৰ দলে।

* ১৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৰহাট জিলাৰ ডি ই ইও যোৱা ইং ৩১-১-৯২ তাৰিখে মাজুলী মহকুমাত দুজন প্ৰাৰ্থীৰ মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি দিয়া কথাটো সচানে ?

খ) যদি সচাঁ হয় তেন্তে কি ভিত্তিত নিযুক্তি দিয়া হৈছে আৰু লগতে প্ৰাৰ্থী কেইজনৰ নাম কি ?

শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) যোৰহাট জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

---

* Speech not Corrected

খ) তথ্য সমূহ পোৱাৰ লগে লগে সদনক জনোৱা হব।

* শ্ৰী পদ্মেশ্বৰ দলে : অধ্যক্ষ মহোদয়, এই প্ৰশ্ন দিয়া এমাহ হ'ল। আজিলৈকে যোৰহাটৰ পৰা নথিপত্ৰ আহি নোপোৱা কথাটো অতি দুখৰ কথা। যোৱা ৩১-১-৯২ তাৰিখে ডি ই ই ও জনে কোনো নিয়ম নীতি নোহোৱাকৈ দুজন প্ৰাৰ্থীক মাজুলীৰ ৰঙাচাই আৰু শংকৰ চাই এম, ই স্কুলত নিযুক্তি দিছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব জানিব বিছাৰিছো।

* ডাঃ ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আগতেওঁ আমি মন্ত্ৰী আছিলো কিন্তু এনে ব্যৱস্থা নাছিল। এই প্ৰশ্ন আমি মাত্ৰ যোৱা কালিহে পাইছো। গতিকে এদিনৰ ভিতৰত উত্তৰ অনাটো সম্ভৱ নহয়। নথি নোপোৱাকৈ এতিয়া কি উত্তৰ দিম? আগতে আমি সকলো নথি গোটাইহে আনিবলৈ সুবিধা সময় দুয়োটাই পাইছিলো। এতিয়া মাননীয় সদস্য গৰাকীয়ে যি কথা উঠাইছে যদি অন্যায় কৰিছে সেই বিষয়টো চাম।

(Starred Question Nos. 169 to 180 could not be taken up for disposal as the Question Hour was over. However, the written replies of the same deemed to have been laid on the table of the House).

**Re : Submission of representation. Urban Development Coop. Bank Ltd., Sibsagar.**

---

* Speech not Corrected

Shri Promode Gogoi asked :

*169. Will the Minister, Cooperation be pleased to state :

a) Whether it is a fact that the Shareholders and Depositors of the Urban Development Cooperative Bank Ltd., Sibsagar have submitted a representation to the Joint Registrar of Cooperative Society, Jorhat on 18th September, 1991 ?

b) If so, what action have been taken on the concrete allegation brought against the Managing Director of the Bank ?

Shri Nagen Neog, ( Minister, Cooperation ) replies :

a) Yes.

b) An Executive Officer was appointed by i/c Zonal Registrar of Coop : Societies, Jorhat to manage the affairs of the Bank. But his order of appointment as Exective Officer has been stayed by the Hon'ble High Court.

## বিষয়ঃ মৰা পাগলদিয়া নদীৰ মথাউৰী।

শ্ৰী পানীৰাম ৰাভায়ে সুধিছে :

*১৭০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৫-৮৬ চনত বৰমাৰ দক্ষিণে মৰাপাগলদিয়া নদীৰ মথাউৰী নিৰ্ম্মাণৰ কথাটো চৰকাৰে জানেনে ?

খ) উক্ত মথাউৰী নিৰ্ম্মানৰ বাবে ক্ষতিগ্ৰস্থ লোক সকলক তেওঁলোকৰ মাটিৰ বাবদ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হৈছে নে ?

শ্ৰী হৰেণ ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় জানে।

খ) হয়, ব্যৱস্থা কৰা হৈছে।

## বিষয় : স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয়।

শ্ৰী আছাহক আলীয়ে সুধিছে :

*১৭১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত স্বীকৃতি প্ৰাপ্ত কলা, বিজ্ঞান, আৰু বানিজ্য বিভাগৰ বেচৰকাৰী মহাবিদ্যালয়ৰ সংখ্যা কিমান ?

( পৰিসংখ্যা বেলেগে বেলেগে দিব )

খ) বৰ্ত্তমান বছৰত ইয়াৰে কিমান খন মহাবিদ্যালয়লৈ ঘাটি মঞ্জুৰী প্ৰদান কৰা হব ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ক'লা : ২৪ খন

বাণিজ্য : সম্পূৰ্ণ ৩ খন

আংশিক ৩ খন

বিজ্ঞান আংশিক ৮ খন

খ) মহাবিদ্যালয়লৈ ঘাটি মঞ্জুৰী দিয়া বিষয়টো পুঁজিৰ ওপৰতহে নিৰ্ভৰ কৰিব।

## বিষয় : ভঙা মথাউৰী পুনৰ নিৰ্মাণ।

শ্ৰী নজমুল হক, য়ে সুধিছে :

* ১৭২। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোৱালপাৰা আৰু ধুবুৰী জিলাৰ খৰমুজা ফকিৰগঞ্জ মথাউৰী বান্ধৰ শোলমাৰী, বেলডুবি, চুনাৰী, পোৱাৰ ভিঠা আৰু দক্ষিণ শালমাৰাত ভাঙি যোৱা মথাউৰীৰ অংশ সমূহত পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'বনে ?

খ) যদি হয়, কোনটো আঁচনিত কিমান টকা মঞ্জুৰী দিয়া হৈছে ?

শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) শোলমাৰী, বেলডুবি, আৰু পোৱাৰ ভিঠাত ভঙি যোৱা অংশত পচ্ছাদ বান্ধ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে ? চুনাৰীত মঠাউৰী ভঙা নাই। দক্ষিণ শালমাৰাত মঠাউৰী পুনৰ নিৰ্মাণৰ কাম বৰ্ত্তমান অৱস্থাত সম্ভৱ পৰ নহয়।

খ) প্ৰাক্কলনৰ মূল্য তলত দিয়া ধৰণৰ :

১) শোলমাৰী বান্ধ : ১·৬২ কোটি টকা।

১) বেলডুবি বান্ধ : ১·৬৬ " "

৩) পোৰাব ভিঠা বান্ধ : ২·৮৯ " "

**বিষয় : স্পিচিয়েল বডি গঠন।**

শ্ৰী ফনীভূষন চৌধুৰী যে সুধিছে :

*১৭৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কিমানখন মহাবিদ্যালয়ৰ ( জি, বি ) ভংগ কৰি ( স্পিচিয়েল বডি ) গঠন কৰিছে ?

খ) জি, বি আৰু স্পেচিয়েল বডিৰ পাৰ্থক্য কি ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) যে উত্তৰ দিছে :

ক) ৬৫ খন মহাবিদ্যালয়ক।

খ) মহাবিদ্যালয়ৰ পৰিচালনা সমিতি ( জি, বি ) শিক্ষাধিকৰ্ত্তাই গঠন কৰে আৰু বিশেষ সমিতি ( স্পেচিয়েল বডি ) চৰকাৰে গঠন কৰে। পৰিচালনা সমিতিত চৰকাৰৰ মনোনিত সদস্যৰ ওপৰিও বিশ্ববিদ্যালয় শিক্ষক, অভিভাৱক, আৰু দাতাৰ সদস্য থাকে। কিন্তু বিশেষ সমিতিত কেৱল চৰকাৰৰ মনোনিত সদস্য হে থাকে।

বিষয় ঃ প্ৰাথমিক বিদ্যালয়।

শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰ য়ে সুধিছে ঃ

*১৭৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) হাইলাকান্দি জেলায় কতটি চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে ?

খ) হাইলাকান্দি জেলায় কতটি প্ৰাথমিক বিদ্যালয় নিজ স্কুল গৃহে শিক্ষা প্ৰদান কৰা হইতেছে ?

গ) যে শিক্ষা প্ৰতিষ্ঠানেৰ নিজস্ব স্কুল গৃহ নাই, সৰকাৰ কৰ্ত্তৃ ঐ সব স্কুল গৃহ নিৰ্মানেৰ আশু কোন পৰিকল্পনা নেওয়া হয়েছে কি ?

ডাঃ ভূমিধৰ বৰ্মনে ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ⎫ ক্ষেত্ৰ বিষয়াৰ পৰা তথ্য বিচৰা হৈছে। সদনৰ পৰবৰ্ত্তি অধি-
⎬ বেশনত জনোৱা হব।
খ) ⎭

গ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

বিষয় ঃ কাছাড় চেনিকল।

শ্ৰী প্ৰনব কুমাৰ নাথ য়ে সুধিছে ঃ

*১৭৫। মাননীয় উদ্যোগ বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে কি—

ক) দীৰ্ঘদিন ধৰে বন্ধ থাকা কাছাড় চিনিকল শীঘ্ৰেই চালু কৰাৰ জন্য সৰকাৰ কি কি ব্যৱস্থা অৱলম্বন কৰেছেন ?

খ) বর্তমানে সর্বমোঠ কয়জন কর্মী আছেন তাহাদের মাসিক কত টাকা করে দেওয়া হচ্ছে ?

গ) উক্ত চিনিকলের চালু করার জন্য করিমগঞ্জ হোলসেল সমবায় সমিতি দায়িত্ব নিতে আগ্রহী, সরকার এ ব্যাপারে অবহিত আছেন কি এবং ব্যাপারে কি কার্যাকরী ব্যবস্থা নিয়েছেন ?

ঘ) চিনিকলের ঘাটতী ও ঋণের পরিমান সর্ব্বমোট কত টাকা ?

শ্রী বিজিৎ শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) কেন্দ্রীয় সরকারের কাছাড় থেকে পরিকল্পনা বহির্ভূত ১১'৮৯ কোটি টাকা সাহার্য্য পেলে কাছার চিনি কল শীঘ্রেই চালু করার সিদ্ধান্ত সরকার নিয়েছেন। এই মর্মে কেন্দ্রীয় সরকারকে অনুরোধ জানানো হয়েছে। তার উপরে কলটিকে নির্দ্ধারিত সময়ের জন্য লীজ দিয়ে লীজ গ্রহীতার দ্বারা চালু করনের সম্ভবনাও সরকার বিবেচনা করছেন।

খ) কাছার চিনি কলে বর্ত্তমান কর্মীর সংখ্যা এই রকম—

১। নিয়মিত ( Regular ) ১৪১ জন

২। অনিয়মিত ( Seasonal ) ৩০৮ জন

পরিচালন সঞ্চালকের সাধারণত নির্দ্ধারিত বিশেষ বেতন ২০০'০০ টাকা নিয়ে কর্মচারীদের মোট বেতনের পরিমান প্রতি মাসে প্রায় ১, ৭৬, ২০০'০০ টাকা।

গ) কাছাড় চিনিকল চালু করার জন্য করিমগঞ্জ হোলসেল সমবায় সমিতির প্রস্তার সরকারের বিবেচনাধীন হয়ে আছে।

ঘ) চিনিকলের ঘাটতী ও ঋণের পরিমান এইরকম—

১৯৮৭-৮৮ সাল পৰ্য্যন্ত ঘাটতীয় পৰিমান = ১৭, ৯৬, ৪৯ ৭৩৬'০০ টাকা
৩১-৩-৯০ তাৰিখ পৰ্য্যন্ত ঋণেৰ পৰিমান—

| | | |
|---|---|---|
| | ঋণ — — — | ৩১৯'০০ লাখ টাকা |
| | সূদ — — — | ৪৮৯'৬০ লাখ টাকা |
| কমিটমেণ্ট চাৰ্জ আদি | — — — | ২'৬৭ লাখ টাকা |
| | | মোট ৮১১'২৭ লাখ টাকা |

## বিষয় : A. S E. B. ক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ :

শ্ৰী গহীন চন্দ্ৰ দাস, য়ে সুধিছে :

* ১৭৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ A.S.E,B. ক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ প্ৰস্তাব চৰকাৰৰ আছেনে ?

খ) যদি আছে, কেতিয়া ইয়াক কাৰ্য্যকৰী কৰা হ'ব ?

শ্ৰী দেবানন্দ কোঁৱৰ, ( শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আৰু (খ)

অসমৰ A.S.E.B. ক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ কোনো প্ৰস্তাব চৰকাৰৰ হাতত নাই।

## বিষয় : বৈদ্যুতিকৰণ নকৰা গাওঁৰ সংখ্যা

শ্ৰী ভৰত চন্দ্ৰ নৰহ, য়ে সুধিছে :

* ১৭৭। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ঢকুৱাখানা মহকুমাত বৈদ্যুতিকৰণ নকৰা পিয়লভুক্ত আৰু অনাপিয়লভূক্ত গাওঁৰ সংখ্যা কিমান ?

খ) উক্ত গাওঁবোৰত বৈদ্যুতিকৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰী দেবানন্দ কোঁৱৰ, শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী :

ক) ১৯৭১ চনৰ পিয়ল অনুসৰি ঢকুৱাখানা থানাৰ অন্তৰ্গত ২০১ খন পিয়লভুক্ত গাওঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

অপিয়লভুক্ত গাওঁৰ সংখ্যা গনণা কৰা হোৱা নাই, ১৯৯১ চনৰ পিয়ল প্ৰতিবেদন পোৱাৰ পিচতহে এই বিষয়ে সঠিক তথ্য পোৱা যাব।

খ) গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিৰ অধিনত, পৰ্য্যায় ক্ৰমে প্ৰয়োজনীয় ধন সাপেক্ষে, উক্ত গাওঁসমূহ বৈদ্যুতিকৰণ কৰা হব।

## বিষয় : কলাজল নদীৰ বানপানী।

শ্ৰী হিতেশ্বৰ ডেকা য়ে সুধিছে :

* ১৭৮। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) কামৰূপ জিলাৰ কলাজল নদীত প্ৰতি বছৰে বানপানী হৈ থকা কথাটো চৰকাৰৰ অৱগত নে ?

খ) যদি অৱগত এই বানপানীৰ উৎস কি কি ?

গ) এই নদীৰ বানপানী নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

ঘ) ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থা সমূহে বানপানী নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে নে ?

ঙ) যদি হোৱা নাই ইয়াৰ বাবে চৰকাৰৰ কোনো নতুন পৰিকল্পনা আছে নেকি ?

শ্ৰী হৰেন ভূমিজ ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত।

খ) কলাজল নদীৰ নিজৰ অৱবাহিকাৰ পানীৰ উপৰিও শুকলা, পুঠিমাৰী আৰু বৰনদীৰ পানী একেলগে মিলি কলাজল নদীত বানপানীৰ সৃষ্টি কৰে।

গ) কলাজল নদীৰ বানপানী নিয়ন্ত্ৰনৰ বাবে কোনো ব্যৱস্থা লব পৰা হোৱা নাই।

ঘ) 'গ' প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে প্ৰশ্ন নুঠে।

ঙ) হয়, তুখন আঁচনি আছে। কিন্তু প্ৰয়োজনীয় পুঁজিৰ অভাৱৰ বাবে ৰূপায়ন কৰিব পৰা হোৱা নাই।

## RE : SCHOOLS PROVINCIALISATION UNDER T.S.P.

Shri Kamal Brahma, asked :

* 179. Will the Minister of Education be pleased to State :

a) How many M. E. Schools have been taken up for Provincialisation under T. S. P. by the Govt. after its assumption of office ?

b) The number of Bodo medium schools under the above Scheme ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ২৪৬ খন।

খ) ১০ খন।

## বিষয় : মিটাৰ ৰিদাৰ

শ্ৰী যতীন মালী, য়ে সুধিছে :

* ১৮০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিদ্যুৎ বিভাগৰ মিৰ্জাস্থ কাৰ্য্যালয় কেইটাত বৰ্ত্তমান কেইগৰাকী মিটাৰ ৰিদাৰ আছে ?

খ) মিটাৰ ৰিদাৰ সকলে গ্ৰাহকৰ ঘৰলৈকে মিটাৰ চাব নোযোৱা বুলি উঠা ৰাজহুৱা অভিযোগ সম্পৰ্কে চৰকাৰে জানেনে ?

গ) যদি জানে, অভিযোগ সম্পৰ্কে অতি সোনকালে তদন্ত কৰিবনে ?

ঘ) তাৰোপৰি কাৰ্য্যালয় কেইটাত গ্ৰাহকৰ বিল বোনোৱা ক্ষেত্ৰত যথেষ্ঠ খেলিমেলি হোৱাটো লগতে 'অভাৰলেপিঙ' হোৱা-সম্পৰ্কে ব্যৱস্থা লবনে ?

শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মিৰ্জা ৰিদ্যুৎ উপসংমণ্ডল কাৰ্য্যালয়ত বৰ্ত্তমান ৫ ( পাঁচ ) গৰাকী মিটাৰ ৰিদাৰ আছে।

খ) এই ধৰণৰ লিখিত ৰাজহুৱা অভিযোগ এতিয়ালৈকে পোৱা হোৱা নাই।

গ) তেনে কোনো ধৰণৰ ৰাজহুৱা অভিযোগ পালে অতি সোনকালে তদন্ত কৰা হব।

ঘ) গ্ৰাহকৰ বিল বনোৱাৰ ক্ষেত্ৰত ভুল বা আসোঁৱাহ উপসংমণ্ডল বিষয়াৰ জ্ঞাত হলে উপযুক্ত ব্যৱস্থা লোৱা হয়।

## Short Notice Questions & Answers

Mr. Speaker : Now Short Notice Qn. No. 3, Hon'ble Member Shri Zoii Nath Sarma.

বিষয় : সদৌ অসম ৰাজ্যিক পন্যাগাৰ নিগম কৰ্ম্মী সন্থাই মুখ্যমন্ত্ৰী মহোদয়লৈ ৩।১২।৯১ ইং তাৰিখে দিয়া স্মাৰক পত্ৰ।

শ্ৰী জয়নাথ শৰ্ম্মা, য়ে সুধিছে :

৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ৩।১২।৯১ তাৰিখে সদৌ অসম ৰাজ্যিক পন্যাগাৰ নিগম কৰ্ম্মী সন্থাই মূখ্য মন্ত্ৰী মহোদয়ক কিবা স্মাৰক পত্ৰ দিছিল নে ?

খ) উক্ত স্মাৰক পত্ৰত অসম ৰাজ্যিক পন্যাগাৰ নিগমৰ পৰিচালন সঞ্চালকৰ বিৰুদ্ধে কিছুমান গুৰুতৰ অভিযোগ আছিল নে ? যদি আছিল তেন্তে কি কি অভিযোগ আছিল ?

গ) সদ্যহতে উক্ত অভিযোগৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰী নগেন নেওগ ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, দিছিল।

খ) আছিল।

স্মাৰক পত্ৰত পৰিচালন সঞ্চালকৰ বিৰুদ্ধে দুৰ্নীতিপৰায়ণতা, স্বজন-প্ৰীতি পৰায়ণতা আৰু পক্ষপাত দুষ্টতাৰ অভিযোগ আছিল।

গ) মুখ্যমন্ত্ৰীৰ Special Vigilance Cell ৰ তদন্তাধীন হৈ আছে।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই স্মাৰক পত্ৰখন

* Speech not Corrected

মূখ্যমন্ত্ৰীৰ পৰা মুখ্যসচিবলৈ তাৰ পিচত সমবায় বিভাগৰ কমিশ্বনাৰলৈ আৰু তাৰ পিচত ডেপুটি চেক্ৰেটাৰীলৈ যোৱাৰ পিচত কাৰ্যালয়ত ব্যৱস্থা লোৱাৰ কাৰণে থকা অৱস্থাত স্মাৰক পত্ৰখন যিজন লোকৰ বিৰুদ্ধে কথা লিখি দিয়া হৈছিল সেই সঞ্চালক জনে কেনেকৈ পাব পাৰিলে ? সঁচা হওঁক মিছা হওঁক অভিযোগ নামাত অভিযোগ কিছুমান কৰা হৈছিল কিন্তু সেই অভিযুক্ত ব্যক্তিৰ হাতত কেনেকৈ কাগজ খন পৰিব পাৰিলে ? এই কথা বিলাক কেনেকৈ লীক-আউট হয় ? কোনে লীক-আউট কৰিলে ? মন্ত্ৰী ডাঙৰীয়াই ইচ্ছাকৃত ভাবে দিলে নেকি অফিচাৰজনক ? কৰ্ম্মচাৰী সন্থা এটাৰ পৰা দিয়া অভিযোগ নামা এখন এনেদৰে দিয়া হ'ল ? গোটেই প্ৰশাসনেই সোপাটিলা হৈ চলি আছে। মই আন এখন কাগজ মূখ্যমন্ত্ৰীলৈ দিছিলো আৰু মুখ্যমন্ত্ৰীয়ে চি-এচলৈ দিছিল তাৰ পৰা মই দিয়া কাগজ খন অভি-যুক্ত জনে মোক দেখুৱাইছিল ? মই এতিয়া সংগ্ৰহ কৰিছো।

( ভইচ : আপুনি ক'ৰ পৰা পালে )

মোৰ সংগ্ৰহ কৰাৰ অধিকাৰ আছে। সংগ্ৰহ কৰাৰ ব্যৱস্থা আমি জানো। এই ক্ষেত্ৰত অভিযুক্ত জনে কৰ্ম্মচাৰী সন্থা এটাৰ স্মাৰক পত্ৰখন কি দৰে পালে ?

* শ্ৰীনগেন নেওগ ( সমবায় মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, উক্ত কাগজখন মই অফিচাৰ জনক দিয়া নাই।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, কোনে দিলে সেইটো বিচাৰ কৰিব নে ?

* শ্ৰীনগেন নেওক ( সমবায় মন্ত্ৰী ) : মাননীয় অধ্যক্ষ, মই নিজে এই বিষয়ত তদন্ত কৰাৰ ব্যৱস্থা লম।

* Speeeh not Corrected

*শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰীজনা নিজেই অভিযুক্ত হৈছে। গতিকে কথাটো সঁচা হয় নে নহয় এইটো বিচাৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

*শ্ৰীনগেন নেওগ ( সমবায় মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো অসত্য। মই কৈছো।

*শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যি জন অভিযুক্ত সেই মন্ত্ৰী জনাই অসত্য বুলি কলে নহব। মই আপুনি বিচাৰ কৰাতো বিচাৰিছো। আপুনি ৰুলিং দিব নে ? আপোনাৰ পৰা ৰুলিং বিচাৰিছো।

*শ্ৰী প্ৰমোদ গগৈ : অধ্যক্ষ ডাঙৰীয়া, ইয়াৰে প্ৰশ্ন 'গ'ৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে মুখ্য মন্ত্ৰীৰ বিশেষ তদাৰকী শাখাই তদন্ত কৰি আছে। এই ৰাজ্যিক পণ্যাগাৰ নিগমৰ কৰ্ম্মচাৰী সন্থাই যি অভিযোগনামা বা স্মাৰক পত্ৰ তাৰ পৰিচালন সঞ্চালক গৰাকীৰ বিপৰীতে দিছে সেইটো তদন্ত কৰিব লাগে আৰু তদন্ত চলি থকা সময়ৰ কাৰণে সেই লোক জনক সেই পদৰ বা আঁতৰাই ৰাখিব লাগে। চৰকাৰে তেনে ব্যৱস্থা কৰিব নে ? তেতিয়াহলেহে উপযুক্ত তদন্ত আৰু বিচাৰ হোৱাৰ আশা কৰিব পাঁৰি।

*শ্ৰীনগেন নেওগ ( সমবায় মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বিষয়টো তদন্তাধীন কাৰণে তেনে ব্যৱস্থা লব পৰা নহব।

*শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, অভিযুক্ত বিষায়াগৰাকীক আঁতৰাই ৰাখিবৰ ব্যৱস্থা কৰিব লাগে। আমি অপসাৰণ কৰিবলৈ কোৱা নাই কিন্তু আঁতৰাই ৰাখিব লাগে এই বিষয়ত উত্থাপিত অভিযোগ সমূহৰ

তদন্তৰ খাতিৰত। এইটো এটা বিধিগত ব্যৱস্থা। কিন্তু চৰকাৰে সদায় অভিযুক্ত সকলক প্ৰটেকশ্বন দিবলৈ বিচাৰি আছে। আমাৰ প্ৰশ্ন বিলাকৰ উত্তৰ নাই। নলবাৰীত সিদিনা সেইটো হৈছে। আজি কোঅপাৰেশ্বনৰ কথা আহিছে আজি হৈছে এইটো। এনেকৈ প্ৰটেকশ্বন দিবলৈ বিচৰা মন্ত্ৰীসভাখন মন্ত্ৰীসভা নে মন্ত্ৰী শোভাহে আমি ধৰিব পৰা নাই।

ডাঃ অৰ্দ্ধেন্দু দে, (যোগান মন্ত্ৰী :— চাৰ, মন্ত্ৰীশোভা বুলি কৈছে।

* শ্ৰীজয়নাথ শৰ্মা : চাৰ। মন্ত্ৰীশোভা ভাল শব্দই কৈছে। এইটো আন পাৰ্লিয়ামেণ্টৰি নহয়। কিন্তু এই বিষয়টোৰ এতিয়া বিচাৰ হব নে নহয় ?

মাননীয় অধ্যক্ষ :— এইটো দাখিল কৰক মই চাম।

* শ্ৰী জয়নাথ শৰ্মা :— চাৰ, বিচাৰ হব নে নহয় ?

মাননীয় অধ্যক্ষ :— মই সকলো চাই পেলাই কৰিম।

* শ্ৰী জয়নাথ শৰ্মা :— চাৰ, আপুনি নিজৰ জিলাৰ কাৰণে চেফগাৰ্ড দিছে নেকি চাৰ ?

* শ্ৰী গোলোক ৰাজবংশী, (সংসদী পৰিক্ৰমা মন্ত্ৰী) :— চাৰ, এইটো বৰ সাংঘাটিক কথা কৈছে চাৰ। নিজৰ জিলাৰ কাৰণে চেফগাৰ্ড দিয়া বুলি কৈছে চাৰ। এইটো বৰ গুৰুত্বপূৰ্ণ।

* শ্ৰী জয়নাথ শৰ্মা : — চাৰ কথাটো গুৰুত্বপূৰ্ণ। এইটো মন্ত্ৰীৰ বিৰুদ্ধে

---

* Speech not Corrected

অভিযোগ অনা হৈছে। এইটো বিচাৰ কৰিব নে নাই জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ :— মই গোটেইখিনি কাগজ পত্ৰ চাই পেলাই ব্যৱস্থা লম।

* শ্ৰী শশকমল সন্দিকৈ :— অধ্যক্ষ মহোদয়, কথাটো হ'ল ৰাজ্যিক পণ্যাগাৰ নিগমৰ কৰ্ম্মীসন্থাই মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ দিছিল। স্মাৰক পত্ৰ খন এতিয়া বিষয়াজনে পাই কৰ্ম্মচাৰী সকলক হাৰাশাস্তি কৰিবলৈ বিচাৰিছে। সেইটো কথা চাব লাগে। যাতে বিষয়াজনে এই কাৰণতে কৰ্ম্মচাৰী সকলক হাৰাশাস্তি কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব নে সেইটো জনাব লাগে।

* শ্ৰী নগেন নেওগ :— (সমবায় মন্ত্ৰী) চাৰ, এই কাগজ খন লীক-আউট হোৱা কথাটো মই অনুসন্ধান কৰিম আৰু মাননীয় সদস্যই যিটো কৈছে সেইটো ব্যৱস্থা লবলৈ চেষ্টা কৰিম।

**বিষয় : তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী**

Mr. Speaker : Now Short Notice Qn. No. 4, Hon'ble Member Shri Zoii Nath Sarma.

শ্ৰী জয়নাথ শৰ্ম্মা য়ে সুধিছে :

৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গুৱাহাটী পাইকাৰী গ্ৰাহক সমবায় সমিতি লিমিটেডৰ সদ্যহঁতে

* Sheeeh not Corrected

সঞ্চালক মণ্ডলী তদৰ্থ ভিত্তিত কাম কৰি থকাটো সচানে?

খ) এই সঞ্চালক মণ্ডলীৰ নিৰ্দ্দেশত গ্ৰাহক সকলৰ পৰা প্ৰতি কুইণ্টেল চেনীত ১১·৯০ টকা হাৰত অতিৰিক্ত ধন আদায় কৰি আছে নেকি ?

গ) উক্ত সমবায় সমিতিৰ Development Fund যোৱা বছৰৰ আয় ব্যয়ৰ তথ্য ডাঙি ধৰিবনে ? ( ১৯৮০ চনৰ পৰা ১৯৯২ চনলৈ )

ঘ) উক্ত সমবায় সমিতিৰ উক্ত পূজিৰ যোৱা ৭ বছৰ ধৰি অদিট নোহোৱা কথাটো সচানে?

ঙ) উক্ত সমবায়ৰ সংশ্লিষ্ট Development Fund ৰ পৰা মাহে মাহে ১০,০০০/- টকাকৈ অবৈধভাৱে খৰচ হৈ থকা কথাটো সচানে ?

চ) সমবায় খনৰ সৰ্ব্বমুঠ কেইটা গুদাম আছে? উক্ত গুদাম সমুহত গুদামৰ দায়িত্ব থকা বিষয়া কেইজন একেটা পদবীতে কিমান বছৰ ধৰি কাম কৰি আছে ?

ছ) গুদামৰ ভাৰপ্ৰাপ্ত বিষয়া সকলৰ প্ৰত্যেকে হিচাপৰ খেলি মেলি কৰা কিবা অভিযোগ আছে নেকি ? প্ৰায় ১২ লাখ টকাৰ হিচাপ মিলাব নোৱাৰা কথাটো সচানে?

শ্ৰী নগেন নেওগ, ( সমবায় মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সত্য।

খ) ৩১/৫/৯০ তাৰিখৰ বৰ্ডৰ সিদ্ধান্ত আৰু সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ লগত হোৱা চুক্তি অনুসৰি প্ৰতি কুইণ্টেল চেনীত অতিৰিক্ত ১১ টকা ৯০ পইচা Transport and Administrative charge

হিচাপে লোৱা হৈছিল। প্ৰাপ্ত তথ্য অনুসৰি ২৩/৯/৯১ তাৰিখৰ পৰা এনে আদায় কৰা হোৱা নাই।

গ) যোৱা ২৫/৯/৯২ তাৰিখৰ পৰাহে Development Fund খোলা হৈছে। সমবায়ৰ বিত্তীয় বছৰ সমাপ্ত হোৱাৰ পিছত আয় ব্যয়ৰ খাটিয়ান প্ৰস্তুত কৰা হ'ব। গতিকে প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

ঙ) সত্য নহয়।

চ) সমবায় সমিতিখনৰ সৰ্বমুঠ ৫টা গুদাম আছে। নিজ নিজ গুদামৰ দায়িত্বৰত থকা বিষয়াৰ কাৰ্য্যকাল এনে ধৰনৰ

| | | |
|---|---|---|
| ১) | ফটাশিল— | ৮/১/৯০ পৰা |
| ২) | পূৰ গুৱাহাটী— | ৪/২/৯১ " |
| ৩) | মালিগাওঁ— | ২৪/১/৯১ " |
| ৪) | উলুবাৰী — | জুন ১৯৮৯ " |
| ৫) | Textile Godown— | ৩/৪/৯০ " |

ছ) সত্য নহয়।

* শ্ৰী জয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, ক) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে সত্য বুলি স্বীকাৰ কৰিছে। এতিয়া মোৰ প্ৰশ্ন হৈছে তদৰ্থ কমিটিক কিমান দিনৰ বাবে ৰাখিছে আৰু তেওঁলোকক তদৰ্থ কৰি কিয় ৰখা হ'ল নিৰ্ব্বাচন কিয় পতা হোৱা নাই ?

* শ্ৰী নগেন নেওগ ( সমবায় মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই কমিটিয়ে কিছুমান সমস্যা সমাধানৰ ক্ষেত্ৰত ব্যস্ত থাকিব লগীয়া হোৱাত

---

* Speech not Corrected

নিৰ্ব্বাচন পাতিব পৰা নাই সেয়ে তেওঁলোকক এঢক কৰি ৰখা হৈছে। যিমান দিনলৈ এনুৱেল জেনেৰেল মিটিং পাতিব পৰা নাযাব তেতিয়ালৈকে এঢক কৰি ৰখা হব।

* শ্ৰী জয়নাথ শৰ্ম্মা :— চাৰ, এঢক কমিটি কিমান দিনলৈ ৰখা হৈছে আৰু নিৰ্ব্বাচন কেতিয়া হব ?

* শ্ৰী নগেন নেওগ ( সমবায় মন্ত্ৰী ) :— চাৰ, পুনৰ নিৰ্ব্বাচন নহোৱা পৰ্য্যন্ত এঢক কমিটি থাকিব।

* শ্ৰী জয়নাথ শৰ্ম্মা :— চাৰ, নোটিফিকেচনত সময় ৰখা হৈছে মন্ত্ৰী মহোদয়ে জানে নে ?

* শ্ৰী নগেন নেওগ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ৬০ দিনৰ উল্লেখ কৰা হৈছে সাধাৰণতে ৬০ দিনৰ ভিতৰত নিৰ্ব্বাচন পাতিব লাগে। আমাৰ সমবায় মাহ শেষ হব ৩১ মাৰ্চত তাৰ পিছত যাবতীয় ব্যৱস্থা লোৱা হব।

* শ্ৰী জয়নাথ শৰ্ম্মা :— চাৰ, নোটিফিকেচনত কিমান দিনৰ সময় দিছিল, সেইটো আমাক জনাওঁক। অধ্যক্ষ মহোদয়, এতিয়া নোৱাৰিলেও পিছত দিলে হব।

* শ্ৰী নগেন নেওঁগ ( মন্ত্ৰী ) : চাৰ, অনুসন্ধান কৰি জনোৱা হব।

* শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, গ) প্ৰশ্নৰ উত্তৰত প্ৰতি কুইণ্টল চেনীত ১১.৯০ পইছা ডেভেলপমেণ্ট ফাণ্ডত লোৱা হৈছে বুলি

* Speech Not Corrected

স্বীকাৰ কৰিছে এতিয়া লোৱা নাই বুলি কৈছে। মন্ত্ৰী মহোদয়ে অসত্য তথ্য সদনত দাঙি ধৰিছে। মোৰ হাতত বহুত ৰছিদ আছে। গতিকে মন্ত্ৰী মহোদয়ে যদি সদনত ভুল তথ্য দাঙি ধৰে তেতিয়া হলে তেওঁৰ কি হব? ২৬-৯-৯১ তাৰিখে ১১১৯ টকা লৈছে তাৰ পিছত ৯৫ টকা তাৰ পিছত ২৩ টকা তাৰ পিছত ২২১.৯০ পইছা আৰু ৫৯.৫০। এই বিলাকৰ মোৰ হাতত ৰছিদ আছে। নতুন এটক কমিটিয়েও এই দেভেলপমেণ্ট ফাণ্ডৰ কাৰণে টকা লৈছে। মই যিটো অবৈধ খৰছৰ কথা কৈছো মাহতে ১০ হাজাৰ টকাকৈ হেনো দিশপুৰক দিব লাগে, যাৰ কাৰণে গ্ৰাহকে '৯০ পইছা বেছিকৈ ভৰিবলগীয়া হৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে লোৱা নাই কিন্তু এই বিলাক ৰছিদ আপোনালোকক দেখালো। মন্ত্ৰী মহোদয়ে যিহেতু অসত্য কথা কৈছে তেওঁ পদত্যাগ কৰিব নে?

* শ্ৰী জগন্নাথ সিংহ : Sir, not necessarily if the replies are sent by the officers.

* শ্ৰী চন্দন সৰকাৰ : চাৰ, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই ১০ হাজাৰ টকা দিশপুৰক দিয়া বুলি কৈছে, কাক দিলে ৰাষ্টাত দিলে নে কাৰোবাৰ ঘৰত দিলে সেইটো কৈ দিয়ক?

* শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, প্ৰতি কুইণ্টলত ১১.৯০ পইছাকৈ লৈছে, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে দেভেলপমেণ্ট ফাণ্ডৰ কাৰণে মোৰ হাতত তথ্য আছে। তেখেতে যে অসত্য তথ্য সদনত দাঙি ধৰিলে এতিয়া কি হব? মই মন্ত্ৰী মহোদয়ৰ উত্তৰ বিচৰা নাই আপোনাৰ পৰা ৰুলিং বিছাৰিছো।

---

• Speech not Corrected

* শ্ৰী নগেন নেওঁগ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ, মাননীয় সদস্য শ্ৰী শৰ্ম্মা ডাঙৰীয়াই যিটো দেভেলপমেণ্ট ফাণ্ডৰ কথা কৈছে মই আগতে কৈছো যে সেইটো ২৫-৯-৯১ তাৰিখৰ পৰা খোলা হৈছে ৩১-৫-৯১ তাৰিখৰ বোৰ্ডৰ সিদ্ধান্ত অনুসৰি। আমাৰ সমবায় বছৰ শেষ হয় ৩১ মাৰ্চত গতিকে ৩১ মাৰ্চৰ পাচতহে আয় ব্যয়ৰ হিচাৱ দাঙি ধৰিব পৰা যাব কাৰণ হিচাৱ নিকাচৰ কথা আছে। এটক বডিৰ টাৰ্ম ৯০ দিনৰ কাৰণে আছিল।

* শ্ৰী জয়নাথ শৰ্ম্মা : চাৰ, যদি ৯০ দিনৰ পিছত এক্সটেণ্ড কৰিছে ?

* শ্ৰী নগেন নেওঁগ ( মন্ত্ৰী ) : চাৰ, এক্সটেণ্ড কৰা হৈছে।

* শ্ৰী জয়নাথ শৰ্ম্মা : এই সিদ্ধান্ত বিলাক টাৰ্ম শেষ হোৱা আৰু এক্সটেনচন নহোৱা।

* শ্ৰী নগেন নেওঁগ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ হাতত থকা তথ্য অনুসৰি ১৯৯০ চনৰ বোৰ্ডৰ সিদ্ধান্ত মতেই এই ১১'৯০ পইছাকৈ লোৱা হৈছিল এটক বোৰ্ড হোৱাৰ পাছত বোধকৰো লোৱা নাই। তেওঁলোকে বন্ধ কৰিছে নেকি ?

* শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ চিৰিয়াচ কথা। এতিয়া সমবায়ে নিজৰ কাৰণে ডেভলপমেণ্টৰ ফাণ্ড খোলা হৈছে। প্ৰত্যেক মাহতে ১০ হেজাৰকৈ টকা লৈ আছে ইয়াৰ অভিযোগ আহিছে। তেওঁলোকে মাছ বুলি যোৱা নাই জিজি বুলি খাইছে।

* Speech not Corrected

* শ্ৰীনগেন নেওগ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মই অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো জানিব বিচাৰিছো যে ভুল তথ্য এই সদনত দিলে ইয়াৰ পৰিনতি কি হব পাৰে ?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট জিলাৰ কাৰণে এইটো খোলা নেকি যে অধ্যক্ষই ৰুলিং দিয়া নাই।

* Shri Mukut Sarma, ( Minister ) : It is an aspersion on the Hon'ble Speaker.

* Speeeh not Corrected

## Unstarred Questions & Answers

### বিষয়: প্ৰাপ্ত বয়স্ক শিক্ষা প্ৰৱৰ্ত্তন।

শ্ৰী জিউৰাম বড়ো য়ে সুধিছে:

২০৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) অসমত প্ৰাপ্ত বয়স্কৰ শিক্ষানুষ্ঠান আৰু প্ৰাক প্ৰাথমিক শিক্ষা কেতিয়াৰ পৰা প্ৰৱৰ্ত্তন কৰা হৈছে?

খ) উক্ত প্ৰাপ্ত বয়স্ক শিক্ষানুষ্ঠান কিমান খনক আৰু প্ৰাক-প্ৰাথমিক বিদ্যালয় কিমানখনক চৰকাৰী কৰণ কৰা হৈছে?

গ) অনুষ্ঠান দুটিৰ শিক্ষক শিক্ষয়ত্ৰী সকলৰ কিমান জনক মাহে কিমান হাৰত দৰমহা দিয়া হয়?

ঘ) উক্ত অনুষ্ঠানত যি সকল শিক্ষক শিক্ষয়ত্ৰী অবৈতনিক ভাবে শিক্ষা-দান কৰি আছে তেখেত সকলক নিয়োগ কৰিবনে?

ডাঃ ভুমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) ২ অক্টোবৰ, ১৯৭৮ চনত ৰাষ্ট্ৰীয় প্ৰাপ্ত বয়স্ক শিক্ষা আচনিখন আৰু ১৯৭৩-৭৪ চনৰ পৰা প্ৰাক-প্ৰাথমিক শ্ৰেণী প্ৰবৰ্ত্তন কৰা হৈছে।

খ) প্ৰাপ্ত বয়স্ক শিক্ষাৰ কাৰণে স্থায়ী অনুষ্ঠান নাই। প্ৰতিটো পৰ্য্যায়ত ১০ মাহৰ কাৰণে কিছুমান ৰাজহুৱা অনুস্থান যেনে স্কুলঘৰ, নামঘৰ ইত্যাদি ধৰণৰ অনুষ্ঠানত একোটা কেন্দ্ৰ খোলা হয় আৰু প্ৰাপ্ত বয়স্ক লোকক শিক্ষা দান দিয়া হয়। ১০ মাহ পিছত পৰ্য্যায় সমাপ্তিৰ লগে লগে কেন্দ্ৰটো উঠি যায়। গতিকে প্ৰাপ্ত বয়স্ক শিক্ষাৰ কেন্দ্ৰ সমূহ চৰকাৰী কৰণৰ প্ৰশ্ন নাহে। ৪৩৯ খন প্ৰাথমিক বিদ্যালয়ত প্ৰাক প্ৰাথমিক শ্ৰেণী চলি আছে।

গ) প্ৰাপ্ত বয়স্ক শিক্ষাৰ প্ৰতিটো কেন্দ্ৰৰ কাৰণে একোজনকৈ নিৰ্দ্দেশক/ নিৰ্দ্দেশিকাক এটা পৰ্যায়ত ১০ মাহৰ বাবে নিয়োগ কৰি মাহে ১০০ টকাকৈ পাৰিতোষিক দিয়া হয়।

প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক/শিক্ষয়ত্ৰী সকলে মাহে ১১৮৫/২৩৯ বেতন ক্ৰমত দৰমহা পায়।

ঘ) প্ৰাপ্ত বয়স্ক শিক্ষা কেন্দ্ৰৰ নিৰ্দ্দেশক/নিৰ্দ্দেশিকাৰ সেৱা সামাজিক সেৱা হিচাবে গণ্য কৰা হয়, সেয়ে উক্ত কেন্দ্ৰত নিয়োজিত নিৰ্দ্দেশক/ নিৰ্দ্দেশিকা সকলক স্থায়ীভাবে নিয়োগ কৰাৰ ব্যৱস্থা নাই। অৱশ্যে উপযুক্ত অৰ্হতা সম্পন্ন এনে ক্ষেত্ৰ কৰ্ম্মীয়ে এই বিভাগৰ অন্য পদত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব পাৰে। নতুনকৈ প্ৰাক-প্ৰাথমিক শ্ৰেণী বা বিদ্যালয় খুলিবলৈ চৰকাৰে কাকোঁ অনুমতি দিয়া নাই। গতিকে অবৈতনিক শিক্ষকক নিয়োগ কৰাৰ প্ৰশ্ন নুঠে।

**বিষয় : গাওঁলৈ বিজুলী শক্তি যোগান।**

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, য়ে সুধিছে :

২৬০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত কিমানখন গাওঁলৈ বিজুলী শক্তি যোগান ধৰা হ'ল ?

খ) বিজুলীশক্তি যোগান ধৰিব নোৱাৰাকৈ থকা গাওঁৰ সংখ্যা কিমান আৰু উক্ত গাওঁসমূহলৈ কিমান চনৰ ভিতৰত বিজুলী শক্তি যোগান ধৰিব পৰা হ'ব ?

গ) চৰকাৰৰ এই সম্পৰ্কত কিবা পৰিকল্পনা আছে নে যে গাওঁৰ কৃষক ৰাইজে বিজুলী শক্তি কৃষিৰ কামত ( জলসিঞ্চন ) লগাব পাৰিব ?

শ্ৰী দেবানন্দ কোঁৱৰ, ( শক্তি বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসমত ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ২১,৩৯০ খন গাওঁলৈ বিজুলী শক্তি যোগান ধৰা হয়। ইয়াৰে ১৯৬৪২ খন পিয়লভুক্ত গাওঁ ( ১৯৭১ চনৰ পিয়ল মতে )

খ) পিয়লভুক্ত বাকী গাওঁত অষ্টম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময় ছোৱাত বিজুলী শক্তি যোগান দিবলৈ চেষ্টা কৰা হ'ব।

গ) কৃষিৰ কামত ( জলসিঞ্চন ) বিজুলী শক্তি ব্যৱহাৰ কৰাৰ উদ্দেশ্যে পাম্পচেটত বিজুলী যোগান ধৰাৰ আচঁনি হাতত লোৱা হৈছে।

**Re : Graduate scale to the Science Graduate teacher.**

Shri Mission Ranjan Das, asked :

207. Will the Minister of Education be pleased to state :

a) Will the Govt. grant graduate scale of pay to the Science Graduate Teachers presently serving in the under-graduate posts in High/Higher Secondary & High Madrassa Schools ?

b) If so, when ?

c) If not, why ?

Dr. Bhumidhar Barman, ( Minister. Education ) replied :

a) No decision has yet been taken

b) Does not arise.

e) Does not arise.

বিষয় : কুটিৰ শিল্প ।

শ্ৰী নিজামুদ্দিন খান, য়ে সুধিছে :

১০৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ জুন মাহৰ পৰা বৰ্ত্তমানলৈ হস্ত শিল্প, বাঁহ-বেতৰ কাম আৰু অন্যান্য কুটিৰ শিল্প বিকাশত চৰকাৰে কিমান টকা খৰছ কৰা হৈছে ?

খ) এই টকা কোন শিল্পত কিমান খৰছ কৰিছে তাৰ তালিকা দিবনে ?

গ) সৰ্থেবাৰীত থকা হস্তশিল্প কাহ-পিতলৰ শিল্প বিকাশৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা হৈছে নে ?

ঘ) যদি লোৱা নাই অতি সোনকালে ইয়াৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯১ চনৰ জুন মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈ উদ্যোগ বিভাগৰ মুঠ ১০ লাখ টকা খৰচ কৰা হৈছে ।

খ) বিতং তথ্য এতিয়া দিব পৰা নাযায় তথ্য সমূহ সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে ।

গ) সাৰ্থেবাৰীত "উমৈহতীয়া সেৱা কেন্দ্ৰ "( Common Service Facility Centre ) স্থাপন কৰি" নন ফেৰাচ ৰোলিংমিলৰ" যন্ত্ৰপাতি সংস্থাপন কৰিছে। এই ৰোলিং মিলৰ জৰিয়তে ভঙা-চিঙা কাঁহৰ টুকুৰাৰ পৰা "চিত" ( Sheet ) বনোৱা হয়। কেঁচা সামগ্ৰী যোগান ধৰি শিল্পী সকলক সহায় কৰিলৈকো ব্যৱস্থা লোৱা হৈছে।

ঘ) প্ৰশ্ন নুঠে ।

**Re : Target for provincialisation of schools.**

**Shri Babu Rongpi, asked.**

209. Will the Minister of Education be pleased to state :

a) The target for provincialisation of Higher Secondary Schools, High Schools and M. E. Schools in Karbi Anglong 1991-92 ?

b) Whether the target has been fully met and if not why ?

Dr. Bhumidhar Barman ( Education Minister ) replied.

a) No such target has been fixed by the Department.

b) Does not arise.

**বিষয় : কলেজ চৰকাৰী কৰণ।**

শ্ৰী চন্দন কুমাৰ চৰকাৰ য়ে সুধিছে :

২১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) বঙ্গাইগাওঁ আৰু অভয়াপুৰী কলেজ দুখন চৰকাৰে পূৰ্ণ পৰ্য্যায়ত চৰকাৰী কৰন কৰিব নেকি ?

খ) যদি কৰে কেতিয়া কৰা হব ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কোনো ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় পূৰ্ণ পৰ্য্যায়ত চৰকাৰীকৰণ কৰাৰ প্ৰস্তাৱ বৰ্ত্তমানলৈ নাই।

খ) প্ৰশ্ন নুঠে।

**Re : Schemes to Educate to Tribal youths.**

Shri Derhagra Moshahari, asked :

211. Will the Minister, Education be pleased to state :

a) Whether Govt. have any scheme to educate the uneducated Tribal Youths of Assam ?

ডা: ভুমিধৰ বৰ্মন ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

সম্প্ৰতি এই আচনি বিভাগৰ হাতত নাই ।

**Re : Natural Gas in Bank Valley.**

Sri Kali Ranjan Deb. M.L.A·

212, Will the Minister of Power be please to state :

a) Whether the Govt. is aware of the availability of Natural Gas in Barak Valley for commercial Exploitation ?

b) If, so, whether the state Govt. contemplates to take up with the Central Covt. for establishment of Gas based Industry and Power generation Unit in Cachar District ?

Shri Debananda Konwar, ( Minister of Power ) replied :

(a) & (b) The Govt. is aware of the availability of Natural Gas in Barak Valley and has requested

the Central Govt, to indicate the quantity of gas that will be available on a firm basis for enabling establishment of gas based Power Project.

বিষয় :— টেক্সটাইল স্থাপন।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা য়ে সুধিছে :

২১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯২০ চনত গুৱাহাটীত বৃটিছৰ দিনতে টেক্সটাইল প্ৰতিস্থান এটা স্থাপন হোৱাটো সচাঁনে আৰু ইয়াত মাত্ৰ ২০ খন আসন থকা সচাঁনে ?

খ) এই সংখ্যা কেতিয়া বৃদ্ধি কৰা হ'ল আৰু কিমান খন কৰা হ'ল।

গ) উক্ত প্ৰতিস্থানৰ পৰা অধ্যয়ন সমাপ্ত কৰা সকলৰ কাৰণে সংস্থাপনৰ ব্যৱস্থা হৈছে নে ?

ঘ) টেক্সটাইল চাৰ্টিফিকেট কোৰ্চ কেতিয়াৰ পৰা আৰম্ভ হয় আৰু কোন কোন প্ৰতিস্থানত হয় আৰু আসনৰ সংখ্যা কিমান ?

ডা: ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচাঁ। ১৯২০ চনতে "চৰকাৰী বয়ন প্ৰতিস্থান" নামেৰে ১৫ খন আসনেৰে আৰম্ভ কৰা হৈছিল।

খ) আসনৰ সংখ্যা ১৯৫৬ চনত ৩০ খনলৈ আৰু ১৯৭৬ চনত ৩৫ খনলৈ বৃদ্ধি কৰা হয়।

গ) অধ্যয়ন সমাপ্ত কৰা সকলৰ সৰহভাগৰে চৰকাৰী অৰ্দ্ধ চৰকাৰী

আৰু ব্যক্তিগত প্ৰতিস্থান আদিতে সংস্থাপন হৈছে। তাৰোপৰি অসমৰ বাহিৰত বহুতে চাকৰি কৰি আছে।

ঘ) ১৯২০ চনৰ পৰাই গুৱাহাটীতে থকা অসম টেক্সটাইল প্ৰতিস্থানত চাৰ্টিফিকেট কোৰ্চ চলি আছে। তদুপৰি নতুনকৈ হোৱা গোলাঘাট ছোৱালী পলিটেক্নিকত ১৯৮৭ চনৰ পৰা আৰু গোৱাল পাৰাত থকা "জুনিয়ৰ টেক্নিকেল স্কুল"ত ১৯৮৮ চনৰ পৰা টেক্সটাইল টেক্ন'লেজচ ২ বছৰীয়া চাৰ্টিফিকেট কোৰ্চ আৰম্ভ কৰা হৈছে।

উক্ত প্ৰতিস্থান কেইখনত বৰ্ত্তমানে থকা আসনৰ সংখ্যা এনে ধৰনৰ ;

১) অসম টেক্সটাইল ইনষ্টিটিউট— ৪০ খন।
২) গোলাঘাট ছোৱালী পলিটেক্নিক— ২০ ,,
৩) জুনিয়ৰ টেক্নিকেল স্কুল,
গোৱালপাৰা— ২৫ ,,

মুঠ আসন=৮৫ খন

**বিষয় : ক্ষুদ্ৰ উদ্যোগ স্থাপন।**

শ্ৰী নগেন শৰ্ম্মা, য়ে সুধিছে :

২১৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ জুন মাহৰ পৰা ১৯৯২ চনৰ মাৰ্চ মাহলৈ অসমত কিমানটা ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হৈছে ?

খ) স্থাপন কৰা ক্ষুদ্ৰ উদ্যোগৰ তালিকা খন সদনৰ মেজত দাখিল কৰিবনে ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) জিলা সমূহৰ পৰা এতিয়ালৈকে পোৱা তথ্য অনুযায়ী মুঠ ১৭৩২টা ক্ষুদ্ৰ উদ্যোগ অসমত স্থাপন কৰা হৈছে। কিন্তু লক্ষীমপুৰ, কোকৰাঝাৰ আৰু কাৰ্বিআংলং জিলাৰ সম্পুৰ্ণ তথ্য এতিয়াও পোৱা নাই।

খ) সম্পূৰ্ণ তালিকা খন সদনত এতিয়া পেচ কৰিব পৰা নহব।

**বিষয় : শিক্ষা ব্যৱস্থাই নিবনুৱা ব্যৱস্থাৰ মুল কাৰণ।**

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা য়ে সুধিছে :

২১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান শিক্ষা ব্যৱস্থাই নিবনুৱা সমস্যাৰ এটা মূল কাৰণ বুলি চৰকাৰে ভাবে নেকি ?

খ) যদি ভাৱে, ইয়াৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

গ) যদি ব্যৱস্থা গ্ৰহণ কৰা হৈছে কি কি ব্যৱস্থা কৰা হৈছে।

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অকল বৰ্ত্তমান শিক্ষা ব্যৱস্থাই নিবনুৱা সমস্যাৰ মূল কাৰণ বুলি কব নোৱাৰি।

খ) } বৃত্তি মূলক ( Vocational ) শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
গ) }

## বিষয় : স্থায়ী বান প্ৰতিৰোধ।

শ্ৰী বুবুল দাস য়ে সুধিছে :

২১৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান চৰকাৰৰ হাতত মৰিগাও জিলাত ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়া আৰু স্থায়ী বান প্ৰতিৰোধৰ কিবা আঁচনি আছে নে ?

খ) এই জিলাক ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ কবলত পৰা পৰিয়াল সমূহৰ বাবে পুনৰ সংস্থাপনৰ আঁচনি গ্ৰহন কৰিছেনে ?

শ্ৰী হৰেন ভূমিজ (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমান মৰিগাওঁ জিলাত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া প্ৰতিৰোধৰ এখন অঁাচনি আছে। কিন্তু স্থায়ী বান প্ৰতিৰোধৰ কোনো অঁাচনি চৰকাৰৰ হাতত নাই।

খ) এই বিভাগৰ এনে কোনো আঁচনি।

## বিষয় : ঠালকুছি প্ৰজেক্ট।

শ্ৰী পানীৰাম ৰাভা য়ে সুধিছে :

২১৭। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নলবাৰী জিলাৰ পাগলাদিয়া নদীৰ ঠালকুছি প্ৰজেক্টৰ বিষয়ে চৰকাৰৰ হাতত কিবা আচনি আছে নেকি ?

খ) যদি আছে, কেতিয়ালৈ কাম আৰম্ভ কৰিব ?

গ) উক্ত আঁচনিত কাৰ্য্যকৰী কৰাৰ বাবত ক্ষতিগ্ৰস্ত হোৱা ২৬ খন গাওঁৰ পৰিয়াল বোৰক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী হৰেন ভূমিজ ( বান নিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ঠালকুছি নামৰ কোনো প্ৰজেক্ট নাই, কিন্তু পাগলাদিয়া ডেমপ্ৰজেক্ট নামৰ সেই অঞ্চলতে এখন আঁচনি আছে।

খ) ব্ৰহ্মপুত্ৰ বোৰ্ডে আঁচনি খনৰ যাৱতীয় পৰীক্ষা-নিৰীক্ষা চলাই আছে আৰু সেয়ে এই বিষয়ে এতিয়াই সঠিককৈ ক'ব পৰা নহব।

গ) হয়, পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হব।

**বিষয় : সুলভ মূল্যৰ দোকান।**

শ্ৰী নিজামুদ্দিন খান, য়ে সুধিছে :

২১৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত কিমান সমবায় সমিতি আছে :

খ) সুলভ মূল্যৰ দোকানৰ যোগান ধৰা সামগ্ৰী জনসংখ্যা ভিত্তিত দিয়া হয় নে ?

গ) সমবায় সমূহৰ পৰিচালনা সমিতিসমূহ নিৰ্ব্বাচনৰ মাধ্যমত গঠন কৰা হ'বনে ?

শ্ৰী নগেন নেওগ, ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৭।৯০ খন।

খ) হয়।

গ) সমবায় সমিতি সমূহৰ পৰিচালনা কমিটিবোৰ সমবায় সমিতিৰ বছেৰেকীয়া সাধাৰণ সভাৱ জৰিয়তে নিৰ্ব্বাচন অনুষ্ঠিত কৰি গঠন কৰা হব।

**Re : Letter No. F. 5/26-90 SKT. 2 of Human Resource Development.**

Shri Mission Ranjan Das, asked :

219. Will the Minister of Education be pleased to state :

a) Whether the Government has received any letter No. F. 5/26-90 Skt-2 dtd. 22nd August, 1991 from Ministry of Human Resource Development regarding financial Assistance to eminent Sanskrit Pandits ?

b) If so whether Tarakeswar Bhattacharjee one of the four Pandits selected in Assam has been granted such Central grant-in-aids ?

c) If not, why ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) চৰকাৰে পাইছে ।

খ) হয় ।

গ) প্ৰশ্ন নুঠে ।

বিষয় : শিৱসাগৰৰ পুথিভৰাঁল ।

শ্ৰী অঞ্জন দত্তই সুধিছে :

২২০। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শিৱসাগৰীয়া ৰাইজৰ এক বহুদিনীয়া অভাৱ উন্নভ মানদণ্ডৰ এক নতুন পুথিভৰাঁল ও প্ৰেক্ষাগৃহ শিৱসাগৰত নিৰ্মানৰ আঁচনি

চৰকাৰৰ হাতত আছে নেকি ?

ডা: ভূমিধৰ বৰ্মন ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

শিৱসাগৰত এটা উন্নত মানদণ্ডৰ নতুন পুথিভৰ্াল ভৱন আৰু প্ৰেক্ষাগৃহ নিৰ্ম্মানৰ আঁচনি চৰকাৰৰ হাতত আছে ।

**বিষয় : প্ৰাথমিক বিদ্যালয়ৰ ঘৰ মেৰামতি ।**

শ্ৰী লিয়াকত আলী খান য়ে সুধিছে :

২২১। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

প্ৰাথমিক বিদ্যালয় সমূহৰ ঘৰ মেৰামতিৰ বাবদ বিত্তীয় বছৰত কিমান টকা খৰছ কৰা হৈছে ?

( জিলা ভিত্তিত স্কুলৰ সংখ্যা আৰু টকাৰ পৰিমান দাখিল কৰিব )

শ্ৰী শৰৎ বৰকটকী ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

সম্প্ৰতি দুই লাখ পয়ষষ্ঠি হাজাৰ টকাৰ মঞ্জুৰীহে দিয়া হৈছে ।

( জিলা ভিত্তিত স্কুলৰ সংখ্যা আৰু টকাৰ পৰিমান সংলগ্ন কৰা হৈছে )

( See the Annexure—II )

**বিষয় : বিদ্যালয়ৰ চৰকাৰী কৰণৰ ভিত্তি ।**

শ্ৰী লিয়াকত আলী খান য়ে সুধিছে :

২২২। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বেচৰকাৰী প্ৰাথমিক বিদ্যালয় কিমান খন চৰকাৰী কৰণ কৰা হ'ল ?

খ) চৰকাৰীকৰণৰ ক্ষেত্ৰত ভিত্তি বছৰ কোন চনলৈ ধৰা হৈছে ?

ডা: ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১২০২ খন প্ৰাদেশীকৰণ কৰা হৈছে।

খ) প্ৰাদেশীকৰণৰ ক্ষেত্ৰত তেনে ভিত্তি বছৰ ধৰা হোৱা নাই।

## বিষয় : বিদ্যালয়লৈ আৰ্থিক অনুদান।

শ্ৰী কুশল চাহু য়ে সুধিছে :

২২৩। মাননীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পাচত অসমৰ উচ্চ বিদ্যালয় সমূহক কোন কোন শিতানত আৰ্থিক অনুদান বা মঞ্জুৰী দিছে। (সমষ্টি ভিত্তিত তাৰ এটা তালিকা চৰকাৰে সদনত দিবনে) ?

খ) সমষ্টি ভিত্তিত, আৰ্থিক মঞ্জুৰী বা অনুদান উচ্চ বিদ্যালয় সমূহত দিয়াৰ কোনো নীতি বা নিয়ম চৰকাৰৰ আছেনে ?

গ) জনজাতী অধ্যুসীত অঞ্চলৰ বা সীমান্তবৰ্ত্তি অঞ্চলৰ উচ্চ বিদ্যালয় সমূহক আৰ্থিক অনুদান বা মঞ্জুৰী অগ্ৰাধিকাৰ দিয়াৰ কিবা নিয়ম চৰকাৰৰ আছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) মুঠ ২১ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক গৃহ মেৰামতিৰ বাবে আৰ্থিক অনুদান দিয়া হৈছে। (জিলাৰ নাম সহ বিদ্যালয়ৰ তালিকা সংলগ্ন কৰা হৈছে। সমষ্টি ভিত্তিত এনে অনুদান দিয়া নহয়)।

(See the Annexure III)

খ) নাই।

গ) অনুসূচীত জনজাতীৰ শিতানত নিৰ্দ্ধাৰিত অনুদান থাকে। বৰ্ডাৰৰ বাবে শিক্ষা বাজেটত ধাৰ্য্য কৰা পুজি নাই।

**বিষয় : ভৰলী নদীৰ গৰাখহনীয়া ৰোধ।**

শ্ৰী কুশল চাহু য়ে সুধিছে :

২২৪। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ভৰলী নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নে ?

খ) তৰা জান, দথলাগড় আৰু চিলাবন্ধা অঞ্চলটোত হোৱা গৰাখহনীয়া অঞ্চল বিভাগীয় মন্ত্ৰী মহোদয়ে পৰিদৰ্শন কৰিছিল নে ?

গ) যদি কৰিছিল তেন্তে গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে বান্ধ বা কিবা স্থায়ী ব্যৱস্থা কৰিছিল নে ?

শ্ৰী হৰেন ভূমিজ ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় কৰিছে

খ) হয়। কৰিছিল।

গ) হয় ইতিমধ্যে তুখন গড়াখহনীয়া প্ৰতিৰোধ আঁচনিৰ কাম চলি আছে।

**বিষয় : বৰদিকৰাই নদীৰ গৰাখহনীয়া।**

শ্ৰী কুশল চাহু য়ে সুধিছে :

২২৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) হলং বৰদিকৰাই অঞ্চলত বৰদিকৰাই নদীয়ে যোৱা ৫ বছৰ ধৰি কৰি থকা গড়াখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) যদি অৱগত, ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নে?

গ) যদি লোৱা নাই, কেতিয়া লব ?

শ্ৰী হৰেণ ভূমিজ ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত।

খ) খহনীয়া প্ৰতিৰোধৰ অস্থায়ী ব্যৱস্থা যোৱা বাৰিষা কালত লোৱা হৈছিল। কিন্তু স্থায়ী ব্যৱস্থা লব পৰা নাই।

গ) কাৰিকৰী কমিটিৰ অনুমোদন সাপেক্ষে প্ৰয়োজনীয় পুঁজিৰ যোগান হলে ব্যৱস্থা লোৱাৰ আশা কৰিব পাৰি।

## বিষয় : ৫ জনীয়া কমিটি।

শ্ৰী নজমুল হক য়ে সুধিছে :

২২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অসমৰ বিভিন্ন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ আগৰ পৰিচালনা কমিটিবোৰ বাতিল কৰি ৫ জনীয়া অস্থায়ী কমিটিবোৰ কি নীতিৰ ভিত্তিত গঠণ কৰি দিয়া হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

চৰকাৰৰ ইং ২-৯-৯১ তাৰিখৰ নিৰ্দেশক্ৰমে উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুল সমূহৰ পৰিচালনা কমিটি সমূহ ভঙ্গ কৰি এজন সভাপতি, প্ৰধান শিক্ষক/অধ্যক্ষক সম্পাদক আৰু স্কুল সমূহৰ

পৰিদৰ্শকৰ দ্বাৰা মনোনীত ৩ জন সভ্যৰ দ্বাৰা পৰিচালনা কমিটি গঠণ কৰি দিবলৈ বিদ্যালয় সমূহৰ পৰিদৰ্শক সকলক জনোৱা হৈছিল। পিচত চৰকাৰৰ ১-১১-৯১ ইং তাৰিখৰ নিৰ্দেশ মৰ্মে উচ্চ/উচ্চতৰ মাধ্যমিক স্কুল আৰু হাই মাদ্ৰাছা সমূহৰ পৰিচালনা কমিটি নীতি নিয়মৰ ওপৰত ভিত্তি কৰি গঠণ কৰি দিবলৈ বিদ্যালয় সমূহৰ পৰিদৰ্শকক জনোৱা আছে।

**বিষয় : গৰুৰ ঘৰে পাঠশালা।**

শ্ৰী প্ৰনৱ কুমাৰ নাথ য়ে সুধিছে :

২২৭। মাননীয়, শিক্ষা বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেনে কি?

ক) ১০১১ নং হৰপ্ৰীয়া প্ৰাথমিক বিদ্যালয়, সঙ্গিৰপাৰ ৯০ নং ব্ৰাহ্মণ শাসন প্ৰাথমিক বিদ্যালয়, গ্ৰাম-ব্ৰাহ্মণ শাসন ১৮৫ নং বৰতয়ালা প্ৰাথমিক বিদ্যালয়, গ্ৰাম-পূৰ্ব্বৰতয়ালা প্ৰায় দশ বৎসৰ যাব্য বৰ্ষাকালীন সময়ে ঝড়ে ওঁ বণ্যায় জলে নষ্ট হওয়া স্কুল গুলিৰ ভবন নিৰ্মানেৰ টকা মঞ্জুৰ কৰা হবে কি?

ডাঃ ভূমীধৰ বৰ্ম্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক)পূজিৰ ওপৰত নিৰ্ভৰ কৰিব।

**বিষয় : হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈ উন্নীতকৰণ।**

শ্ৰী প্ৰণৱ কুমাৰ নাথ য়ে সুধিছে :

২২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেনে কি?

ক) বৰ্ত্তমান চৰকাৰেৰ দিনে কৰিমগঞ্জ জিলায় কয়টি হাইস্কুল হাইয়াৰ চেকেণ্ডাৰী পৰ্য্যায়ে উন্নীত কৰেছেন ?

খ) দক্ষিণ কৰিমগঞ্জ বিধানসভা নিৰ্বাচন চক্রেৰ মধ্যে কয়টি ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্রী ) য়ে উত্তৰ দিছে ঃ

ক) ৪ খন।

খ) লোৱা হোৱা নাই। সেয়েহে সমষ্টি ভিত্তিত স্কুলৰ অৱস্থান সম্পৰ্কে তথ্য সম্প্ৰতি বিভাগৰ হাতত নাই।

**বিষয় ঃ চিনটেক্স উদ্যোগ :**

শ্ৰী গহীন চন্দ্ৰ দাস, য়ে সুধিছে ঃ

২২৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চিনটেক্সৰ উৎপাদন ক্ষমতা কিমান, আৰু মিলটোৱে এতিয়ালৈকে কিমান উৎপাদন কৰিব পাৰিছে ?

খ) উদ্যোগটোলৈ বিদ্যুত যোগানৰ ব্যৱস্থা বিজুতি মুক্ত নে ?

গ) উদ্যোগটোৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীতে থকাটো সচাঁনে ?

ঘ) যদি সঁচা, তেন্তে কিয় ইয়াত ৰখা হৈছে ?

ঙ) উক্ত মিলটো প্ৰতিস্থিত স্থান টিছলৈ নিয়াৰ চৰকাৰৰ কিবা প্ৰস্তাৱ আছেনে ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ ) মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

ক) অসম চিনটেক্সসৰ সূতা উৎপাদন ক্ষমতা বছৰি ১৭৫০'০০ মেঃটন আৰু মিলটোৱে যোৱা ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ

ফেব্ৰুৱাৰী মাহৰ শেষলৈকে ৩৮০৬'১২ মেঃটন উৎপাদন কৰিব পাৰিছে।

খ) নহয়।

গ) সঁচা।

ঘ) প্ৰশাসনিক আৰু ব্যৱসায়িক দিশৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ মূখ্য কাৰ্য্যালয় গুৱাহাটীত ৰখা হৈছে।

ঙ) মিলটোৰ মূখ্য কাৰ্য্যালয় টিহুলৈ স্থানান্তৰিত কৰাৰ বৰ্ত্তমান কোনো প্ৰস্তাব নাই।

## বিষয় ঃ তেল শোধানাগাৰ।

শ্ৰী গহীন চন্দ্ৰ দাস, য়ে সুধিছে ঃ

২৩০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত স্থাপন কৰিব লগীয়া তেল শোধানাগাৰটোৰ নিৰ্মানৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব আৰু কেতিয়া সম্পূৰ্ণ হব ?

খ) উক্ত শোধানাগাৰ যৌথ খন্দত নে ব্যক্তিগত খন্দত হব ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) শোধানাগাৰটোত কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ বিনিয়োগৰ চুড়ান্ত সিদ্ধান্ত অলপতে হোৱাৰ সম্ভাবনা আছে আৰু নিৰ্দ্ধৰিত প্ৰাৰম্ভিক নিৰ্মান কাৰ্য্য ১৯৯২-৯৩ বছৰৰ আগচোৱাত আৰম্ভ হোৱাৰ কথা আছে। নিৰ্মান কাৰ্য্য ৬০ মাহৰ ভিতৰত সম্পুৰ্ণ হব বুলি আশা কৰা হৈছে।

খ) নতুন কোম্পানীটোৰ মূলধনত অসম চৰকাৰ ইন্দোবাৰ্মা

পেট্ৰোলিয়াম কোম্পানী আৰু ৰাইজৰ অংশ থাকিব।

**বিষয় : গেচ ক্ৰেকাৰ।**

শ্ৰী গহীন চন্দ্ৰ দাস য়ে সুধিছে :

২৩১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত স্থাপন কৰিব লগীয়া গেছ ক্ৰেকাৰৰ নিৰ্ম্মানৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

খ) উৎপাদনক্ষম কেতিয়াৰ পৰা হব ?

গ) কিমান টকা ব্যয় হব ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ ) মন্ত্ৰী য়ে উত্তৰ দিছে :

(ক), (খ) আৰু (গ) :

সহ-প্ৰতিস্থাপক ( Co-prometer ) নিৰ্ব্বাচনৰ প্ৰক্ৰিয়া পূৰ্ণদমে চলি আছে। সহ-প্ৰতিস্থাপক নিৰ্ব্বাচনকে ধৰি আন আন আনুসাঙ্গিক প্ৰক্ৰিয়াবোৰ সম্পূৰ্ণ হলেহে এই প্ৰকল্পটোৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা যাব।

উৎপাদন ক্ষমতা আৰু আন আন বিষয়ৰ ওপৰত ভিত্তি কৰি প্ৰকল্পটোৰ ব্যয় ২১০০ কোটি টকাৰ পৰা ৩০০০ কোটি টকা হব পাৰে।

**বিষয় : চাকৰীয়ালক নিলম্বিত কৰণ।**

বিধায়ক শ্ৰী নিজামুদ্দিন খান য়ে সুধিছে :

২৩২। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কোনো চৰকাৰী চাকৰিয়াল বা কৰ্ম্মচাৰী গ্ৰেপ্তাৰ হৈ ৪৮ ঘণ্টাতকৈ অধিক সময় জেল হাজোতত থাকিলে বিচাৰ শেষ নোহোৱা পৰ্য্যন্ত নিলম্বিত হৈ থকাৰ নিয়ম আছে নে ?

খ) যদি আছে বৰপেটা জিলাৰ কাটাজাৰ বাণীকান্ত এম ই স্কুলৰ প্ৰধান শিক্ষক মোঃ আফতাফ হুছেইন যোৱা জুন মাহত ( ১৯৯১ ) চন গ্ৰেপ্তাৰ হৈ ৭২ ঘণ্টাতকৈ অধিক সময় জেল হাজোতত থকা কথাটো সচানে ?

গ) যদি সচা এওঁৰ ওপৰত চৰকাৰে কি ব্যৱস্থা নিছে ?

শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) উপযুক্ত ক্ষেত্ৰত নিলম্বিত কৰাৰ ব্যৱস্থা আছে।

খ } বৰপেটা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা তথ্য সমূহ বিচৰা হৈছে ।

গ } তথ্য সমূহ আহি পোৱাৰ লগে লগে সদনক জনোৱা হব।

## বিষয় ঃ আমগুৰিত বিদ্যুত প্ৰকল্প নিৰ্ম্মান।

শ্ৰী নগেন শৰ্ম্মা য়ে সুধিছে ঃ

২৩৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) আমগুৰিৰ গেছৰ দ্বাৰা উৎপাদন কৰিব বিছৰা বিদ্যুৎ প্ৰকল্পৰ নিৰ্মানৰ কাম কিমান চনত সম্পূৰ্ণ হব ?

খ) প্ৰকল্পৰ নিৰ্মানৰ কাম কিমান শতাংশ বৰ্ত্তমানলৈ শেষ হৈছে ?

শ্ৰী দেবানন্দ কোঁৱৰ, ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আৰু খ) ৩৬০ মেগাৱট শক্তিসম্পন্ন আমগুৰি প্ৰকল্পৰ বাবে

যোজনা আয়োগৰ কাৰ্য্যকৰী গোটে ৮ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময় ছোৱাত ৮০০.০০ কোটি টকাৰ অনুমোদন দিছে। প্ৰকল্পৰ প্ৰাক্কলন অনুসৰি এই প্ৰকল্পৰ কাম আৰম্ভনিৰ পৰা সম্পূৰ্ণ কৰি তুলিবলৈ অতি কমেও ৩৬ মাহ সময় লাগিব।

এই ক্ষেত্ৰত মাটি অধিগ্ৰহণ, দখলীকৰণ আদি প্ৰাৰম্ভিক কামবোৰ হাতত লোৱা হৈছে।

**বিষয় : চতুৰ্থ তেল শোধনাগাৰ।**

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত য়ে সুধিছে :

২৩৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ চতুৰ্থ তেল শোধনাগাৰতো গোলাঘাট জিলাৰ নুমলীগড়ত কেতিয়া কোনে স্থাপন কৰিব ?

খ) M.O.U. স্বাক্ষৰ হলনে আৰু যদি হল সদনত দাখিল কৰিবনে ?

গ) যদি হোৱা নাই Draft M.O.U. ৰ Copy সদনত দাখিল কৰিব।

ঘ) উক্ত শোধনাগাৰ নিৰ্ম্মানত কিমান ধন খৰচ হব, ৰাজ্য চৰকাৰৰ অংশ কিমান থাকিব ?

ঙ) কিমান সংখ্যক অসমৰ শিক্ষিত যুৱক যুৱতীয়ে উক্ত তেল শোধনাগাৰত সংস্থাপন ( চাকৰী ) লাভ কৰিব ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নুমলীগড়ত চতুৰ্থ তেল শোধনাগাৰটো ইন্দো-বাৰ্মা পেট্ৰোলিয়াম কোম্পানী লিমিটেডৰ এটা উপ-কোম্পানীয়ে ৰূপায়ন কৰিব। এই

শোধনাগাৰৰ প্ৰাৰম্ভিক নিৰ্ম্মানৰ কাৰ্য্য ১৯৯২-৯৩ বছৰৰ আগছোৱাতে আৰম্ভ হোৱাৰ কথা

খ) অসম চৰকাৰ আৰু ইন্দো বাৰ্ম্মা পেট্ৰোলিয়ামৰ মাজত এতিয়াও M.O.U. স্বাক্ষৰিত হোৱা নাই।

গ) অসম চৰকাৰ আৰু ইন্দো বাৰ্ম্মা পেট্ৰোলিয়ামৰ মাজত হবলগীয়া M.O.U. এতিয়াও স্বাক্ষৰিত হোৱা নাই। M.O.U. নকল চুড়ান্ত সিদ্ধান্ত লোৱাৰ পিছতহে দিব পৰা যাব।

ঘ) সংশোধিত প্ৰকল্পটোৰ আনুমানিক ব্যয় প্ৰায় ১৮০০ কৌটি টকা হব। অসম চৰকাৰৰ নতুনকৈ হবলগীয়া কোম্পানীত ১০ শতাংশ অংশীদাৰ থাকিব।

ঙ) ইঞ্জিনিয়াৰ্চ ইণ্ডিয়া লিমিটেডে কৰা প্ৰজেক্ট ৰিপোৰ্টৰ মতে এই শোধনাগাৰ চলাবৰ কাৰনে মুঠ ৭৫০ জন লোকৰ প্ৰত্যক্ষ ভাবে প্ৰয়োজন হব। অসমৰ শিক্ষিত আৰু অৰ্হতা সম্পন্ন যুৱক-যুৱতীৰ শোধনাগাৰত চাকৰী পোৱাৰ কাৰনে যৎপৰোনাষ্টি চেষ্টা কৰা হব।

**বিষয়ঃ শিক্ষক পদত নিযুক্তি।**

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত য়ে সুধিছে :

২৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) Mrs. Jutika Chakraborty নামৰ এগৰাকী মহিলাৰ দৰ্খাস্ত শিক্ষা আযুক্তৰ অনুমোদন সহ যুটীয়া সঞ্চালক, প্ৰাথমিক শিক্ষা বিভাগে ২১-৫-৯১ তাৰিখে The D.I. of Schools Guwahati লৈ as a

special case নিয়োগ কৰিবৰ বাবে ( শিক্ষকতাৰ পদত ) লিখা চিঠিখনৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

খ) Govt. letterNo. EPG. 54/91/Pt-II/19 ated 11-10-91 ত লিখা চিঠিখন সম্পর্কে, আৰু পুনৰ ৪-১১-৯১ তাৰিখে মাধ্যমিক শিক্ষাৰ উপ সঞ্চালকে কামৰূপ জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকলৈ আৰু যোৱা ১৯৯২ চনৰ ফেব্রুৱাৰীত শিক্ষা শিক্ষা বিভাগৰ পৰা পুনৰ উক্ত প্ৰাৰ্থী গৰাকীৰ নিয়োগ সংক্ৰান্তত লিখা চিঠিৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

গ) শিক্ষা বিভাগৰ পৰা শিখা-লিখি কৰাৰ পিচতো উক্ত মহিলা গৰাকী নিয়োৰিত নোহোৱাৰ কাৰণ কি ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয়, জ্ঞাত।

খ) Govt. letter No. EPG. 54/91/Pt-II/19 dated 11-10-91 চিঠি খনত মাধ্যমিক শিক্ষা সঞ্চালকলৈ উক্ত প্ৰাৰ্থী গৰাকীক তদৰ্থ নিযুক্তি দিবলৈ যোৱা কথা সঁচা।

গ) বিষয়টো অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

RE : BIJNI TEXTILE INDUSTRIES.

Shri Kamal Brahma, asked :

236. Will the Minister of Industries be pleased to State ?

a) The production capacity of Bijni ( Nayapur ) Textile Industry ?

b) Total number of employees working in this project ?

e) The member of S. T. & S. C. employees in the said Project ?

Shri Bijit Saikia ( Minister of Industries ) replied :

a) There are three units in Assam State Textile Corporation Ltd. at Bijni, i. e. Spinning, Weaving and Processing.

Spinning Unit : The Annual installed capacity of Spinning Mill is 1750 MT. the weaving capacity is 10,000 mts. of cloth per day & the Processing capacity is 20,000 mts. of cloth per day. The weaving and processing units are both in trial run stage at present.

b) Total number of employees of Assam State Textile Corporation Ltd. is 773.

c) The Total number of S. T, employees is 76. The total number of S. C. employees is 50.

বিষয় : উদ্যোগ বিকাশ কেন্দ্ৰ স্থাপন।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, য়ে সুধিছে :

১৩৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ভাৰত চৰকাৰে অসমত দুটা উদ্যোগ বিকাশ কেন্দ্ৰ

( INDUSTRIAL GROWTH CENTRE ) স্থাপনৰ বাবে অনুমতি দিছিল, কথাটো সত্যনে ?

খ) যদি সত্য উক্ত কেন্দ্র দুটাৰ স্থান ক'ত আছিল ?

গ) বৰ্ত্তমানে সেই কেন্দ্র দুটাৰ কাম কিমান আগবাঢ়িছে ?

শ্ৰী বিজিৎ শইকীয়া ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, সত্য।

খ) উক্ত উদ্যোগ বিকাশ কেন্দ্ৰ দুটাৰ স্থান ৰংজুলী ( গোৱালপাৰা ) আৰু জখলাবন্ধাত ( নগাও ) প্ৰস্তাব কৰা হৈছিল।

গ) এই দুই স্থানত সংৰক্ষিত বনাঞ্চল আৰু বেদখলত থকাৰ পৰিপ্ৰেক্ষিতত গোটেই বিষয়টো পুনৰ বিবেচনাধীন হৈ আছে।

## RE : REPAIRING AND LATRINE GRANT.

Shri Mission Ranjan Das, asked :

238. Will the Minister, of State for Education be pleased to state :

a) Whether it is a fact that the repairing grant and sanitary latrine grant of 1985 under District Elementary Education Officer, Karimganj has not yet been distributed till date ?

b) If so, the reason of delay and when it will be distributed ?

Dr. Bhumidhar, Barman ( Minister, Education ) replied :

a) & b) Required information has been called for and Will be placed in the House as soon as available.

RE . BOLDER SPAR ON KUSHIARA.

Shri Mission Ranjan Das asked :

239. Will the Minister of Flood Control be pleased to state :

a) Whether it is a fact that the work of bolder spar of about 2 K. M. long on the river side of the Kushiara of Jakigang in Bangladesh and opposite to the Karimganj Town started from November, 1991 ?

b) Whether the said work has been completed ?

c) If not, what type of precautionary measure has been taken to save the Karimganj town from probable damage during the rainy seasons.

Shri Haren Bhumij ( Flood Control Minister ) replied :

a) No.

b) Does not arise.

c) Required measure would be taken in time.

বিষয় ঃ— প্ৰাথমিক ও মধ্য ইংৰাজী ৰিদ্যালৰ গৃহ নিৰ্ম্মান।

শ্ৰী বুবুল দাস য়ে সুধিছে ঃ

২৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) মৰিগাওঁ জিলাত গৃহ নিৰ্মান কৰিবলৈ বাকী থকা প্ৰাথমিক ও মধ্য ইংৰাজী বিদ্যালয় গৃহ নিৰ্মান চলিত বছৰত বা ১৯৯২-৯৩ বছৰত কৰাৰ লক্ষ্য আছে নেকি ?

খ) যিহেতুকে জাগীৰোড সমষ্টিটো অনুসূচীত জাতিৰ বাবে সংৰক্ষিত আৰু বিশেষভাৱে বান বিধস্ত এলেকা, সেয়ে বিদ্যালয় গৃহ নিৰ্মানৰ অনুদান মঞ্জুৰীত বিশেষ অগ্ৰাধিকাৰ দি বিবেচনা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মন (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) প্ৰয়োজনীয় পুঁজিৰ ওপৰতহে নিৰ্ভৰ কৰিব।

খ) সমষ্টি ভিত্তিত অনুদান দিয়া নেযায়।

বিষয় ঃ জনীয়া সমষ্টিত বৈদ্যুতিকৰণ।

শ্ৰী এছাহক আলি য়ে সুধিছে ঃ

২৪১। মাননীয় গ্ৰাম্য বৈদ্যুতীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) জনীয়া সমষ্টিৰ কিমানখন গাওঁ সম্পূৰ্ণভাবে বৈদ্যুতিকৰণ কৰা হৈছে ?

খ) উক্ত সমষ্টিত কিমানখন গাওঁত বিদ্যুৎ যোগানৰ কাম আধৰুৱা হৈ আছে ?

শ্ৰী দেবানন্দ কোঁৱৰ, (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) জনীয়া সমষ্টিৰ অন্তৰ্গত থানা সমূহৰ ভিতৰত পিয়লভুক্ত ৬৫৪ খন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে।

খ) ক) ত উল্লেখ কৰা গাওঁ সমূহৰ সম্প্ৰসাৰণৰ কাম বাকী আছে। ইয়াৰ উপৰিও পিয়লভুক্ত ২২১ খন গাওঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

## Discussion During Zero Hour

Mr. Speaker : The Question Hour is over and I now Proceed to Zero Hour.

I have received 3 zero hour notices. First of all, I call upon Shri Parameswar Brahma to raise the zero hour matter on "ABSU-BPAC urge inquiry" published in the Sentinel dated 23. 3. 92.

Shri Parameswar Brahma : I have received a news item in the daily 'Sentinel' dated 23rd March, 1992 that on 19th March that Assam Police personnel brutally killed one Shri Jisu Basumatary near the Soraikhola Bridge and injure Tapan Narzary seriously. Shri Jisu Basumatary is the son of one Chief Medical officer, Dr Asina Basumatary of Goalpara. The other person Shri Tapan Narzary, son of Shri Jamini Narzary accompanied Shri Jisu Basumatary. They were coming together from Goalpara. On the Police action, while Shri Jisu Basumatary was killed, Shri Tapan Narzary was seriouly injured. This is incident is related to arm

snatching from the Assam Police on petrol duty by B.S.F. extremists. After this incident, the Kokrajhar Police remained silent. They could not take prompt action to nab the extremists. Next day, i. e. on 19th March, the Police personnel to conceal their guilts brutally killed Shri Jisu Basumatary. Now, Sir, if the Police continues such heinous crime deliberately and helps the extremists to escape scot free, then what will be the condition of the law and order of the State, and what will be the security of the People ? Similar is the case in Sonitpur District where the BSF ( extremist ) killed one Bodo leader Shri Kamal Basumatary who is also the General Secretary of the Tezpur unit of Bodo Sahitya Sabha. in this incident, Shri Birendra Kumar Bora, Officer-in-charge of Dhekiajuly Police Station was involved. On his instigation, Shri Kamal Basumatary was killed by BSF. extremists. So, my question is that this is an open fact that ABSU-BPAC has been negotiation with the Centre and the State Govt. for amicable settlement of the Bodoland issue for which the Bodo people and the other tribals have unitedly launched a movement for a separate Bodoland State. In the peak hour

of negotiation, if the Govt. obstructs the process of normalisation hamper settlement of the issue of Bodoland, then there will be no peace in the State. The administrative machinery and other extremist elements have planted the plot and Shri Kamal Basumatary killed. In the process, Shri Kamal Basumatary was brutally killed. So, I draw the attention of the House against the brutal killing of the Bodoland supporters. Now Sir, we are in constant touch with the Govt. for amicable solution. Even then, I do not know why this Govt. is trying to provoke the Bodo people. After this incident in Kokrajhar District, the Assam Police personnel are harrassing the innocent Bodo people who are actually not involved in any way in such incidents. The Police could not nab the culprits even the names and particulars of the persons involved were brought to the notice of the Police authorities. I name, particularly, Shri R. M. Singh S.P. Kokrajuar who is complicating the matter. As such, the peace process will be jeopardied. So, I requested in a motion of adjournment to find out actual things what is going in the Kokrajhar District. After this incident, what the administrative machi-

nery is doing and in a way complicating Solution of the issue of Bodoland. So, we demand is this august House that an all-party delegation shonld be sent to enquire into the gravity of the situation. So I request that the House should be adjourned to discuss and find out what is going on in Kokrajhar District after this incident and what the administrative machinery doing to solve this burning issue. We demend in the House.

Hon'ble Speaker : In qnestion hour you can only raise a matter of public importance and the Minister concerned will reply.

Shri Parameswar Brahma : Hon'ble Speaker Sir, I request you to send an all party team there so that we can understand the gravity of the situation and thereby held bringing normalcy and solve the burning problem of the District. The S. P. Kokrajhar District should be transferred and all those involved in this brutal killing should be punished. This is my request to you Hon'ble Speaker Sir, to send an all party team so that we can see what is going on there and also to ensure that guilty Police personnel involved can be brought to

book and BSF extremists. This will also bring peace among the people of different sections.

Hon'ble Speaker : Hon'ble Chief Minister.

* Shri Hiteswar Saikia ( Chief Minister ) : Mr. Speaker Sir, my attention has been drawn to the news item published in the 'Sentinel' dtd. 23rd March 1992. We have also report of killing two police personnel by some extremists and thereafter Police resorted to firing in which one life was lost and a scooter was damaged. We have also taken action against those police officials who are responsible for firing on Bodo youths. Action has already been taken to find out the real culprit.

Regarding visit of all party Members of the House to Kokrajhar District it is upto you Sir. If you think it necessary an all party team can go there.

Hon'ble Speaker : I have received another Zero Hour notice from the Hon'ble Member, Shri Alauddin Sarkar on a news item published in 'Ajir Batori' dated 21. 3. 92 under the caption— "বান্ধ আৰু নলা নির্মাণ বিভাগত দুই কোটি টকা অনাদায়"

---

* Sheech not Corrected

Now, I call upon the Hon'ble Member, Shri Sarkar to speak on the matter.

Shri Alauddin Sarkar ( Absent )

Hon'ble Speaker : I have received another Zero Hour notice from the Hon'ble Member, Shri Zoii Nath Sarma on a news item published in 'Ajir Batori' dated 23. 3. 92 under caption—

"ঋণ পৰিশোধ নকৰাত গ্ৰেপ্তাৰী পৰোৱানা।"

Now, I call upon the Hon'ble Member, Shri Sarma to speak on the matter.

* শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই আজি যিটো বিষয় সদনত আলোচনা কৰিব খুজিছো সেইটো হৈছে চৰকাৰে দুখীয়া কৃষক সকলৰ কাৰণে যি ১০ হাজাৰ পৰ্য্যন্ত ঋণ ৰেহাই দিয়াৰ কথা ঘোষণা কৰিছিল যিটো সেই সময়ৰ অসম গন পৰিষদ দলৰ আৰু কেন্দ্ৰৰ ৰাষ্ট্ৰীয় মৰ্চ্চা চৰকাৰৰ ঘোষিত নীতি আছিল সেইটো এই চৰকাৰে ৰেহাই নিদি তেনে ঋণ পৰিশোধ কৰাৰ বাবে কিছুমান দুখীয়া খেতিয়কৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে। এই ক্ষেত্ৰত বিশেষকৈ অসম ক্ষুদ্ৰ জলসিঞ্চন নিগমৰ জৰিয়তে দুখীয়া কৃষকক চেল'টিউবওৱেল বহুৱাৰৰ কাৰণে ঋণ দিয়া হৈছিল। কিন্তু কি কাৰণত এই ঋণবোৰ বৰ্ত্তমান চৰকাৰে কৃষি ঋণ হিচাবে গ্ৰাহ্য কৰা নাই সেইটো বুজিব পৰা নাই। এই চেল' টিউবওৱেলৰ জৰিয়তে দুখীয়া

---

* Speech not Corrected

খেতিয়কে পথাৰত পানী তুলি খেতি কৰা কাৰণে ব্যৱহাৰ কৰা ক্ষেত্ৰত কি কাৰণে চৰকাৰে এই ঋণটো কৃষি ঋণ হিচাবে অন্তৰ্ভূক্ত নকৰিলে সেইটো আমাৰ ক্লীয়াৰ কৰি দিব লাগে। আজি সমগ্ৰ অসমৰ ৰাষ্ট্ৰীয়কৃত বেংকসমূহে কৃষি ক্ষেত্ৰত যি ধৰণে সাহায্য আগ বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগিছিল তাৰ সলনি কৃষক সকলৰ ওপৰত বোজা জাপি দিয়া দেখা গৈছে আৰু তেনে ঋণ লোৱা কৃষক সকলৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ ফলত তেওঁলোকৰ হাৰা- শাস্তি হৈছে। সেয়ে মই আপোনাৰ জৰিয়তে মাননীয় কৃষি মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিব খুজিছো যে কৃষিৰ ক্ষেত্ৰত হি সকলে ঋণ লৈছে আৰু এই ক্ষেত্ৰত যি সকলে হাঁহ কুকুৰা পোহাৰ কাৰণে আৰু তাতঁ শালৰ কাৰণে ঋণ লৈছে সেইবোৰকো কৃষি ঋণ হিচাবে ধৰিব লাগে, কিয়নো এই ঋণৰ এটা অংশ কেন্দ্ৰীয় চৰকাৰে দিব, গতিকে এনে ঋণৰ দ্বাৰা দুখীয়া খেতিয়ক সকলক উপকৃত কৰিব বুলি চৰকাৰে আগৰ চৰকাৰৰ যিটো ঘোষিত নীতি আছিল ১০ হাজাৰ টকা পৰ্য্যন্ত ৰেহাই দিয়াৰ সেইটোৰেহাই দিয়াৰ কাৰণে এই চৰকাৰেও ব্যৱস্থা হাতত লব লাগে আৰু যি সকলৰ ওপৰত গ্ৰেপ্তাৰ পৰোৱানা জাৰি কৰা হৈছে সেই ক্ষেত্ৰত তৎকালে হস্তক্ষেপ কৰি দুখীয়া খেতিয়ক সকলক সহায় কৰিব লাগে। এই ক্ষেত্ৰত মই আৰু এটা কথা খুজিছো ডি, আৰ, ডি, এ, আৰু, আই আৰ ডি, পি,ৰ জৰিয়তে যিবোৰ ঋণ দিয়া হৈছিল সেই ঋণবোৰো কৃষি হিচাবে বিবেচনা কৰি আগৰ চৰকাৰে যিটো নীতি ঘোষণা কৰিছিল সেইমতে এই ঋণবোৰৰ পৰা দুখীয়া কৃষক সকলক ৰেহাই দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিব নে নকৰে সেই বিষয়ে মই কৃষি মন্ত্ৰী মহোদয়াৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

---

* Speech not Corrected

* শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : माननीय অধ্যক্ষ মহোদয়, এই বিষয়টো আমি এম, আই, ডি, চি,ৰ জৰিয়তে পৰীক্ষা কৰি চায় আছো। যিখিনি টকা খেতিৰ উন্নয়নৰ কাৰণে পাম্প চেট আৰু চেল'টিউবওৱেল কিনিবৰ কাবণে ঋণ দিয়া হৈছিল সেই ক্ষেত্ৰত আমি দেখিছো যে ইয়াৰ বেছিভাগ পাম্প চেট্ প্ৰকৃত খেতিৰ কাৰণে ব্যৱহাৰ কৰা নাই। বহুতে ইয়াক ৰাইচ মিল কৰিছে আৰু বহুতে নাওঁত লগাই লৈ ভাৰা মাৰিছে। এতিয়া এম, আই, ডি, চি, য়ে ৪৩ কোটি টকা ধাৰ মাৰিব লগা আছে। তেওঁলোকৰ আজি যি অৱস্থা হৈছে কোনো বেংকৰ পৰা ঋণ নাপায়। এইটো কলাপচ্ হৈ যোৱা উপক্ৰম হৈছে। শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো ঠিকেই যে যি সকল দুখীয়া খেতিয়কে এই ঋণ লৈ প্ৰকৃততে খেতিৰ কামত ব্যৱহাৰ কৰিছিল তেখেত তেখেত সকলৰ এই ঋণ ৰেহাই দিব লাগে। কিন্তু যি সকলে এই ঋণ লৈ ৰাইচ মিলত ব্যৱহাৰ কৰিছে আৰু নাওঁত লগাই ভাৰা মাৰি আছে তেওঁলোকক এই ঋণৰ পৰা ৰেহাই দিব পৰা নহব। ইয়াৰ কাৰণেই আজি এম, আই, ডি, চিয়ে সুদে মূলে ৪৩ কোটি টকা দিব লগা হৈছে। সেই কাৰণে এই ঋণ যদি কোনোবা দুখীয়া খেতিয়কে নি প্ৰকৃত খেতিৰ কামত ব্যৱহাৰ কৰিছে তেনেহলে সেইটো আমি ৰেহাই দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা লম কিন্তু যি সকলে এই ঋণ লৈ পাম্পচেট্‌বোৰ অন্য কামত ব্যৱহাৰ কৰিছে সেইটো ৰেহাই দিব পৰা নহব।

* শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যদি কোনোবাই এই ঋণ পাম্প চেট্ অন্য কামত ব্যৱহাৰ কৰিছে তেনেহলে তেনে লোকৰ পানিচ-

---

* Speech not Corrected

মেণ্ট হব লাগে। কিন্তু এজনে দোষ কৰিব আৰু তাৰ বাবে সকলোৱে দায়িত্ব লব লাগিব সেইটো হব নোৱাৰে। আজি এম, আই ডি, চিয়ে ৪৩ কোটি টকা দিব লগা হৈছে। সেইটো তেওঁলোকৰ অমনোযোগিতাৰ ফলত হৈছে। কিন্তু তেখেত সকলৰ দোষৰ কাৰণে চৰকাৰৰ ঘোষিত নীতি মতে দুখীয়া খেতিয়ক সকল এই ঋণৰ পৰা বঞ্চিত হলে যোৱা হব। গতিকে প্ৰকৃত খেতিয়কক এনে ঋনৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে মোৰ উত্তৰত কৈছোৱেই যি সকল দুখীয়া খেতিয়কে প্ৰকৃত খেতিৰ কামত এই ঋণ ব্যৱহাৰ কৰিছে তেওঁলোকক ৰেহাই দিয়া হব। এইটো আমি পৰীক্ষা কৰিবলৈ দিছো। যি ১০ হাজাৰ টকা পৰ্যন্ত ৰেহাই দিয়া হৈছিল সেইটো টকা চৰকাৰে এম, আই, ডি চিক জমা দিব লাগিছিল। কিন্তু তেওঁলোকে সেই টকা জমা দিয়া নাছিল।

* দেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, এই ঋন লৈ কিছুমান মানুহে বিশেষকৈ চৰ অঞ্চলৰ কিছুমান লোকে পাম্পচেট্‌বোৰ নাওঁত ব্যৱহাৰ কৰা কথাটো সচাঁ। এই পাম্পচেট্‌বোৰ খেতিয়ক সকলক খেতিত পানী যোগান ধৰাৰ বাবে দিয়া হয়। কিন্তু বাৰিষা কালত চৰ অঞ্চলত খেতিত পানী যোগান ধৰিব লগা নহয় কাৰণে কিছুমান লোকে বানপানীত অহা যোৱা কৰিবৰ কাৰণে নাওঁত লগাই লৈ তেওঁলোকৰ পৰিয়ালবোৰৰ যাতায়তৰ কামত ব্যৱহাৰ কৰে। গতিকে এই লোক সকলৰো এই ঋণবোৰ ৰেহাই দিয়া নহব নেকি ?

---

* Sheeeh not Corrected

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই পাম্পচেট বোৰ নাওঁত লগাই লৈ অকল নিজৰ পৰিয়ালৰ কামতে নহয় সেই নাৱেৰে ভাৰাও মাকে। সেই কাৰণে বিষয়টো আমি পৰীক্ষা কৰি আছো আৰু যি সকলে প্ৰকৃততে এই টকা খেতিৰ কামত বাৱহাৰ কৰা নাই তেনে লোকৰ পৰা এই ঋণ আদায় কৰাৰ ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now I proceed to Item No. 2 Shri Mission Ranjan Das ( Shri Mission Ranjan Das is absent to day )

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪ নে ৮৭ চনত এজন দিবাকৰ শৰ্মাই ৭ লাখ নে ৮ লাখ টকা বাকী দিছিল। পাঠ্য পুথি নিগমৰ এই বিষয়টো তদন্ত কৰি ব্যৱস্থা লব নে নাই ?

* শ্ৰী ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে, এইটো মই চাম।

---

* Speech not Corrected

## Matter Under Rule 301

Mr. Speaker : Now Item No. 3 : Shri Allauddin Sarkar to draw the attention of the Minister, Education by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Ajir Batori' dated 13.3.92 under the caption"

শ্ৰী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাবলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত, ১৯৯২ চনৰ ১৩ মাৰ্চ্চ তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত "ধুবুৰী জিলা বিজ্ঞান স্নাতক নিবনুৱাৰ অনশন" শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

ধুবুৰী জিলাত বিজ্ঞান স্নাতক নিবনুৱা সকলে অনশন কৰিছে, ধুবুৰীত কি অৱস্থা হৈছে আপুনি চাব পাৰে। যোৱা ১২ তাৰিখে যি হৈছিল সেইটো মই শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। নিবনুৱা সকলৰ ক্ষোভ ১২ মাৰ্চ্চ তাৰিখে কি দৰে প্ৰকাশ হৈছে। এই কথাটো মুখ্যমন্ত্ৰী মহোদয়ে স্মাৰক পত্ৰ যোগেদি জানে আনহাতে সন্থাৰ দাবী অনুসৰি শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা নাই। সেই সন্থাৰ তৰফৰ পৰা যিয়ে অনশন আৰম্ভ কৰা হৈছে। ধুবুৰী জিলাত এছ-ছিৰ বেকলগ আছে। এচ, চি, তিনিশ চল্লিচটা পদৰ বাবে নিবনুৱা সন্থাই উপায় নেপাই তেওঁলোকে কোৰ্ট কেচ কৰিব লগা হৈছে।

---

* Speech not Corrected

এই সকলক অগ্ৰাধিকাৰ দি পদ সমূহ পূৰণ কৰিব লাগিব। এই পদ সমূহৰ নিযুক্তি কত হব কত নহব বিভাগে তালৈকে নেচায়। ধুবুৰীৰ ১২১টা বিলাসীপাৰাৰ ৮৬টা শিঙিমাৰীৰ ৮২টা বি, এচ, চি, পাছ প্ৰাৰ্থীৰ নামৰ তালিকা লৈ বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰলৈ গৈছিলো, কিন্তু কাম নহল। আমি ৩৮১টা পদ ধুবুৰীৰ বাবে লাগে। আমাৰ জিলাৰ মাননীয় মন্ত্ৰী শ্ৰী জেহেৰুল ইছলাম ভাঙৰীয়া শিক্ষামন্ত্ৰীৰ চেম্বাৰত বহি আছিল। শিক্ষা মন্ত্ৰী মহোদয়ে এই সমস্যা সমাধান কৰিব বুলি আশ্বাস দিছিল। আমাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী মহিবুল হক চাহেবে আৰু পূৰ্ণ পৰ্য্যায়ৰ মন্ত্ৰী জেহেৰুল ইছলাম ডাঙৰীয়াই ধুবুৰীত থক অৱস্থাত এটা সমস্যা সমাধানৰ কথা আছিল। মই চাৰ্কিউট হাউচত বহি বহি তেখেত সকলক লগ নেপালো। তাৰ পিচত মই গুছি আহিলো কাৰণ দিশপুৰলৈ আহিব লাগে আৰু এই সদনত উপস্থিত হব লাগিব। মই বহি থাকোতে জয়নাল আবেদিন চাহেবক লগ পাইছিলো আৰু এই বিষয়ে কিছু কথা হৈছিলো।

অধ্যক্ষ মহোদয়, যোৱা ১৫ ফেব্ৰুৱাৰী তাৰিখে চেন্টিনেল বাতৰি কাকতত এনে এটা বাতৰি পৰিবেশিত হৈছিল। তেখেতৰ দলৰ মানুহে এই বাতৰি ডাঙি ধৰিছিল যে স্বয়ং মুখ্যমন্ত্ৰী মহোদয়েও ধুবুৰী জিলাৰ প্ৰতি উদাসীন। তেখেতও ধুবুৰী জিলাক আওহেলা কৰে।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষনত কোৱা হৈছে যে ৫০ হেজাৰ পদ দিয়া হৈছে, কিন্তু কেনেকৈ

* Speech not Corrected

দিয়া হৈছে গম নেপালো। ধুবুৰীত এই ৫০ হেজাৰৰ ভিতৰত থকা ২৭১টা পোষ্ট ধৰা হৈছে, এইটো মই ভাবিব নোৱাৰা হৈছো। ইতিমধ্যে আমাৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কৈছে যে বি, এচ, চি প্ৰাৰ্থী ৰাজ্যত কম আছে। আজি ধুবুৰীত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। আজি বহুতো শিক্ষিত নিবনুৱা ডেকা লৰাই ৰিক্সা, অটোৰিক্সা চলাবলৈ লৈছে, আনকি কিছুমান শিক্ষিত যুৱকে গুৱাহাটীলৈ আহি কাম্‌লা কৰিবলৈ লৈছে। কিন্তু পদ থাকিও ধুবুৰীৰ বৰাদ্দ পদত উপযুক্ত প্ৰাৰ্থী সকলে মকৰল হব পৰা নাই।

Mr. Speaker : Under Rule 301 you are only to draw the attention of the Minister Concerned.

শ্ৰী আলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, মই ধুবুৰী জিলাৰ অৱস্থাৰ কথাৰ ওপৰত ভিত্তি কৰিয়েই কথাখিনি কৈছো। যি কেইটা পদ আছে, সেই কেইটা অনুসূচিত জাতিক দিয়াৰ বাবে সকলোৱে দাবী কৰিছে। এইটো অনতি পলমে দিয়াৰ ব্যৱস্থা কৰক। আমাৰ যি সকল বি, এচ, চি, শিক্ষকৰ প্ৰাৰ্থী আছে, তেওঁলোকক যাতে শিক্ষকতাৰ কাৰণে চিলেকচন কৰে তাৰ কাৰণে মই সংশ্লিষ্ট মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি ধুবুৰী জিলাৰ বিজ্ঞান স্নাতক নিবনুৱাৰ সমস্যা সমাধানৰ কাৰণে যুদ্ধকালীন তৎপৰতাৰে যাতে কাম কৰে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*শ্ৰী গিয়াচুদ্দিন আহেমদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াত সুবিধা হব। মোৰ প্ৰশ্নটো হৈছে—কৰ্টত

* Speeeh not Corrected

এটা কেচ হৈছিল। তাত 'টেম্পুৰেৰী ইঞ্জাংশ্যন' দিছে, 'চিডিল-কাষ্টৰ বেকলগ আছে। বেকলগ পূৰণ লোহোৱালৈকে কোনো 'কেণ্ডিডেতক' নিযুক্তি দিব নোৱাৰে। কিন্তু এতিয়াও ইয়াৰ ৰায় হোৱা নাই যদিওঁ—

* শ্ৰী গোলক ৰাজবংশী (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয় Temporary injunction has been issued by the Court. Final Order has not been passed by the Court. It is sub-judice.

* শ্ৰী গিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, 'চাব-জুডিশৰ' কথা কৈছে। চাব-জুডিশ'ৰ উপযুক্ত নোহোৱা কেচ হৈছে। এই ক্ষেত্ৰত চাব জুডিশ প্ৰযোজ্য নহয়। বাতৰিকাকতত যেনেকৈ ওলাই বিধান সভাটো ওলাব পাৰে। তাৰোপৰি যি মোকৰ্দ্দমা হৈছে এইটো উৎথাপন কৰিব পাৰে। যি কেইটা পদৰ বেকলগখিনি পূৰণ কৰাৰ কাৰণে দাবী কৰিছে। এদিন চৰকাৰে সেই বেকলগখিনি পূৰণ কৰিব লাগিব। যাতে এচ, টি ৰ প্ৰাৰ্থী বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি অনগ্ৰসৰতা আৰু নিবনুৱা সমস্যাৰ কথা বিবেচনা কৰি ধুবুৰী জিলাত আৰু বেছি পদ মঞ্জুৰ কৰিব নেকি ? এই অনগ্ৰসৰতাৰ কথাটো লক্ষ্য কৰি নিয়োগৰ ক্ষেত্ৰটো অলপ অগ্ৰাধিকাৰ দিব লাগে।

* ডা: ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয় আজিৰ বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ সম্পৰ্কত স্পষ্টিকৰণ দিছো।

---

• Speech not Corrected

১৩ মার্চ তাৰিখে প্ৰকাশিত 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত ধুবুৰী জিলা বিজ্ঞান স্নাতক নিবনুৱাৰ অনশন' শীৰ্ষক বাতৰি প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে। ধুবুৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু ধুবুৰী মহকুমাৰ বিদ্যালয় সমূহৰ উপৰিদৰ্শকে আমাক জনোৱা মতে অনুসূচীত জাতিৰ সন্থাই স্থানীয় মুন্সিফ আদালতত গোচৰ ৰজু কৰাত মাননীয় আদালতে অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাহিৰে অন্য কাকো প্ৰাৰ্থীৰ বাছনি কিম্বা নিযুক্তি ৰদ্ধ ৰাখিবলৈ নিৰ্দ্দেশ দিয়ে। এই আদেশৰ পৰিপ্ৰেক্ষিতত ধুবুৰী জিলাত কোনো বিজ্ঞানৰ স্নাতকৰ নিযুক্তি দিব পৰা নাই।

শ্ৰী আল্লাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, বি, এচ চি শিক্ষক সকলৰ নিযুক্তি হাইস্কুলৰ ক্ষেত্ৰত কি হব জনাব নে ?

* ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান কৰ্টত 'ইনজাংশ্যন' আছে এইটো কব নোৱাৰিম। কালিলৈ কি হয় দেখা যাওক।

---

* Speech not Corrected

## Laying Of Report

Hon'ble Speaker : Now I proceed to Item No. 4 and request Parliamentary Affairs Minister to lay the report of the Rules Committee.

Shri Golok Rajbonshi : (Minister, Parliamentary Affairs) : Mr. Speaker Sir, Report has already been laid.

Hon'ble Speaker : Now I request Sri Deben Barua to resume his speech.

* শ্ৰী দেবেন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে বৰ্ত্তমান যিখন বাজেট এইখন এখন উপযুক্ত বাজেট। এই বাজেট খনক বিৰোধী দল বা বাতৰি-কাকতে কেনো বিশেষ ধৰণে সমালোচনা কৰিব পৰা নাই। বিৰোধী দলৰ সদস্যৰ বক্তৃতাতো ইয়াৰ উৎকৃষ্টতাৰ কথা উল্লেখ কৰিছে। যিসকলে উৎকৃষ্টতাৰ কথা কৈছে তেখেত সকলৰ নাম মই কব পৰো। তেখেত সকলে কৈছে এই বছৰৰ বাজেট খনৰ ফলাফলৰ প্ৰমান অহা বছৰত পোৱা যাব। অধ্যক্ষ মহোদয়, তেলৰ ৰয়েলিটিৰ কথা আছে। অসমৰ খাৰুৱাতেল পুৰি শেষ কৰিছে ই নষ্ট হৈ গৈছে। বহুত গেছ নষ্ট হৈ গৈছে। এই বিলাক এনেকৈ নষ্ট হৈ গৈছে যে আমাৰ পিচৰ পুৰুষৰ কাৰণে এইবোৰ নাইকিয়া হৈ যাব। গতিকে আমি অত্যাধুনিক প্ৰযুক্তি বিদ্যাৰ দ্বাৰা এই গেছ সংৰক্ষন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ব্যৱস্থা হাতত লব লগিব। অধ্যক্ষ মহোদয়, দ্বিতীয় কথা মোৰ মনলৈ আহিছে বান নিয়ন্ত্ৰণৰ কথা। বাজেটত

---

* Speech not Corrected

বাননিয়ন্ত্ৰনত টকা ধৰা হৈছে। মঠাউৰীৰ কাৰণে টকা ধৰা হৈছে। এটা অঞ্চলৰ মঠাউৰী নদীয়ে ভাঙি দিয়ে। তাৰ কাৰণ টকা দিয়া হয়। যোৱা বছৰ এ, জি, পি চৰকাৰৰ দিনত সদিয়াৰ কাৰনে এটা প্ৰজেক্টৰ কাৰণে ৬০ লাখ টকা আৰু এটা প্ৰজেক্টৰ কাৰণে ৫৮ লাখ টকা দিয়ে। সেইটোৰ বাবে টেণ্ডাৰ কৰা হৈছিল। ৬০ লাখ টকাৰ যি সকলে টেণ্ডাৰ দিছিল। কামটো আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, কামটো আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত। কিন্তু সেই সময়ত সদিয়াত পাথৰ নাছিল। গতিকে ঠিকাদাৰে কামটো কৰিব নোৱাৰিলে। পিছত অৰুণাচলৰ পৰা পাথৰ আনিব লগীয়া হ'ল। কিন্তু অৰুণাচলৰ পাথৰেও কামত নাহিল। অৱশেষত ঠিকাদাৰে কামটো চাব-কণ্টেক্টৰক নিয়োগ কৰি দিলে। পিছত ১০-১২ হেজাৰ টকা খৰছ কৰাৰ পিছত বিজুটি ঘটিল আৰু কাম আধৰোৱা হৈ ৰ'ল। পিছত বাকী থকা টকা খিনি ঠিকাদাৰ আৰু অফিচাৰ সকলে ভাগ কৰি ললে। ৰাজনৈতিক নেতা কেই গৰাকী মানেও তাৰ ভাগ পালে বুলি শুনিলোঁ। গতিকে অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ কামৰ নমুনা ই এটা জ্বলন্ত উদাহৰণ। অধ্যক্ষ মহোদয়, এই কথা বিচাৰ কৰিবলৈ এখন ইনকুৱেৰী কমিটি গঠণ কৰি দিয়া হ'ল ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ এজন প্ৰফেচাৰক। কিন্তু ইয়াৰ বিপৰীত কাম কৰা হৈছে বুলি পোৱা গ'ল। গতিকে অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগত এনে ঘটনা প্ৰায়ে ঘটি থাকে। মই এই বিষয়ে বহলাই নকওঁ। কাৰণ বিত্ত মন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়ে জনাইছো। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো, সেই হ'ল আবকাৰী বিভাগৰ বিষয়ে। এই বিভাগত বহু টকাই আছে। মোৰ আগৰ বক্তা

* Speech not Corrected

দুজনে বিশিষ্ট ভাবে কৈ গৈছে। গতিকে মই বহলাই কব বিচৰা নাই। এসময়ত এই বিভাগত মইও প্ৰভিবিচন কমিটিৰ সভাপতি হিচাবে আছিলোঁ। মোৰ এই বিষয়ে যথেষ্ট অভিজ্ঞতা আছে। গতিকে কব বিচাৰোঁ প্ৰভিবিচন উঠাই দিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া মই শিক্ষা বিভাগৰ বিষয়ে কব বিচাৰিছোঁ। শিক্ষা বিভাগৰ দুয়োজন মন্ত্ৰী মহোদয় বৰ্ত্তমান আছে। এই বাজেট খনত যিমান টকা ধৰা হৈছে সেই খিনি উপযুক্ত ভাবে খৰছ হলে শিক্ষা বিভাগৰ যথেষ্ট উন্নতি সাধন হ'ব। অধ্যক্ষ মহোদয়, এইবাৰ আহোঁ পুলিচ বিভাগৰ কথালৈ। পুলিচ বিভাগটো অত্যাধুনিক হিচাবৰ শক্তিশালী কৰি গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগে। এই বিভাগত উন্নত ধৰণৰ বেতাৰ যন্ত্ৰ দি শক্তিশালী কৰি তুলিলে আমি বৰ্ডাৰ চিকিউৰিটি ফৰ্চৰ আৰু মিলিটেৰী আৰ্মিৰ সহায় নোলোৱাকৈ চলিব পৰা হ'ব। অতি পুৰণি অস্ত্ৰ-সস্ত্ৰ বিলাক আধুনিকী কৰণ কৰি নতুন ৰূপত গঢ় দিব লাগে। অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ বিষয়ে পুনৰ কব বিচাৰিছোঁ যে শিক্ষা বিভাগৰ উন্নতি হ'ব, যদিহে শিক্ষা বিভাগৰ আমোল পৰিবৰ্ত্তন সাধন ঘটাব পাৰে দেশত আজি বহুতো এল, পি, স্কুল ৰাইজে গঢ়ি তুলিছে আৰু সেই স্কুলত তেওঁলোকেই গাৱঁৰে দুই/এজনক শিক্ষক হিচাবে নিয়োগ কৰে। এনেকৈয়ে চাৰি/পাঁচ বছৰ কৰাৰ পিছত সেই স্কুলত শিক্ষক নিযুক্তি দিবলৈ চৰকাৰলৈ আবেদন কৰে আৰু সেই শিক্ষক কেইজনকেই নিয়োগ কৰাৰ বাবে জোৰ দিয়ে। অথচ তেনে শিক্ষকৰ কোনো বেচিক ট্ৰেনিং আদি নাই। গতিকে অধ্যক্ষ মহোদয় আমাৰ চৰকাৰে প্ৰথমে স্কুল নিজে পাতি শিক্ষকক ট্ৰেনিং দিয়াই গাওঁৰ ৰাইজক সেই স্কুল বিলাকলৈ তেওঁলোকৰ লৰা-ছোৱালী বিলাক পঢ়াবলৈ স্কুললৈ পঠোৱাৰ ব্যৱস্থাৰ কৰিবলৈ মাতিব লাগে। তেতিয়াহে গাওঁৰ লৰা-ছোৱালী বিলাকৰ

* Speech not Corrected

বুনিয়াদী শিক্ষা আহৰনত সহায় কৰা হব। ১৯৭৭ চনৰ পৰা ১৯৭৮ পৰা আজি পৰ্য্যন্ত যিবিলাক লৰা-ছোৱালী ওলাইছে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা যিবিলাক ছাত্ৰ-ছাত্ৰী পাচ কৰি ওলাইছে তেওঁলোকৰ শিক্ষাৰ মানদন্দ একেবাৰে নিম্নখাপৰ। যাৰ বাবে আজিলৈকে আমাৰ লৰা-ছোৱালীয়ে কোনো প্ৰতিযোগীতামূলক পৰীক্ষাত, যেনে আই, এ, এচ বা অন্যান্য প্ৰতিযোগীতামূলক পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰা দেখা পোৱা নাই ফলত এনে কিছুমান অপ্ৰাসংগিক কাৰ্য্যত লৰা-ছোৱালীৰ মাজত প্ৰচলিত হৈ থকা দেখা গৈছে তেওঁলোকে ভুৱা চাৰ্টিফিকেট বা মাৰ্কছিট আদি লৈ চাকৰিৰ কাৰনে ঘুৰিহে ফুৰা দেখা যায় গতিকে মই কব খুজিছো যে শিক্ষা বিভাগত বৰ্ত্তমান শিক্ষা পদ্ধতি সলনি কৰিব লাগে। নহলে শিক্ষা বিভাগ নিশ্চয় গ্লানি হোৱাৰ সম্ভাৱনা আছে। অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য এজনে কৈছে যে তেওঁ হাজাৰ বাৰ এই বাজেটখনৰ বিৰোধিতা কৰিব কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে কেবল বাজেটখনৰ বিৰোধিতা কৰিব লাগে কাৰণেই এই হেজাৰ বাৰ শব্দটো ব্যৱহাৰ কৰা যেন লাগে। গতিকে মই তেওঁৰ মতত এক মত হব নোৱাৰোঁ। কাৰণ বিৰোধী সদস্য সকলে এইটো কথা কোৱাৰ নিয়ম বুলিয়েই ধৰি লৈছো। তাৰ বাহিৰে দ্বিতীয় বাজেটখনক কেইটা মান খুটি নাটিৰ বাহিৰে বাকী কথাত মই সমৰ্থন আগবঢ়াইছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰনি মাৰিছো।

( Mr. Speaker vacated the chair and Mr. Deputy Speaker Occupied the Chair ).

## General Discussion On The Budget

Deputy Speaker : Members should speak whether you have supported the budget or not. Next, Hon'ble Member Sri Hiteswar Deka.

শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ মাৰ্চ তাৰিখে অসমৰ বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে, সেই বাজেটৰ বিষয়ে ১০ দিন ধৰি সদনৰ মজিয়াত আলোচনা-সমালোচনা হৈ আছে। চৰকাৰী পক্ষৰ ভালেমান সদস্যই এই বাজেটক এক গতিশীল বুলি অভিহিত কৰিছে। কিন্তু একাংশ চৰকাৰী পক্ষৰ সদস্যই কৈছে যে বিৰোধী পক্ষৰ সদস্য সকলে চৰকাৰী পক্ষক সমালোচনা কৰাটো নিয়ম "বুলি অভিহিত কৰি কৈছে যে এইখন গতি শীল বাজেট আৰু এনেকুৱা বাজেট বিৰল। কাৰণ ৰাহী বাজেট বাজেট উত্থাপন কৰি এক অভিলেখ স্থাপন কৰিছে। কিন্তু এই সম্পৰ্কত মই কব খোজোঁ যে ই এটা পলিটিকেল শ্লʼগানহে। কাৰ্য্য ক্ষেত্ৰত আমি ইয়াক এখন সৰ্ব সাধাৰণক বিপদত পেলোৱা সৰ্ব্বনাশী বাজেট বুলিহে অভিহিত কৰিব বিচাৰোঁ।

মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনক ৰাহি বাজেট বুলি কব নোৱাৰি। বাজেটখন অধ্যয়ন কৰিলে দেখা যায় এই বাজেটখন এখন সৰ্ব্বনাশী বাজেট। সৰ্ব্বসাধাৰণ ৰাইজৰ পৰা বিশেষকৈ চাউল আৰু ঘেহু জাতীয় সামগ্ৰী শতকৰা ২ টকা বাদ কৰি ৰাহি বাজেট দেখুৱাইছে। এইটো দেখুওৱাৰ বাহিৰে আমাৰ অন্য বিকল্প নাই। ১৯৯১-৯২ চনত ২ হেজাৰ ৫শ ৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

১৯৯২-৯৩ চনৰ কাৰণে ৮ শ ১৫ লাখ টকা ধাৰ্য্য কৰা হৈছে। অৰ্থাৎ ইয়াৰ পৰিমাণ ১৩ শতাংশ হব নোৱাৰে। বাজেটখনত দেখা গৈছে যে ৩ শতাংশলৈহে কমি আছে। যোৱা বছৰৰ অত্যাৱশ্যকীয় সামগ্ৰী নাটনি হোৱা নাছিল। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে দিশপুৰৰ শীত-তাপ নিয়ন্ত্ৰীত আৰু বিজুলি বাতিৰ তলত থাকি গাৱঁৰ বিধৱা তিৰোতাই কেৰাচিনৰ অভাৱত আন্ধাৰত থকা কথাটো হয়তো উপলব্ধি কৰিব নোৱাৰে। অসমত কেৰাচিন কিমান আছে আমাৰ সদস্য সকলে অনুসন্ধান কৰিলে নিশ্চয় গম পাব। স্বাস্থ্য বিভাগৰ কথা কবলৈ ওলাইছো। এই বিভাগটোৰ বিষয়ে সকলো অৱগত। মই যোৱা অধি-বেশনতে কৈছিলো মেডিকেল কলেজ আৰু মহেন্দ্ৰমোহন চৌধুৰী হাস্পতাললৈ কোনোবা এজন মন্ত্ৰী বা সদস্যই ভেশচন কৰি গলে তাত দেখিবলৈ পোৱা যাব যে তাত ৰোগী সকলে কি চিকিৎসা পাইছে প্ৰকৃত স্বৰূপ ওলাই পৰিব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগী সকলে এক্সৰে প্লেট, বেণ্ডেজৰ কাপোৰ ঔষধ পাতি আৰু বেজি-সূতা পাইছে নে? সমাজ কল্যাণ বিভাগটোৰ গুৰুত্ব দিয়া হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু মহেন্দ্ৰ মোহন চৌধুৰী হাস্পালত গৰ্ভৱতী মহিলাই লগত বেজী-সূতা লৈ যাৱ নেকি? এই বিষয়বিলাকত বিভাগীয় মন্ত্ৰী মহোদয়ে চকু দিব বুলি আশা ৰাখিলো। শিক্ষাৰ ক্ষেত্ৰত কওঁ শিক্ষাই এটা সভাতাৰ পৰা আন এটা সভ্যতালৈ লৈ যায়। ভেনচাৰ স্কুল বিলাক চৰকাৰী কৰণ কৰিবৰ কাৰণে চৰকাৰে যি নীতি ললে তাৰ কাৰণে চৰকাৰ ধন্যবাদৰ পাত্ৰ। এইটো ভাল চিন্তা কৰিছে। শিক্ষা বিভাগত নিযুক্তি যোগ্যতাৰ মাপ-কাঠিৰে হোৱা উচিত। কিন্তু দেখা গৈছে যে ১০-২০ হেজাৰ টকাৰ বান্দোল দেখুৱাই কিছুমানে এপইটমেণ্ট লৈছে। বেছি দূৰলৈ যাব নালাগে আধা বা ১ কিলোমিটাৰ দূৰত থকা ডি, পি, আই

অফিচলৈ গলে দেখিবলৈ পাব অফিচৰ টেবুলে টেবুলে কোনবা প্ৰিন্সিপাল কোনোবা শিক্ষকে ঘূৰি ফুৰিছে। ২ বা ৩ হেজাৰ টকা অফিচৰ কৰ্ম্মচাৰীক ধৰাই নিদিলে ফাইল তলৰ পৰা ওপৰ মহলালৈ নাযায়। সদনৰ সদস্য সকলে হয়তো কব বিৰোধী পক্ষৰ সদস্য কাৰণে বিৰোধিতা কৰিছে। এইটো মই কোৱা কথা নহয়। দেখা আৰু শুনা কথাহে। শিক্ষা গতিশীল কাৰণে ভেনচাৰ স্কুল চৰকাৰীকৰণ কৰিলে নহব। সেইমতে নিযুক্তিও হব লাগিব। যোগ্যতাৰে শিক্ষাক ভৱিষ্যতলৈ আগবঢ়াই নিব লাগিব। প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ সকলো ক্ষেত্ৰতে ৰাজনৈতিক হস্তক্ষেপ বন্ধ হব লাগে। এই বিষয়ে বিধান সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। কি ইলেমেণ্টৰী কি হাইয়াৰ চেকেণ্ডাৰী কি কলেজ সকলোতে ৰাজনৈতিক হস্তক্ষেপ বন্ধ হব লাগে। আগতে মইও এখন মহাবিদ্যালয়ৰ অধ্যাপক আছিলো। বিদ্যুৎ পৰিষদ আৰু পৰিবহন নিগমৰ এই দুটা বিভাগ বগা হাতীত পৰিণত হব ধৰিছে। পৰিবহন নিগমৰ কোটি কোটি টকা লোকচান হৈছে। বে-চৰকাৰী বাছ মিনি বাছ বিলাক কিয় লোকচান হোৱা নাই। ৰাজ্যিক পৰিবহন নিগমৰ ব্যাপক লোকচান হৈছে। দুৰ্নীতিৰ কাৰণে এইবিলাক হবলৈ পাইছে। যোৱা বছৰ গুৱাহাটীৰ বেচৰকাৰী বাছ আৰু চৰকাৰী বাছৰ লগত তুলনা কৰিলে দেখা যাব বে-চৰকাৰী বাচৰ ব্যাপক লাভ হৈছিল। থিক তেনেকৈ বিদ্যুৎ পৰিষদো ঘৃণাৰ পাত্ৰ হৈছে। চৰকাৰে শাসন কৰাটো ব্যৰ্থ হৈছে। কোনোবা ইঞ্জিনিয়াৰে কেনেকৈ গাড়ী কিনিব পাৰে, অফিচৰ গাড়ীৰে অফিচাৰবিলাকৰ লৰা-ছোৱালী স্কুললৈ অনা-নিয়া কৰিব পাৰে, কেনেকৈ ইংৰাজী স্কুলত লৰা-ছোৱালী পঢ়াব পাৰে এইবিলাক চিন্তাৰ বাহিৰে পৰিষদৰ চিন্তা নকৰে। এ, এচ, ই, বিক বে-চৰকাৰী কোনোবা টাটা, বিল্লা

হাতত তুলি দিলে ভৱিষ্যত বংশধৰ সকল সৰ্ব্বনাশ হব। সেইকাৰণে এই ব্যৱস্থাটোক আমি বিৰোধিতা কৰো। পুলিচ বিভাগটোৰ কথা কোৱা হৈছে—ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি বিচনাত শোৱালৈকে কেৱল টকাৰ চিন্তা। এখন ট্ৰাক ১০ টকাৰ পৰা আৰম্ভ কৰি ক্ৰিমিনেল কেচলৈকে টকা খাব লাগে। উপাধ্যক্ষ মহোদয়, এই বিভাগটো দুৰ্নীতিত পোত যোৱাৰ উপক্ৰম হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই পুলিচ বভাগটোত ব্যাপক দুৰ্নীতি চলি আছে, গতিকে এই দুৰ্নীতিক নিৰ্ম্মূল কৰাৰ কাৰণে আপোনা-লোকে সাহসৰে আগবাঢ়ি আহক, দৃঢ়তাৰে দুৰ্নীতি দমন কৰাৰ কাৰণে ব্যৱস্থা লওক, যদি বিৰোধী পক্ষ্যৰ সদস্যই কোৱা বুলি গুৰুত্ব নিদিয়ে সেইটো বেলেগ কথা কিয়নো আমি বিভিন্ন প্ৰশ্নৰ সময়ত বা বাজেট আলোচনাত এই সদনতে মাননীয় বাননিয়ন্ত্ৰন মন্ত্ৰী, শক্তি মন্ত্ৰীয়ে আক্ষেপ কৰিছে যে চৰকাৰৰ হাতত পইচা নাই। মই পৰামৰ্শ দিব বিচাৰিছো আপোনালোকে চাওক আজি মাৰ্চ্চৰ ২৪ তাৰিখ, এই মাহতো শেষ হবলৈ মাত্ৰ ৫ দিন ওৱকীং দেইজ আছে। এই কেইদিনৰ ভিতৰতে যুদ্ধ কলিন ব্যৱস্থাৰে দিন ৰাতি কাম কৰি বিভিন্ন বিভাগত ইঞ্জিনিয়াৰ, বিষয়া সকলে লাখ লাখ টকা পাৰ্চেন্টিজ লৈ কাম কৰাই লাখ লাখ টকা বেংকত জমা কৰে গতিকে এই ইঞ্জিনিয়াৰ সকলৰ সমস্ত জমা টকা বাজেয়াপ্ত কৰিব লাগে আৰু ৰাজ্যখনৰ বিত্তিয় সংকট দূৰ কৰাত প্ৰয়োগ কৰিব লাগে আৰু মাৰ্চ্চৰ এই কেইদিন যি ধৰণে যুদ্ধকালিন ভাবে কাম কৰা হয় সেইটো এপ্ৰি-লৰ পিচলৈকে চলোৱাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আনহাতেদি আমি কি দেখিছো-এই চৰকাৰৰ দিনত দুৰ্নীতিটো ৰেগুলাৰাইজহে কৰা হৈছে। মই আগতেই সদনৰ দৃষ্টি আকৰ্ষন কৰি অহা ব্ৰহ্মপুত্ৰ

কোঅ'পাৰেটিভ চোচাইটিৰ কথা উনুকিয়াইছিলো য'ত ২১ কোটি টকাৰ আত্মসাতৰ কাহিনী জৰিত আছে, আজিও কও এই দূর্নীতিক প্রশ্রয় নিদিব। মই আহ্বান কৰো আপোনালোকে দূর্নীতিৰ লগত কম-প্রোমাইজ নকৰিব। এই বাৰৰ বাজেট খনক আমাৰ দলৰ ফালৰ ফালৰ লৰা এখন সর্ব্বনাশী বাজেট বুলি অভিহিত কৰিব বিচাৰিছো। যদি সর্ব্বনাশী বাজেট বুলি কব নালাগে তেতিয়াহলে আপোনালোকে চাউল আৰু ঘেহুৰ ওপৰত লগোৱা টেক্সটো পত্যাহাৰ কৰক। তাৰ বিপৰীতে যিবিলাক ভয়াবহ দূর্নীতি বর্ত্তমান ৰাজ্যত বিভিন্ন বিগাগত চলি আছে সেইবিলাক দূৰ কৰাৰ কাৰণে চেষ্টা কৰক, ইঞ্জিনিয়াৰ আৰু বিভিন্ন বিভাগৰ বিষয়া সকলে দূর্নীতি কৰি যিবিলাক টকা-পইচা বেংকত জমা দিছে সেইবিলাক বাজেয়াপ্ত কৰি ৰাজ্যখনৰ আর্থিক অনাটন দূৰ কৰক। তাৰ পাচত আমাৰ সাধাৰণ ৰাইজে যি যাত্রী বাহী বাচত অহা-যোৱা কৰে সেই বাচৰ ওপৰত লগোৱা সেৱা কৰ প্রত্যাহাৰ কৰক। শেষত পুনৰ কব বিচাৰো যদি সর্ব্বনাশী বাজেট বুলি অভিযিত কৰিব নালাগে তেতিয়াহলে ৰাজ্যখনৰ দুখীয়া শ্রেণীৰ ওপৰত লগোৱা কৰ প্রত্যাহাৰ কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* श्री मनी कुमार तुब्रा : माननीय उपाध्यक्ष महोदय, हमारी सरकार के तरफ से इस सदन में 92-93 का जो बजट पेश किया गया है, मैं उसका समर्थन करते हुए इसके बारे में कुछ कहना चाहता हूँ। उपाध्यक्ष महोदय, हमारी सरकार ने जो इस बार बजट पेश किया है वह सरप्लस बजट है। अच्छी तरह से अध्ययन करने पर पता चलाता है कि यह बजट बहुत ही सराहनी एवं उपयुक्त

* Speech not Corrected

है । इसमें जनता की भलाई के लिए खासतौर से गरीबों के लिए विशेष ध्यान रखा गया है। हमारे माननीय मुख्य मंत्री जी जो कि वित्त विभाग का भी काम देखते हैं बड़े विश्वास एवं दृढ़ता का बजट पेश किये हैं, वे असम की जनता के धन्यवाद के पात्र हैं। 92-93 के बजट अभिभाषण में 21, 22, 23, एवं 24 पेज में बजट का जो भाषण है उसमें हेलथ तथा शिक्षा विभाग के बारे में कहा गया है कि असम के विकास के लिए अतिरिक्त धन का प्रावधान रखा गया है। हमारी सरकार ने पिछले सात आठ माहिनों में जो कार्य किया है वह सभी को मालूम है। असम में ही नहीं, बल्कि पूरे भारत में हमारी कांग्रेस सरकार की प्रशंसा की जा रही है। केन्द्र सरकार ने इसकी कार्यकुशलता को देखकर हर संभव सहायता करते के लिए तैयार है। जब हमें विकास का कार्य करना पड़ता है तो कहीं से न कहीं से कहीं से कर लगा ना पड़ता है। यहाँ पर जो कर लगाया गया हे वह उसका प्रभाव अमीर लोगों पर ही पड़ेगा। केन्द्र सरकार ने भी 20 प्रतिशत अपनी आय कर लगा कर ही पूरा कर रही है। जब हमें रोजगार आदि समस्याओं को हल करना पड़ेगा तो बिना कर लगाये यह संभव नहीं हो पयेगा। धन के द्वारा ही हम विकास के काम में तेजी ला सकते हैं।

उपाध्यक्ष महोदय, हमारी सरकार के कार्यों की प्रशंसा विपक्ष के माननीय सदस्य भी करते हैं किन्तु अन्दर से। बाहर से वे लोग आलोचना भी करते हैं यह उनका काम है। आलोचना करने से हमारी सरकार

* Speech not Corrected

सतर्क रहेगी, कोई ऐसा काम नहीं करेगी जिससे जनता का अनाहूत हो। एक बात और है कि जो सरकार जैसा काम करती है जनता भी उसी तरह से अपना फैसला देती है। किन्तु कांग्रेस सरकार को भी अपने मन से नहीं निकाल सकी। इसका कारण है कांग्रेस के अच्छे काय इसका उदाहरण मैं एक दो देना चाहता हूं। किसी भी कारण से 1947 में कांग्रेस की सरकार केन्द्र में गिर में गिर गई। किन्तु अपने अच्छे कार्य के कारण ही श्री नरसिंहा राव की सरकार फिर 1991 में सत्ता में आ गई। इससे पहले 1977 में भी जनता पार्टी की सरकार बनी थी और अपने दुरनीतिनों के कारण गिर गई और दूबारा स्व० इंन्द्रा गाँधी की सरकार सत्या में आ गई। इसी तरह के उदाहरण रुस और चीन में मिलते हैं।

उपाध्यक्ष महोदय, यदि हमारा रास्ता सही और ठीक है तो आलोचना से नहीं घबड़ाना चाहिए। ये हमारे कांग्रेस की नीति है कि अपने ढ़ग से सही कार्य करते जाओ, आलोचना पर ध्यान न दो। हमारे माननीय मुख्य मंत्री जी के नेतृत्व में कांग्रेस की सरकार इस राज्य में शांति एवं सुरक्षा का वातावरण लायी है वह अति प्रशंसनीय कार्य है। आज चारो तरफ कांग्रेस का नाम है। 1983 में जब असम स्टुडेन्ट युनियन का भूकम्प आया था तो यही हमारे माननी मूख्य मंत्री जी ने इस आन्दोलन को आपने बल पर समाप्त तर दिया था और उस समय भी इनकी बहुत प्रशंसा हुई थी। किन्तु केन्द्र सरकार के कारण आन्दोलन के बल पर श्री प्रफूल्ल कुमार महन्त जी मुख्य मंत्री हुए थे। किन्तु अपने दूरनीतियों के कारण वे सफल नहीं हो पाये और दूबारा कांग्रेस सरकार सेकिया जी के नेतृत्व में बनी। अब इसकी कोई किरासन तेल डालकर, कोई डीजल डालकर समाप्त करना चाहता है। इससे हमें सावधान रहना चाहिए। यह बात सभी को मालूम है कि कांग्रेस ही एक ऐसी पार्टी है जो सही सरकार दे सकती है। अत यदि हमें शांति एवं सूरक्षा

हैं वो कांग्रेस पर सैकिया जी के नेतृत्व पर विश्वास रखना चाहिए जो हमारे राज्य के नेतृत्व पर विश्वास रखना चाहिए जो हमारे राज्य के विकास कार्य को आगे बढ़ता रहेगा। इसके साथ ही मैं बजट प्रस्ताव का समर्थन करतेहुए आपना व्यक्तव्ये समाप्त करता हूँ।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে, আমাৰ ভাৰতবৰ্ষৰ সংবিধানৰ অনুচ্ছেদ ১০১ অনুসৰি যিটো চৰকাৰে জেনুৰেল ফাইনেনচিয়েল ৰিপোৰ্ট মাননীয় সদনত উৎথাপন কৰিব লাগে। অনাহাতেদি অনুচ্ছেদ ২০২, ২০৩, ২০৪, ২০৫, ২০৬, ২০৭, এই আটাইকেইটা ৰাষ্ট্ৰ বা ৰাজ্যৰ বিত্ত সম্পৰ্কীয় বিষয়। মুখ্যমন্ত্ৰীয়ে বিত্তমন্ত্ৰী হিচাবে বাজেটত ৩ পৃষ্ঠাত উল্লেখ কৰিছে যে, ৰাজ্যখনৰ অৰ্থনীতিৰ সামগ্ৰিক কমি কাজৰ মূল্যায়নে আমাক এতিয়া আশাৰ মনোভাবেৰে ৰাজ্যৰ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পাতনি মেলিব পৰা কৰি তুলিছে"।

উপাধ্যক্ষ মহোদয়, আমি এটা গুৰুত্বপূৰ্ণ স্তৰত উপনীত হৈছো। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত আৰু অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পাতনি মেলাৰ সময়ত আমাৰ বাজেটত এইটো কথা স্পষ্টভাৱে দেখুৱাব পৰা নাই যে, বিগত ৭টা পঞ্চবাৰ্ষিক পৰিকল্পনাত আমাৰ ৰাজ্যখন কিমানখিনি উন্নতিৰ পথত আগবাঢ়িছে আৰু অষ্টম পৰিকল্পনাত কি আশাৰ বেঙণিৰে আগবাঢ়ি যাবলৈ ওলাইছে।

উপাধ্যক্ষ মহোদয়, যোৱা ১১ মাৰ্চ তাৰিখত সদনত এটা প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে, প্ৰশ্নটো আছিল (ক) ১৯৯১ চনৰ ৩১ মাৰ্চ পৰ্য্যন্তত অসম চৰকাৰে কেন্দ্ৰক পৰিশোধ কৰিব লগীয়া ঋণৰ পৰিমাণ কিমান আছিল ? উত্তৰত কৈছিল ৩৬৩৫ কোটি টকা। (খ) ১৯৯২ চনৰ ৩১ মাৰ্চলৈ এনে ঋণৰ পৰিমাণ কিমান হব ? উত্তৰত কৈছিল ৩৬৮২ কোটি টকা। (গ) এই ঋণ পৰিশোধ কৰিবৰ কাৰণে চৰকাৰে কেনে ধৰণৰ আচনি হাতত লৈছে ? উত্তৰত কৈছে, চৰকাৰৰ বাৰ্ষিক বকেয়া ঋণ পৰিশোধ

অনুসূচী মতে পৰিশোধ কৰা হৈছে। ১৯৯০-৯১ চনত সময় মতে সমূদায় ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে। ১৯৯১-৯২ চনত দিবলগা ঋণৰ ভিতৰত ১৯৯১ চনৰ আগষ্ট মাহত ১৩'১৬ কোটি টকা পৰিশোধ কৰা হৈছে আৰু তাৰ ১০৫'২০ কোটি টকা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাজ্য চৰকাৰৰ পাওনাৰ বিপৰীত সংযোযিত কৰা হৈছে। বকেয়া ঋণখিনি দীৰ্ঘম্যাদী ঋণলৈ পৰিবৰ্ত্তন কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীৰ বাজেত বক্তৃতাৰ 'খ' অংশত এনেকুৱা যদি চোৱা যায় তেন্তে দেখা যায় চৰকাৰখনে আমাক যি বাজেট প্ৰস্তুত কৰি দিছে ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাককলনত ৰিভাইচ এষ্টিমেটত ঘাটি ৫৯ কোটি টকা দেখুৱা হৈছে। মোৰ প্ৰশ্নৰ উত্তৰত দেখুৱা হৈছিল ১০৫'২০ কোটি কেন্দ্ৰৰ পৰা পাব লগা টকা কেন্দ্ৰীয় চৰকাৰে কাটি ৰাখিছে। এইটো সংশোধিত প্ৰাককলনত দেখুৱা হোৱা নাই। মোৰ প্ৰশ্নৰ লগত দিয়া উত্তৰৰ ইয়াৰ মিল নাই। এইটো বাজেটত পৰিস্ফুট হোৱা নাই। চৰকাৰে যদি আচলতে এখন ৰাহী বাজেট দিলেহেতেন তেন্তে আমি ভাল পালোহেতেন। বিৰোধী দলৰ সদস্য সকলে গঠন মূলক সমালোচনাৰ জৰিয়তে পৰামৰ্শ আগবঢ়ালেহেতেন। কিন্তু এই বাজেটখন আচলতে ৰাহী বাজেট হয়নে নহয়? উপাধ্যক্ষ মহোদয় ইয়াত কেইবাটাও বিসঙ্গতি দেখা গৈছে। ঋণ পৰিশোধৰ ক্ষেত্ৰত পৰিকল্পনাৰ টকা কেন্দ্ৰীয় চৰকাৰে কাটি ৰখাৰ কথাটো বাজেটত উল্লেখ কৰা হোৱা নাই। উপাধ্যক্ষ মহোদয়, আমি যদি ভালকৈ বাজেটখন চাও তেন্তে ৫০০ কোটি টকাৰ ঘাটী বাজেট উত্থাপণ কৰা দেখিবলৈ পাম

Non-Plan expenditure will be affected. নন প্লেন এক্সপেণ্ডিচাৰ কমি যাব? ১৯৯১-৯২ চনৰ ৰিভাইচ এষ্টিমেট যি কৰা হ'ল প্ৰশ্নৰ উত্তৰৰ সৈতে তাৰ সঙ্গতি নাই। ৰিভাইচ এষ্টিমেটত চৰকাৰৰ স্থিতি পৰিষ্কাৰ হব লাগে। কিন্তু ১৯৯২-৯৩ বাবে চনৰ উৎথাপিত বাজেটত এইটো উল্লেখ হোৱা নাই। এনুৱেল ফাইনেনচিয়েল ষ্টেটমেণ্ট ইয়াত দিয়া হৈছে। বিত্ত মন্ত্ৰীৰ দায়িত্ব থকা মুখ্যমন্ত্ৰীয়ে বাজেট বক্তৃতাত ৬০০ কোটি টকা ক্ৰুড অয়লৰ ৰয়েলটিৰ পৰা ১৯৯১-৯৩ চনত পাব আৰু চাৰপ্লাচ হব বুলি কৈছে ৭৬ কোটি টকা। শ্ৰী ইচৰণ কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিছে। অন্যহাতে অসম আৰু গুজৰাটে ৫০০ কোটি টকা প্ৰতি টনত তেলৰ ৰয়েল্টি পাব লাগে বুলি দাবি কৰিছে। কিন্তু এই কমিটিৰ ৰিপোৰ্ট ভাৰত চৰকাৰে এতিয়াও গ্ৰহণ কৰা নাই। বিত্ত মন্ত্ৰীয়ে এই কমিটিৰ ৰিপোৰ্ট বাজেটৰ লগত গাঠি দিব লাগিছিল। উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী তথা মুখ্য মন্ত্ৰীয়ে যেতিয়া ৭৬ কোটি টকাৰ এখন বাহী বাজেট উপস্থাপন কৰিছে, তেনেহলে কৰ লগোৱাৰ কি যুক্তি থাকিব পাৰে? চাউল, আটা, জুইশলা আদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ ওপৰত কৰ লগোৱাৰ কি যুক্তি থাকিব পাৰে? আমি এডিচনেল ৰিচোৰ্চ মবিলাইজেচন কৰাত আপত্তি নকৰো। কিন্তু চৰকাৰে বাহী বাজেট উত্থাপণ কৰি কৰ লাগাব্বাৰ যুক্তি বা প্ৰয়োজন আমি দেখা নাই। বাজেটখনত বিসঙ্গতি আৰু আছে। উপাধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰীয়ে এই বছৰৰ বাজেটত যিটো হিচাব নিকাচ দেখুৱাইছে তাতো বিসঙ্গতি আছে। মুখ্যমন্ত্ৰীয়ে বক্তৃতাত উল্লেখ কৰিছে যে আমি ৮ম ৫ম বাৰ্ষিক পৰিকল্পনাত প্ৰবেশ কৰিছো—ইয়াত ভৱিষ্যত ৫ বছৰৰ কাৰণে অৰ্থনৈতিক পৰিস্থিতিৰ এটি আভাষ দিব পাৰিব লাগিছিল। বাজেটত কেন্দ্ৰীয়

চৰকাৰক ধাৰ পৰিশোধ কৰিব পৰা নাই। এই ঋণ লং টাৰ্ম ঋণলৈ কনভাৰ্ট কৰাৰ কথা কৈছে। এইটো কেন্দ্ৰীয় চৰকাৰে মানিবও পাৰে নেমানিবও পাৰে। পশ্চিমবঙ্গৰ বিত্ত মন্ত্ৰী শ্ৰীএ দাসগুপ্তই এখন 'জিৰ' বাজেট উত্থাপণ কৰিছিল। পশ্চিমবঙ্গ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বহু কোটি টকা দিব লাগে। যদি কেন্দ্ৰীয় চৰকাৰে এই ঋণ যাক কৰাৰ দাবী মানি নোলোৱা বাবে পিচৰ বছৰত পশ্চিমবঙ্গ চৰকাৰৰ যথেষ্ট কঠিন সমস্যাৰ সম্মুখীন হব লগা হয়? আমাৰ চৰকাৰে বাজেটৰ [illegible] অনুসৰন কৰিছে। যদি আমাৰ চৰকাৰে ধাৰ পৰিশোধ কৰিব নোৱাৰে তেন্তে এই বছৰত আমাৰ ঘাটী ৫০০ কোটি টকা হবগৈ। আনহাতে উপাধ্যক্ষ মহোদয়, আপুনি জানে যে প্লেনৰ পৰা এই বছৰ শতকৰা ১০ ভাগ কটা হৈছে। কেন্দ্ৰীয় চৰকাৰে প্লেন এচিষ্টেন্সৰ পৰা শতকৰা ১০ ভাগ এইবাৰ কাটিছে। আমাৰ সম্পদ আহৰণৰ কাৰণে দুটা উৎস আছে—এটা হৈছে প্লেন আৰু আনটো হৈছে নন-প্লেন। প্লেনৰ পৰা আহে কেন্দ্ৰীয় চৰকাৰৰ এচিষ্টেন্স আৰু নন প্লেনৰ পৰা আহে টেক্স এণ্ড নন টেক্স ৰিভিনিউ, চেয়াৰ অব চেন্ট্ৰেল টেক্স আমি পাও। নবম বিত্তীয় আয়োগৰ পৰা পাও।

Under the award of 9th Finance Commission পূৰণ কৰিব লাগিব। উন্নয়নৰ কাম একো নহব। ১৯৭৯ চনত নন প্লেনৰ টকা আছিল ২৫৫ কোটি, ১৯৯২-৯৩ চনৰ হিচাপত দেখা গৈছে ১৭৮৭ কোটি টকা। ১৯৭৯-৮০ পৰা ১৯৯১-৯২ লৈ এনুৱেল ফাইনেনচিয়েল ষ্টেটমেণ্টত গ্ৰথ ৰেট দেখুৱা হৈছে শতকৰা ১৬ ভাগ। ১৯৯০, ৯১, ৯২ চনত ১৩ শতাংশ আৰু ১৯৯১, ৯২, ৯৩ ত ১২ শতাংশ বৃদ্ধি দেখা গৈছে। ১৯৯৩, ৯৪, ৯৫ চনত ১২ শতাংশ বৃদ্ধি পাব বুলি অংক কৰা হৈছে। ১৯৯৩, ৯৭, ৯? চনত নন প্লেন ৰেভিনিউ

এক্সপেণ্ডিচাৰ ৪২৫০ কোটি টকা হবগৈ। ২ বছৰত ৪২৫০ কোটি টকা। আমি নবম বিত্তীয় আয়োগৰ পৰা প্লেনৰ শিতানত কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য কম পাম। নবম বিত্তীয় আয়োগৰ এৱাৰ্ড ৩১-৩-৯৫ ত শেষ হব।

এই মাননীয় সদনত দিয়া হিচাব মতে বৰ্তমান টেক্স ৰিভিনিউ প্ৰত্যেক বছৰে বৃদ্ধি দেখুৱা হৈছে। নন টেক্স ৰেভিনিউৰ ক্ষেত্ৰত কেৱল ক্ৰুড অইল এ ৰেভিনিউ আনিব পাৰে। তাৰ বাহিৰে অন্য উৎস নাই। নন টেক্স ৰেভিনিউ বাজেটতত ১৯৯১/৯২, চনত ৬৮ কোটি টকা দেখুৱা হৈছে। ইয়াত ৬০০ কোটি টকা এৰিয়াৰ পাব। সেইটোও সন্দেহজনক। যদি পায় সুবিধা হব আৰু যদি নাপায়, এই ক্ষেত্ৰত চৰকাৰ নিমাত। পাম বুলি যিটো দেখুৱা হৈছে নন টেক্স ৰেভিনিউ ১৯৯২/৯৩ চনত ৮৩.১৭ আৰু লগত এৰিয়াৰ। এইটো ১৯৯৩/৯৪ ৯৪/৯৫ প্ৰত্যেক বছৰে ৪৩৪ কোটি। চেণ্ট্ৰেলএ ক্ষাইজ যিটো দেখুৱা হৈছে, ১৯৯২/৯৩'৪ কোটি চাৰি লাখ হৈছে। মুঠতে শতকৰা ৫% পৰা ৮% ভিতৰত গ্ৰোথৰেট। ১০৬০ কোটি টকা হৈছে চেণ্ট্ৰেল চেয়াৰ। টোটেল নন প্লেন ৰেভিনিউ হব ৩৬০০ কোটি টকা। নন প্লেনত যদি ২শ কোটি টকা পোৱা যায় আৰু নন প্লেন ৰেভিনিউ ৩৬৩ কোটি টকা হলে ১৯৯৩/৯৪ আৰু ৯৪/৯৫ চনত ৬৫০ কোটি টকাৰ এটা ব্যৱধান হবগৈ। বৰ্ত্তমান হাউচত যিটো বাজেটতত দেখুৱা হৈছে সেই অনুসৰি ১৯৯১।৯২ আৰু ৯২।৯৩ চনত বিভিন্ন ৰিচিপট দেখুৱা হৈছে আৰু ক্ৰুড অইলৰ ৰয়েলিটি পাব লাগে বুলি ধৰিছে। আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিধান সভাত কৈছে যে এই বিষয়ে কেন্দ্ৰিয় চৰকাৰৰ ওচৰত অনুৰোধ জনোৱা হৈছে। কিন্তু সেই অনুৰোধ যদি কিবা কাৰণত মানি নলয় তেন্তে ১৯৯৪/৯৫ চনত দুই হাজাৰ কোটি টকাৰ ডেফিচিটৰ সন্মুখীন হব। চৰকাৰ যিয়েই নাথাকক লাগিলে বিৰাট

এটা সমস্যাৰ উদ্ভাৱন হব। ৬৫০ কোটি টকাৰ ধাৰ কেনেকৈ মাৰিব ? জনসাধাৰণৰ ওপৰত লগোৱা টেক্সৰ পৰা ৪০ কোটি টকা পালেও সেই টকাৰে ৬৫০ কোটি টকাৰ ধাৰ নমৰিব। সাধাৰণ জনসাধাণৰ নিত্য ব্যৱহাৰ্য্য বস্তুৰ ওপৰত যিটো টেক্স লগাইছে মই গোটেই খিনি বহলাই কব খোজা নাই এইটো অতি সাধাৰণ জনসাধাৰণৰ বাবে গধুৰ বোজা। এই বস্তু বিলাকৰ ওপৰত টেক্স লগাওতে তেওঁলোকে এইটোও নাচালে যে এক্সজিচটিং টেক্স কিমান আছিল ? ইয়াৰ ওপৰিও যদিও চৰকাৰে খৰছ কমোৱাৰ কথা ব্যক্ত কৰিছে তথাপিও আমি দেখা পাইছো সেই খৰচ কমাব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা যিটো অৰ্থনৈতিক খৰছ কমোৱাৰ কথা কৈছে সেইটো গ্ৰহনযোগ্য হব নে নহয় যিবিলাক প্ৰশ্ন উঠিছে তাৰ যথাযথ উত্তৰ পালেহে কব পৰা যাব এই বাজেট প্ৰকৃততে ৰাহি বাজেট হৈছে নে নাই ?

(at this point of time at around 1152 AM Hon'ble Speaker entered the House and occupied the Chair).

চৰকাৰে চাৰপ্লাচ বাজেট দেখুৱাইছে কিন্তু প্ৰকৃতপক্ষে ৰাইজৰ আশা আকাংশাৰ পূৰণৰ বাজেট হৈছে বুলি কব নোৱাৰি। এই বাজেটত ৰাইজক আশা আকাংশাৰ ৰেঙনি দেখুৱা হৈছে নে ? কিন্তু লগতে ককাল ভঙাকৈ নিত্যব্যৱহাৰ্য্য বস্তুৰ ওপৰত কৰ লগোৱা হৈছে। চাউল আৰু ঘেহুৰ ওপৰত টেক্স লগোৱা হৈছে। কিন্তু ইফালে আকৌ দুটকাকৈ চাউল দিব বুলিও ঘোষণা কৰিছে। বিষয়টো আমাৰ অসম চৰকাৰে ক্লেয়াৰ কৰি দিব লাগে। তেতিয়াহে বাজেটৰ প্ৰকৃত স্বৰূপ ওলাই পৰিব।

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই বিগত বিত্ত মন্ত্ৰী শ্ৰী মতিৰাম দাস ডাঙৰীয়াৰ বাজেট বক্তৃতাৰ পৰা এটা উদ্ধৃতি পঢ়ি দিব বিচাৰিছো।

"It is needless to repeat before the Hon'ble Members how Assam has been made a victim of an inequitable financial arrangement and how systematically she has been given a step-montherly treatment, as this has become a past history now."

আৰু বহুতো আছে। মই মাত্ৰ এই খিনিকে উল্লেখ কৰিলো। এই বাজেটত উল্লেখ হৈছে যে শ্বাশনত থাকিলেও অসমৰ প্ৰতি কেন্দ্ৰিয় চৰকাৰৰ যি বৈষ্যম আছে সেইটোৱেই উৎভাষিত হৈছে। অসম চৰকাৰৰ প্ৰতি যি শতকৰা ৯০ ভাগ গ্ৰাণ্ড হিচাবে আৰু শতকৰা ১০ ভাগ লোন হিচাবে দিয়া কথা আছিল, সেইটো কৰা হৈছে নে নাই? ১৯৯২/৯৩ চনত পৰিকল্পনাত মুঠ ৯৬০ কোটিহে ধৰা হৈছে। গতিকে হিচাপত শতকৰা ১০ ভাগ ঋনৰ ঠাইত ২৬ শতকৰা ঋণৰ ধৰা দেখা গৈছে। এইটো কিয় হৈছে? এই সম্পৰ্কত অশেষ উদাহৰণ আছে। সৰ্ব্বভাৰতীয় ভিত্তিত ইনকাম বঢ়া দেখা গৈছে। এইখিনিতে এটা গল্প কওঁ। এখন হোটেললৈ ৭ জন মানুহ একেলগে খাবলৈ সোমাল ওলাই আহি কলে আমি প্ৰত্যেকেই দুটাকৈ ৰসগোল্লা খালো, আচলতে দুজনে বেচিকৈ খায় বাকী প্ৰত্যেকে এটাকৈ খালে। নেচনেল ইনকাম মানে টাটা বিৰলা আদি কেপিটেলিষ্ট সকলোকে ধৰি ইনকামটো টোটেল কৰি দেখুৱালেই হয় নেচনেল ইনকাম। কিন্তু আচলতে ৰাজ্যৰ বা দেশৰ প্ৰত্যেকৰে অৱস্থা কি হৰ? ইফালে কেন্দ্ৰিয় চৰকাৰে ১৯৯০/৯১ চনত দেখুৱাইছে গাখীৰৰ উৎপাদন ৫৪.৯৩০ মেট্ৰিক টন কনি ২১.৩৪৩, মাহ ৩৮৩০ হাজাৰ মেট্ৰিক টন। আমাৰ ৰাজ্যত উক্ত সামগ্ৰী বিলাকৰ উৎপাদন কিমান? আমাৰ ৰাজ্য চৰকাৰে কৰ পাৰিবনে? আমাৰ বাজেটত তাৰ উল্লেখ কৰিছে নে? আমাৰ যিটো গ্ৰেড গিল

ফৰমুলা যিহেতু অসমত্ত চেণ্ট্ৰেল চেয়াৰ অসমত ৫.৭, উত্তৰ প্ৰদেশত ১৩.৫ মধ্য পদেশত ৭.৭, ধৰণে দিয়া হৈছে এইটো ১৯৭১ চনৰ পৰা ১৯৯১ চনলৈ চলি আছে।

অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে এগ্ৰিকালচাৰ ইনকমৰ ওপৰত যিটো দেখুৱা হৈছে সেইটো ১৯৯০-৯১ চনত ৯০, ২০, ১৬, ৭৪২ টকা দেখুৱা হৈছে কিন্তু ৰিভাইচড্ হৈ ১৯৯২-৯৩ চনত কেনেকৈ ৫৮ কোটি টকা হ'লগৈ? ইমান ব্যৱধান কেনেকৈ হ'ল চৰকাৰে কব পাৰিব নেকি? ৰেটচ এণ্ড চেচ্অন লেণ্ডৰ ক্ষেত্ৰত ১৯৯২-৯৩ চনত ত্ৰিশ কোটি সাতান্নবৈ লাখ টকাৰ ঠাইত ১৯৯২-৯৩ চনত ত্ৰিশ কোটি টকা ধৰা হৈছে মাত্ৰ। এইটো সাতান্নবৈ লাখ টকা কিয় কেনেকৈ কমি গ'ল ধৰিব পৰা নাই। আমাৰ কবলৈ বহুত আছিল কিন্তু আপুনি সোনকালে শেষ কৰিবলৈ দিয়াৰ বাবে মই চমুৱাব বিচাৰিছো।

শ্ৰী যতীন মালী : চাৰ, আমাৰ দলৰ সময় আছে।

মাননীয় অধ্যক্ষ : আজি সোনকালে শেষ কৰিব লাগিব।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ, তাৰ উপৰিও নৰসিংহম কমিটিৰ ৰিপোৰ্টৰ বিষয়ে ইণ্ডিয়া ৰিচোৰ্চত ওলাইছে। মই গোটেইখিনি পঢ়ি দিব খোজা নাই। কাগজ খন আপোনাক দিব পাৰিম চাৰ। বেংক বিলাকে কেনেকৈ ফাইনেন্স কৰিব লাগে সেই সম্পৰ্কত নৰসিংহম কমিটিৰ ৰিপোৰ্টত ভাল ভাবে উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, এতিয়া আমি বাজেট বক্তৃতাৰ আন আন দিশৰ পিনে আঙুলিয়াব খোজো। কিন্তু এটা বৰ দুখ লগা কথা হৈছে যে যোৱা কালি

লাহৰিঘাট সমষ্টিৰ মাননীয় সদস্য চামচুল হুদা ডাঙৰীয়াই ব্যক্তিগত আক্ৰমণাত্মক কথা কিছুমান কৈছে। সদনত এইটো প্ৰায়ে দেখা গৈছে যে এনে ভাবে ব্যক্তিগত আক্ৰমণ কৰি কথা কোৱা আৰম্ভ কৰিছে। সেইটো অতি দুখ লগা কথা। এই সম্পৰ্কত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ পৰা স্পষ্ট নিৰ্দ্দেশ দিয়াৰ কাৰণে অনুৰোধ জনাইছো। তেখেতে কৈছিল যদিও এতিয়া উপস্থিত নাই। কিন্তু এনে বিলাক ব্যক্তিগত আক্ৰমণৰ কথা বন্ধ থাকিব লাগে।

( ভইচ : কালি এবচেণ্ট থাকোতেই কৈছিল )

অধ্যক্ষ মহোদয়, মই লিখা কিতাপ খনৰ কিমান পৃষ্ঠা আছিল আৰু তাৰ প্ৰিফেচত কি লিখা আছিল ইত্যাদি কথা তেখেতক যদি সোধা হয় নিশ্চয় কব নোৱাৰিব। মই এল-এল-এমত নাভ ভৰ্ত্তি কৰিছিলো। কিন্তু সাহিত্যিক হবিলৈ বুলি কিতাপ লিখা নাছিলো। ছাত্ৰ বিদ্যাৰ আমি পেপাৰ চাবমিট কৰিব লাগে আৰু সেই পেপাৰখনকে কোনোবাই প্ৰকাশ কৰিবলৈ বিচৰাত প্ৰকাশ কৰিবলৈ দিয়া হৈছিল। তাৰ কাৰণে মোৰ সাহিত্যিক হোৱাৰ বাসনা নাছিল। কিন্তু যি জন মাননীয় সদস্যাই এই কথা সদনত উল্লেখ কৰিছে সেই জন সদস্যৰ মই ব্যক্তিগত কথা কবলৈ নাযাওঁ কিন্তু হাইকোৰ্টত তেখেতৰ কি কেচ আছিল আৰু তেখেতে নিজেও উকীল বুলি ইয়াত জনাইছিল যেতিয়া তেখেতৰ হাইকোৰ্টৰ কেচৰ কাৰণে এফালে আব্দুল মুহিম মজুমদাৰ আৰু অন্যফালে সুৰেন মেধী ডাঙৰীয়া উকীল থকা কথা আমি জানো। কিন্তু কেচ কি কাৰণত আছিল ব্যক্তিগত বুলিয়েই ইয়াত উল্লেখ কৰিব নিবিচাৰো কিন্তু অধ্যক্ষ মহোদয় তেখেতক অধ্যক্ষৰ কোঠাত মাতি নি সুধিব পাৰে। ব্যক্তিগত আক্ৰমণ কৰা মাননীয় সদস্যাই হয়তো

এইটো কথা নাজানে যে আমি বিশ্ববিদ্যালয়ত কাপোৰ ধুই মেলি নিজে পিন্ধাৰ কথাই নহয় মই মুখ্য মন্ত্ৰী হৈ থাকোতেও নিজৰ কাপোৰ নিজেই ধুইছিলো, নিজৰ চেণ্ডেলত নিজে ৰং লগাইছিলো। ৰাতিপুৱা সোনকালে উঠিয়েই কাম নিজৰ খিনি নিজে কৰিছিলো। ৰাতি শোৱাত দেৰী হলেহে পুৱা উঠাত কেতিয়াবা দেৰী হৈছিল। কাপোৰ ধুই লৈছিলো আৰু এতিয়াও নিজে ধোঁও নিজে চেণ্ডেলত ৰং লগাওঁ। কিন্তু ইস্ত্ৰি কৰাৰ কাৰণে ধোবাক দিওঁ। আমাৰ এটা কথা লক্ষ্য কৰিব লাগিব যে আমাৰ কাপোৰ যিয়ে ধোৱে সেই ধোবাজন চিডিউল কাষ্টৰ, চুলি কটা নাপিত জন চিডিউল কাষ্টৰ, চেণ্ডলত ৰং লগোৱা মুচিজন চিডিউল কাষ্টৰ, কিন্তু এই সকলো বিলাকে কৰি দিয়া কামৰ ওপৰত যেতিয়া আমি সাজি কাঁচি ওলাই যাওঁ তেতিয়া আমি হাইকাষ্ট হৈ যাওঁ। আচলতে আমাৰ নিজৰ কাম নিজে কৰাতো মোৰ নিজৰে নহয় আমাৰ সকলোৰে দৈনন্দিন জীৱন যাপন প্ৰনে ধৰণৰেই। তেখেতৰ পইচা পাতি আছে কাৰণে নিজে কাপোৰ নুধুই ধোবাক দিব পাৰিব কিন্তু আমাৰ তেনে কাম বিলাক দৈনন্দিন অভ্যাসত পৰিণত হৈছে বিশ্ববিদ্যালয়ৰ দিনৰ পৰাই। এই বিলাক কথা বাদ দিলো অধ্যক্ষ মহোদয়, কিয়নো এই বিলাক ব্যক্তিগত কথা। ব্যক্তিগত আক্ৰমণ সদনত কৰাতো উচিত নহয়। কথাৰ মাচতেহে এইটো ওলাই পৰিল। আচলতে আপুনি তেনে ভাবে ব্যক্তিগত ভাবে কৰা আক্ৰমাত্মক কথা বিলাক বন্ধ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বাজেট সম্পৰ্কে বহুত কথাই কবলগীয়া আছে। বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট তৈয়াৰ কৰোতে অত্যাবশ্যকীয় সামগ্ৰীৰ ওপৰত কৰ লগোৱাৰ দ্বাৰা দুখীয়া জনসাধাৰণৰ ওপৰত

হেঁচা প্ৰয়োগ কৰা হৈছে। যান বাহনৰ ওপৰত কৰ লগোৱাৰ ফলত পৰোক্ষ ভাবে তাৰ ফলাফল পৰিব সাধাৰণ মানুহৰ ওপৰত। চাউলৰ ওপৰত কৰ লগোৱাৰ ফলতো ক্ষতিগ্ৰস্ত হব সাধাৰণ জনসাধাৰণ। এই বিলাক কথা বিবেচনা কৰি চাব লাগে। এই কথা বিলাক বিবেচনা নকৰিলে জনসাধাৰণেই দুৰ্ভোগ ভূগিব লাগিব। প্ৰফেচনেল টেক্সৰ কথাটোও বিবেচনা কৰি চাব লাগে। চেল টেক্স যদি ৰেহাই দিয়া নহয় তেতিয়া হলে চাউলৰ কাৰণেই দুখিয়া মানুহৰ সৰ্ব্বনাশ হব। যেহেতু টেক্স ৰেহাই দিব লাগে। তাৰ সলনি আমাৰ অসমৰ যি কেচা সামগ্ৰী সেইটো অসমতে খৰচ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ নিজা কেচা সম্পদৰ পৰাই বছৰি পাচ কোটি টকা পাব পৰা হয়। এগ্ৰিকালচাৰৰ ইনকাম টেক্স ৩৭ কোটি টকা কম আছে। চাহবাগানৰ পৰাই এগ্ৰিকালচাৰৰ সৰহসংখ্যক ৰাজহে পোৱা হয় কিন্তু ১৯৯১-৯২ চনত ৯৫ কোটি দেখুৱাইছে যদিও ১৯৯২-৯৩ চনত ৫৮ কোটিহে দেখুৱা হৈছে। ইমান কম কেনেকৈ হব পাৰে বুজিব পৰা নাই। চাহৰ ক্ষেত্ৰত কৰ বেছিকৈ ধৰিলে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক কাঠামোত সহায়ক হব। ইয়াৰ দ্বাৰা আমাৰ অৰ্থৰ শিতানত যথেষ্ট টকা আহিব। তাৰ কাৰণে ব্যয় কৰিব পাৰিলে সুবিধা জনক হব আৰু তাৰ কাৰণে সুবিধাও আছে। তাৰ উপৰিও কেচা সামগ্ৰীৰ পৰা আমাৰ যথেষ্ট টকা লাভ কৰিব পৰা হব। তেতিয়া হলে সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত কৰৰ বোজা নিদিয়াকৈ কাম হব।

অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় লব খোজা নাই। এই খিনি সময় দিয়া কাৰণে আপোনাক ধন্যবাদ জনাইছো আৰু ইয়াতে শেষ কৰিছো।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য মহন্ত ডাঙৰীয়াই যিটো পৰামৰ্শ দিলে সেইটো ব্যক্তিগত আক্ৰমণ কৰালৈ। সেইটো যাতে ভবিষ্যতলৈ আজিৰ পৰা কোনো মাননীয় সদস্যই সদনত উত্থাপন নকৰে তাৰ কাৰণে সকলো মাননীয় সদস্যকে অবগত কৰালো। এইটো যাতে কৰা নহয় তাৰ কাৰণে সকলো মাননীয় সদস্যই চাব লাগে।

Now, I inform the House that former Hon'ble Speaker of Lok Sabha Shri Durdayal Singh Dhillon died yesterday at Delhi and we are to make an obituary reference today. Therefore, I request the Hon'ble Chief-Minister to reply to Budget Discussions as there will be no sitting after obituary today. So there will be no afternoon session today. Now, Hon'ble Chief Minister to reply.

* শ্ৰী হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাজেট সম্পৰ্কে মাননীয় সদস্য সকলে নানান আলোচনা আৰু পৰামৰ্শ আগবঢ়াইছে। তাৰ বাবে মই মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো। মই প্ৰথমতে কব খুজিছো যে বাজেট উত্থাপন কৰাৰ সময়ত বাজেটৰ কিছু কথা প্ৰকাশ পাইছে বুলি আৰু সেই কাৰণতে বিৰোধী দলৰ সদস্য সকলে সেই দিনা সদন কক্ষ ত্যাগ কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত যিখিনি কথা প্ৰকাশ পাইছে সেইখিনি বাজেটৰ গোপনীয় কথা নহয়। আমাৰ প্লেন

ডিচকাচনৰ পিছত যিখিনি টকা পোৱা যায়, বিভিন্ন বিভাগৰ যিটো এলোকেচন সেইটো বিভাগৰ ফালৰ পৰা প্ৰকাশ কৰা হয়। এইবাৰ আমাৰ প্লেন এলোকেচন ৯৬০ কোটি টকা পোৱা হৈছে। সেই সম্পৰ্কে জানুৱাৰী মাহৰ ১০ তাৰিখে পি এণ্ড ডিৰ পৰা এখন চাৰ্কুলাৰ প্ৰকাশ কৰিছিল। সেই চাৰ্কুলাৰখনৰ কিয়দংশ জনক্ৰান্তি আৰু অসম বাণী নামৰ কাকত দুখনত প্ৰকাশ পাইছিল। আৰু সেইখিনিকেই বাজেটৰ গোপনীয়তা প্ৰকাশ পোৱা বুলি মাননীয় বিৰোধী দলৰ সদস্য সকলে সদন কক্ষ ত্যাগ কৰিছিল। এই সম্পৰ্কে চেন্টিনেল কাকতবো ২১ জানুৱাৰীৰ সংখ্যাত কপিজ ৯৬৪ বুলি প্ৰকাশ পাইছিল। সেয়েহে যিটো কাৰণত মাননীয় বিৰোধী দলৰ সদস্য সকলে সেইদিনা খন সদন ত্যাগ কৰিছিল সেইটো আচলতে সদন ত্যাগ কৰিবলগীয়া কথা নাছিল। কিয়নো প্লেন এলোকেচনৰ কথা বাতৰি কাকতত প্ৰকাশ পোৱা মানে ৰাজ্যিক বাজেটৰ গোপনীয়তা প্ৰকাশ পোৱা কথা নুবুজায়।

অধ্যক্ষ মহোদয়, মই মোৰ বাজেট বক্তৃতাত কৈছো যে খাৰুৱা তেলৰ ৰয়েল্টি ৭২৪ কোটি টকা পাব মেট্ৰিক টন পাম বৰ্ত্তমান ৩১৪ কোটি টকা পায় আছো। আমাৰ ৰিপোৰ্টমতে ৭১৪ কোটি টকা পাব লাগে সেই হিচাৱে ১/৪/৯০ৰ পৰা আমাৰ পাবলগা দিউ হৈছে বছৰি ৪০০ কোটিকৈ ৮০০ কোটি টকা। এতিয়া আমাক ৫ মিলিয়ন মেট্ৰিক টনৰক কাৰণে ৰয়েল্টি দি আছে। গতিকে ৪০০ × ৫ = ২০০০ টকা পাম বুলি ধৰা হৈছে আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়াই আমি বিছৰাতো কম হোৱা বুলি কৈছে কিন্তু আমি যিখন স্মাৰকপত্ৰ দিছিলো তাত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল।

calculation of the value of Assam Crude Oil in a particular year which on the basis of imported crude including custom duty does not pose any problem. As regards the second method, a calculation has been made about the value of Assam Crude by reference to standard product.

সেই হিচাবে আমি ৭৪০ কোটি পাব লাগে আৰু আমি ৭২৪ কোটি টকা ধৰিছো। আমাৰ মাননীয় সদস্য শ্ৰী পমোদ গগৈ ডাঙৰীয়াইও কৈছে যে নপোৰাতেই আমি বাজেটত ধৰিছো। অধ্যক্ষ মহোদয় এই বাজেট প্ৰস্তুত কৰা সময়ত মই দিল্লীলৈ গৈছিলো আৰু দিল্লীত গৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী আৰু তেল আৰু উদ্যোগ মন্ত্ৰীক লগ পাইছিলো। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে ৰয়েলটি বাবদ আমি এইখিনি টকা পাও আৰু সেইখিনি আমি বাজেটত ধৰিছো। তেখেতে কৈছিল যে এই বিষয়ত সম্পূৰ্ণ সমৰ্থন দিছে। মাননীয় সদস্য সকলে জানে যে অয়লৰ ৰয়েলটি বঢ়োৱা সম্পৰ্কত তিনি জন মন্ত্ৰীয়ে সিদ্ধান্ত লয় বিত্ত মন্ত্ৰী, তেল মন্ত্ৰী আৰু পৰিকল্পনা মন্ত্ৰী। মই ইতিমধ্যে বিত্ত মন্ত্ৰীক লগ ধৰিছো তেল মন্ত্ৰীকো লগ কৰিছো। পৰিকল্পনা মন্ত্ৰীক অৱশ্যে লগ কৰা নাই। কিন্তু বিত্ত মন্ত্ৰী মহোদয়ে ৰাজহুৱা ভাৱে কমিটী কৰাৰ পিছত তাতকৈ নিশ্চয়তা একো হব নোৱাৰে। অধ্যক্ষ মহোদয় বিত্ত মন্ত্ৰী মহোদয়ে ইতিমধ্যে গুৱাহাটীলৈ আহিছিল আৰু তেখেতে বাতৰি যোগনিয়াৰ সকলক কৈছে যে অসমৰ যিটো প্ৰাপ্য তেলৰ ৰয়েলটি সেইটো সোনকালে মুকলি কৰি দিয়া হব। তেখেতৰ এই স্পষ্ট ঘোষণাটি সকলো কাগজতে প্ৰকাশ পাইছে। এয়া বিত্ত মন্ত্ৰী মহোদয়ৰ প্ৰতিশ্ৰুতি নহয় জানো। বিত্তমন্ত্ৰী মহোদয়ে স্পষ্ট ভাষাত কৈছে যে

অসম চৰকাৰে কেন্দ্ৰৰ পৰা ৰয়েলটিৰ বাবদ পাব লগা টকাখিনি শীঘ্ৰে মুকলি কৰি দিয়া হব এইকথা অসম ট্ৰিবিউন, ছেন্টিনেল, নৰ্থ ইষ্ট টাইমছ আজি অসমৰ সকলো পেপাৰে প্ৰকাশ কৰিছে। বিত্ত মন্ত্ৰী মহোদয়ক মই দুবাৰ লগ ধৰিছো আৰু দুয়োবাৰতে তেখেতক মই ৰয়েলটিৰে বিষয়টো প্লেচ কৰিছো আৰু তেখেতৰ সন্মতিতে বাজেটত সন্নিবিষ্ট কৰিছো। প্ৰাক্তন মূখ্যমন্ত্ৰী ডাঙৰীয়াই চুড়ান্ত সিদ্ধান্ত দিয়া নাই বুলি কৈছে কিন্তু বিত্ত মন্ত্ৰীৰ ৰাজহুৱা ঘোষণাৰ পিছত আৰু কি সিদ্ধান্ত লাগে। প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ যদি ৬০০ কোটি টকাও দিয়ে তেতিয়াও আমাৰ মাত্ৰ ১৫০ হে কম হব। ১৯৯১-৯১ চনত ৩১৩ কোটি টকা ঘাটিৰ যদি অয়লৰ ৰয়েলটিৰ নহোৱাকৈয়ে ৫৯ কোটি টকা আনিব পৰা হৈছে গতিকে সামান্য ঘাটি পূৰণ কৰা অসম্ভৱ নহব।

এতিয়া মই টেক্সৰ কথালৈ আহিব খুজিছো। ট্ৰেক্সৰ ক্ষেত্ৰত নানা সমালোচনাই হৈছে। ইয়াৰ আগতে মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই পাব্লিক ডেক্টলৈ অঙুলিয়াই দি এইখন কেনেকৈ ৰাহি বাজেট হব পাৰে বুলি কৈছে। কিন্তু এইখিনিতে মই কব বিচাৰিছো ঋণৰ ওৰ পেলাই হলেও আমি যদি এনেকৈ গলে ৩৪ কোটি টকা ৰাহি হব বুলি ইতিমধ্যে এটা অংক উলিয়াইছো। আপোনালোকে জানে ১৯৯০ চনলৈকে ৰাজহুৱা ঋণৰ পৰিমাণ আছিল ৩৮৩৭ কোটি টকা। সেই ঋণৰ বোজা কিছু পৰিশোধ কৰা হৈছে। সেই ঋণৰ সময়তে যদি শৰ্মা ডাঙৰীয়া মন্ত্ৰী থাকোতে যদি ৰাহি দিব পাৰিছিল। এতিয়া আমি ৩৪ কোটি টকা ৰাহি দেখুৱাত কি ভুল হব পাৰে।

৩৬ কোটি টকা ৰাহি দেখুৱাইছো। ১৯৮৯-৯০ চনত ১১৫৭.৮৯ কোটি টকা ৰিচিপ্ত আছিল আৰু পৰিশোধ কৰিছে ৫৭১.৭৫ কোটি টকা বাকীখিনি দেষ্ট ৰাখি থৈছে। শৰ্মাৰ মতেই ৪০৫ কোটি টকা থাকি

গ'ল। তেতিয়াহলে সেইবছৰ বাজেট চাৰপ্লাচ হব লাগিছিল কিন্তু ৩৬৩ কোটি টকা ঘাটি হৈছে। গতিকে এই বছৰ এই ৪২ কোটি টকা কিয় দিব নোৱাৰে? তেখেত সকলৰ দিনত ৪০৫ কোটি নিদিয়াকৈ ৩৬৩ কোটি টকাৰ ঘাটি বাজেট কৰিছে। ১৯৯০-৯১ চনত ১১৬৪ কোটি টকাৰ ৰিচিপ্ত দেখুওৱা হৈছে আৰু পেমেণ্ট কৰা হৈছে ৭৪৯ কোটি টকা। সেই বছৰতো ১৯৬ কোটি টকা ঘাটি হ'ল। গতিকে এইটো কথা নহয়। পাব্লিক দেষ্ট অলপ ৰাখি বাজেট চাৰপ্লাচ কৰিব নোৱাৰে। বাজেট চাৰপ্লাচ কৰিবলৈ হলে ৰিছিপ্ত আৰু এক্স-পেনদিচাৰৰ বেলেঞ্চ ৰাখিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, টেক্সৰ ওপৰত বহুতো সমালোচনা হৈছে আৰু বহু কথাই কোৱা হৈছে। এইখন এখন এন্টি পিপুল বাজেট বুলি কৈছে। এই বাজেট খনৰ জৰিয়তে দুখীয়া মানুহৰ ওপৰত টেক্স লগোৱা বুলি কৈছে। চাহ বাগানৰ মালিক সকলৰ ক্ষেত্ৰত ৰেহাই দিয়া বুলি কৈছে। টোট প্ৰেচ, টোট ব্ৰাচ প্ৰতি টকাত ৮ পইচাকে উঠি আছে। আমি এক পইচাকৈ বঢ়াইছো। জুইচলাৰ ক্ষেত্ৰটো এক টকাত ৩টা জুইচলা পাই তাত আমি এক পইচাহে বঢ়াইছো। তেনেকৈ কাকলাৰিত এক পইচা বঢ়াইছো। ভিজিটেবুলত এক পইচা বঢ়াইছো, চাবোনত এক পইচাকৈ বঢ়াইছো। এই এক পইচাকৈ বঢ়ালে কোনো ক্ষতিকাৰক হব নোৱাৰে। এক পইচাকৈ বঢ়ালে দুখীয়া মানুহে কোনো বস্তু নিকিনাকৈ নেথাকে। চাউলৰ ক্ষেত্ৰতো ২ টকাৰ মূল্যৰ যিখিনি চাউলৰ দাম তাতো টেক্স নোলায়। ফেয়াৰ প্ৰাইচৰ যিবিলাক দাম তাত টেক্স লগোৱা কথা উঠা নাই। মুকলি বজাৰত বাচমতি চাউলৰ দাম ৪০ টকাকৈ মানুহে কিনি খায়। ৪০ টকা খোৱা মানুহক ২ পইচা দিবলৈ একোৰেই চিন্তা নকৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মাষ্টাৰ-ৰইল, ৰেপছিদ ১ পইচাকৈ বঢ়োৱা হৈছে। আমি গোটেই ভাৰতবৰ্ষত কোনে কেনেকৈ টেক্স লগাইছে সেইটো চাব লাগিব। সেই ফালৰ পৰা আমি অসম সৰ্ব্বনিম্ন হৈ আছো। পশ্চিমবঙ্গত ইয়াত সন্দিক্লে ভাঙৰীয়া নাই কিছুমান বস্তুত আমাতকৈ বেচিহে টেক্স লগাইছে। আমি স্কুটাৰত অলপ টেক্স লগাইছো। আপুনি আচৰিত হব যে হাৰিয়ানাৰ ষাচত প্ৰতিবছৰে ২ লাখ টকা, পঞ্জাৱত ১ লাখ ৭০ হেজাৰ টকা কিন্তু অসমত ৫ হেজাৰ টকা কৰিছো আমাৰ আঢ়ৈ হেজাৰ টকা আছিল। ১৯৬৬ চনৰ পৰা টেন্সপৰ্টত এই টেক্স বঢ়োৱা হোৱা নাই। সৰ্ব্বভাৰতীয় হিচাপত এই টেক্স অসমত বেচি লগোৱা হোৱা নাই। হাৰিয়ানা ২ লাখ টকা, পঞ্জাৱত ১ লাখ টকাৰ তুলনাত অসমত ৫ হেজাৰ টেক্স লগোৱাটো কোনো দোষনীয় কথা হব নোৱাৰে। প্ৰফেচনেল টেক্সৰ কথা কলে আপুনি আচৰিত হব যে গুৱাহাটী টেক্স যোনৰ পৰা ৫ কোটি টকা সংগ্ৰহ হয়। এই ৫ কোটি টকাৰ ৪ কোটি টকা কেৱল এমপ্লয়িয়ে দিয়ে। তাৰে এককোটি টকা ফাঁচি বজাৰৰ ব্যবসায়ী আৰু প্ৰাইভেট পেকটিচ কৰা ডাক্তৰ, উকীল সকলৰ পৰা আহে। আজি কৰ্মচাৰী সকলে ফিক্সপ্ৰে পাই তেওঁলোকৰ পৰা ৪ কোটি টকা সংগ্ৰহ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, কম আৰ্জন কৰা মানুহৰ ওপৰত টেক্স লগোৱা বুলি কৈছে। এইবাৰ প্ৰফেচনেল টেক্স লগোৱা হিচাপ এনেধৰণৰ—আগতে প্ৰতিবছৰে ১৬ হেজাৰৰ পৰা ২০ হেজাৰ টকা পোৱা লোক সকলে এই টেক্স দিব লাগিছিল ১৫০ টকা আৰু এতিয়া কৰা হৈছে ১৪৫ টকা। ২০ হেজাৰ পৰা ২০০ হেজাৰ পোৱা লোক সকলৰ আগতে আছিল ২০০ টকা আৰু এতিয়া কৰা হৈছে

